Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

উপমন্যু হাজৰিকাৰ বিৰুদ্ধে গোচৰ ৰিণিকিৰ



বিতং বাতৰি ১১নং পৃষ্ঠাত

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, FEBRUARY 04, 2025 ■ মঙলবাৰ, ২১ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৩৯ Guwahati, Assam ।। মূল্যঃ এটকা

## কুম্ভমেলাত অঘটন! উত্তপ্ত হ'ল সদন

নতুন দিল্লী, ৩ ফেব্ৰুৱাৰীঃ কুম্ভমেলাত সংঘটিত পদপিষ্টৰ ঘটনাক লৈ উত্তাল হৈ পৰিল শেষাংশ ৩ পৃষ্ঠাত

## অন্ত দিল্লীৰ নিৰ্বাচনী প্ৰচাৰ

নতুন দিল্লী, ৩ ফেব্ৰুৱাৰীঃ অন্ত পৰিল দিল্লী বিধানসভা নিৰ্বাচনৰ ৫ পৃষ্ঠাত চাওক

## সংগীত শিল্পী বীণা ভাগৱতীৰ জীৱনাৱসান



ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ চিৰসেউজ গীতেৰে অসমীয়া সংগীত জগতক সমৃদ্ধ কৰা বিশিষ্ট ৪ পৃষ্ঠাত চাওক



গ্ৰেপ্তাৰ কৰা ৭ নেতাক মুক্তিৰ দাবীত গুৱাহাটীত বীৰ লাচিত সেনাৰ অৱস্থান ধৰ্মঘট

'ফ'ৰ্বছ' আলোচনীৰ সমীক্ষাক লৈ চৰ্চা

## বিশ্বৰ শক্তিশালী দহখন দেশৰ তালিকাত নাম নাই ভাৰতৰ

ই-সংবাদ, নতুন দিল্লী, ৩ ফেব্ৰুৱাৰীঃ ভাৰতবৰ্ষক 'বিশ্বগুৰু' সজাব বিচৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালতে এইবাৰ বিশ্বৰ দহখন শেষাংশ ৭ পৃষ্ঠাত

Top 10 powerful countries in the wor

| Power Rank & Country | GDP |
|---|---|
| #1 United States | $30.34 trillion |
| #2 China | $19.53 trillion |
| #3 Russia | $2.2 trillion |
| #4 United Kingdom | $3.73 trillion |
| #5 Germany | $4.92 trillion |
| #6 South Korea | $1.95 trillion |
| #7 France | $3.28 trillion |
| #8 Japan | $4.39 trillion |
| #9 Saudi Arabia | $1.14 trillion |
| #10 Israel | $550.91 billion |

শক্তিশালী বুলি দাবী কৰা মোদীৰ দিনত ১ ডলাৰ হ'লগৈ ৮৭.২৯ টকা

# 'টকা'ৰ মহাপতন! শ্বেয়াৰ বজাৰতো ৰক্তক্ষৰণ

■ শ্বেয়াৰ বজাৰত আয়কৰ হ্ৰাসৰ নপৰিল প্ৰভাৱ, ৩১৯ পইণ্ট অৱনমিত ছেনছেক্স, অধোমুখী 'নিফটি'ৰো দুৰ্দশা



নতুন দিল্লী, ৩ ফেব্ৰুৱাৰীঃ ১০ বছৰ পূৰ্বে অৰ্থাৎ ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্য হ্ৰাসক লৈ তেতিয়াৰ কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছিল শেষাংশ ৪ পৃষ্ঠাত




নিৰ্বাচন আয়োগক সমালোচনা ৰাহুল গান্ধীৰ

## লোকসভা নিৰ্বাচনৰ পিছত মহাৰাষ্ট্ৰত ভোটাৰ তালিকাত ৭০ লাখ ভোটাৰ অন্তৰ্ভুক্ত



ই-সংবাদ, নতুন দিল্লী ৩ ফেব্ৰুৱাৰীঃ সংসদৰ চলিত বাজেট অধিৱেশনৰ তৃতীয় দিনটোত আজি ৰাষ্ট্ৰপতিৰ অভিভাষণ ৫ পৃষ্ঠাত

ঝুমুৰ নৃত্য, এডভাণ্টেজ আছামলৈ আমন্ত্ৰণ

## দিল্লীত প্ৰধানমন্ত্ৰী, বিত্তমন্ত্ৰীক সাক্ষাৎ হিমন্তৰ

নতুন দিল্লী, ৩ ফেব্ৰুৱাৰীঃ কেন্দ্ৰীয় বাজেট-২০২৫ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ইতিহাস সৃচনা কৰি অসমৰ নামৰূপত ১২.৭ ৩ পৃষ্ঠাত



# টকাৰ ক্ষেত্ৰত ব্যৰ্থ মোদী

**বিশ্ব বজাৰত** আমেৰিকান ডলাৰৰ শক্তিশালী স্থান আৰু আমেৰিকাৰ নতুন শুল্ক নীতিৰ ফলত ভাৰতীয় মুদ্ৰাৰ ইতিহাসত সৰ্বনিম্ন পতন এক গভীৰ উদ্বেগৰ বিষয়। ২০১৪ চনৰ আগতে, নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছ চৰকাৰৰ সময়ত টকাৰ মূল্য হ্ৰাসক লৈ কটাক্ষ কৰিছিল। কিন্তু এতিয়া তেওঁৰ নিজা চৰকাৰৰ সময়তে, টকাই ডলাৰৰ বিপৰীতে ৮৭.২৯ টকালৈ হ্ৰাস পাইছে। এই পৰিস্থিতিয়ে কেৱল আৰ্থিক ক্ষেত্ৰতেই নহয়, ৰাজনৈতিক পৰিসৰতো এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। বিশেষজ্ঞসকলৰ মতে, মুদ্ৰাৰ এই দুৰ্বলতাৰ কাৰণ হৈছে বিদেশী বিনিয়োগকাৰীৰ বিক্ৰী হেঁচা, বাণিজ্যিক ঘাটিৰ বৃদ্ধি, আৰু বিশ্ববজাৰত ডলাৰৰ শক্তিশালী অৱস্থান। ভাৰতীয় ৰিজাৰ্ভ বেংকে বহুতো পদক্ষেপ লোৱাৰ চেষ্টা কৰিছে, কিন্তু এতিয়াও টকাৰ মজবুত স্থিতি পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। এই পৰিস্থিতিৰ প্ৰত্যক্ষ প্ৰভাৱ সাধাৰণ জনতাই ভোগ কৰিব। আমদানি খৰচত ব্যয় বৃদ্ধি পোৱাৰ ফলত খাৰুৱা তেলৰ দাম বৃদ্ধি হ'ব পাৰে, যাৰ ফলত সাধাৰণ জীৱনৰ ব্যয় তথা মুদ্ৰাস্ফীতি বৃদ্ধি পাব। আনহাতে, তথ্য-প্ৰযুক্তি আৰু ঔষধৰ দৰে ৰপ্তানিমুখী খণ্ডৰ বাবে এই পৰিস্থিতি কিছু সুবিধাজনক হ'ব পাৰে। প্ৰশ্ন উঠিছে— চৰকাৰে কি পদক্ষেপ ল'ব? প্ৰধানমন্ত্ৰী মোদীৰ চৰকাৰে যেতিয়া শক্তিশালী ভাৰতীয় অৰ্থনীতিৰ কথা কয়, তেতিয়া এই ধৰণৰ সংকটৰ সঠিক ব্যৱস্থাপনা কৰিব লাগে। মুদ্ৰানীতি, বিত্তীয় নীতি আৰু বিদেশী বিনিয়োগ নীতিৰ সঠিক সমন্বয়ৰ দ্বাৰাই কেৱল টকাৰ স্থিতিশীলতা ৰক্ষা কৰিব পৰা যাব। সময় আহিছে, যেতিয়া চৰকাৰে কথাত নহয়, কামত প্ৰমাণ দিব লাগিব। এই সংকটৰ মাজতো চৰকাৰে লাভজনক খণ্ডসমূহত গুৰুত্ব দিব লাগিব। তথ্য-প্ৰযুক্তি, পৰ্যটন, আৰু কৃষি খণ্ডক অধিক সহায় যোগান ধৰিলে দেশীয় অৰ্থনীতি অধিক শক্তিশালী হ'ব পাৰে। বিদেশী বিনিয়োগ আকৰ্ষণৰ বাবেও সঠিক নীতি গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী। অৰ্থনীতিৰ স্থিতিশীলতা বজাই ৰাখিবলৈ ৰিজাৰ্ভ বেংকে অধিক সক্ৰিয় ভূমিকা লোৱা উচিত। বিশ্ব বজাৰৰ পৰিৱৰ্তনশীলতাক মনত ৰাখি সুদৰ হাৰ নীতিৰ ক্ষেত্ৰত বিচক্ষণতা প্ৰয়োগ কৰাটো সময়ৰ আহ্বান। এনে কঠিন সময়ত এক সুসংগঠিত আৰু দীৰ্ঘম্যাদী দৃষ্টিভংগীৰ উন্নয়ন নীতিহে মুদ্ৰাৰ স্থিতিশীলতা পুনৰুদ্ধাৰ কৰিব পাৰে। চৰকাৰৰ স্থিতিশীল আৰু দূৰদৰ্শী নীতিয়েহে এই সংকটৰ উত্তৰণ ঘটাব। মুদ্ৰাৰ মূল্যমান ৰক্ষাৰ বাবে সুস্পষ্ট দিশনিৰ্দেশনা অত্যাৱশ্যক। সময়ত প্ৰয়োজনীয় পদক্ষেপ নল'লে বিপদ অৱশ্যম্ভাৱী।

# ভুল দিশতে গতি কৰি আছে নেকি সাহিত্য সভাই?

■ ৰমেন শইকীয়া

**সাহিত্য কাণ্ডাৰী পদ্মনাথ** গোহাঞিবৰুৱাৰ সভাপতিত্বত শিৱসাগৰত অনুষ্ঠিত সাহিত্যিকসকলৰ সভাত প্ৰতিষ্ঠা হোৱা অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিতীয় বাৰ্ষিক পাঠশালা-বজালী অধিৱেশন ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত হৈছে। অসমৰ জাতীয় অনুষ্ঠানটোৰ প্ৰতি ৰাজ্যখনৰ লগতে দেশৰ বৌদ্ধিক মহলৰো আস্থা-বিশ্বাস আছিল। ইতিপূৰ্বে হৈ যোৱা প্ৰায়বোৰ অধিৱেশনতে অংশগ্ৰহণ কৰা বৌদ্ধিক ব্যক্তি তথা সাহিত্যিকসকলে প্ৰশংসা কৰি যোৱাৰ অলেখ উদাহৰণ অসম সাহিত্য সভাৰ বুৰঞ্জীত লিপিবদ্ধ হৈ আছিল। একালত অসম সাহিত্য সভাৰ দায়িত্ব লোৱা ব্যক্তিসকল আছিল ৰাজ্যখনৰ লোকসকলৰ শ্ৰদ্ধাৰ আৰু সন্মানীয় ব্যক্তি। তেনেসকল লোকক দেখিলেই শ্ৰদ্ধাত সকলোৱেই মূৰ দোৱাইছিল।

যোৰহাটত কেন্দ্ৰীয় কাৰ্যালয় থকা অনুষ্ঠানটোৰ কাৰ্যালয় এতিয়া গুৱাহাটী, ডিফু, ডিব্ৰুগড়, শিলচৰ, উত্তৰ লখিমপুৰ, নগাঁও, জালাহ, মঙলদৈ, দৰং আদিত পৰিচালিত হৈ আছে। ৮০০ ৰো অধিক শাখা সাহিত্য সভাৰ লগতে জিলা সাহিত্য সভাসমূহক লৈ অসম সাহিত্য সভাৰ সৈতে বিভিন্ন পৰ্যায়ৰ সদস্য ভৰ্তিৰে অনুষ্ঠানটোৰ সৈতে ৰাজ্য, দেশৰ লগতে বিদেশৰো বহু লোক জড়িত। সেইসকলৰ উপৰিও সদস্যভৰ্তি নোহোৱা সকলেও অসম সাহিত্য সভাক ভালপায়, শ্ৰদ্ধা কৰে, প্ৰয়োজনত সহায়-সহযোগিতা কৰি আছে, কৰি থাকিব। সেইবাবেই মেলা সদৃশৰূপত অনুষ্ঠিত কৰিব পাৰে বাৰ্ষিক, দ্বি-বাৰ্ষিক অধিৱেশনৰ লগতে অন্যান্য কাৰ্যসূচীবোৰ। অনুষ্ঠানটোত অলপমানো দাগ লগা দেখিলেই জাঙুৰ খাই উঠে লোকসকল।

বিগত সময়তো তেনে এক পৰিস্থিতিয়েই হৈছিল অসম সাহিত্য সভাত। কিছু লোকে স্বাৰ্থ সিদ্ধিৰ বাবে বিভিন্ন কূট কৌশলেৰে অসম সাহিত্য সভাৰ মজিয়াত প্ৰৱেশ কৰি স্বাৰ্থ সিদ্ধি কৰিছে যদিও অধিকসংখ্যকেই ধৰা পৰাত মজিয়াৰ পৰাই চিৰজীৱনৰ বাবে মেলানি মাগিবলৈ বাধ্য হয়। অনুষ্ঠানটোৰ কেন্দ্ৰীয় কাৰ্যালয় দীৰ্ঘদিনৰ পূৰ্বেই চন্দ্ৰকান্ত সন্দিকৈৰ নামৰ যোৰহাটৰ এটা চাহ খেতিয়কৰ বিখ্যাত পৰিয়ালে গাঁঠিৰ ধনেৰে নিৰ্মাণ কৰাই দিছিল। উদ্দেশ্য আছিল ভাষা সাহিত্যৰ চৰ্চা হ'ব, গ্ৰন্থ প্ৰকাশ কৰিব, গৱেষণা হ'ব আৰু এখন বৌদ্ধিক সমাজ গঢ় লৈ উঠিব। ভাষা আৰু শব্দৰ গাঁথনি যাতে শুদ্ধ হয় সেই উদ্দেশ্যে গৃহটো দান কৰা পৰিয়ালটোৱেই সেইজন ব্যক্তিৰ নামতে চন্দ্ৰকান্ত

> সভাপতিগৰাকীক মান্যানুসাৰে আসনত অধিষ্ঠিত কৰাওক। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ মৰ্যাদা অক্ষুন্ন ৰাখক। প্ৰকৃত সাহিত্যিকসকল অসম সাহিত্য সভাৰ সৈতে জড়িত হওঁক। ধনৰ লেন-দেন নিখুঁত হওঁক।


অভিধান প্ৰণয়ন কৰিবলৈ প্ৰকাশৰ বাবে ধনৰো আৱণ্টন দিছিল। কিন্তু সেই ঘৰ, সেই অভিধান এতিয়া এলাগী। স্বাৰ্থপৰ লোকৰ দপদপনিত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰূপে চন্দ্ৰকান্ত সন্দিকৈ ভৱনত কেৱল নামফলকখনহে আছেগৈ। নথি-পত্ৰৰে অনুষ্ঠানটো পৰিচালিত হয় অন্য এটা কাৰ্যালয়ৰ পৰাহে। সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক, ভোটৰ দ্বাৰা নিৰ্বাচিত হ'লেই মনে মিলা মানুহেৰে সেইকেইগৰাকীয়েই এশ-ডেৰশজনীয়াকৈ গঠন কৰি লয় কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিখন। উপহাৰ, বস্ত্ৰ লোৱাত ব্যস্ত সেইসকল। সাহিত্য চৰ্চাৰ নামত শূণ্য।

২০২৫-২০২৭ বৰ্ষৰ বাবে অসম সাহিত্য সভা পৰিচালনা কৰিবলৈ যোৰহাটৰ দুগৰাকী, নগাঁৱৰ এগৰাকীয়ে দায়িত্ব কাণপাতি লৈছে। কাৰ্যভাৰ নলওঁতেই বহু কথাই কৈছে। কথাৰ সৈতে মিলাকৈ কামবোৰ দেখিলেহে লেখিম। নিয়মাৱলীৰে প্ৰতিষ্ঠাৰে পৰা পৰিচালনা হৈ থকা অনুষ্ঠানটো সংবিধানেৰে পৰিচালিত হোৱাতেই লাগিল কেনা।

গতিকে পাঠশালা-বজালী অধিৱেশনত অংশগ্ৰহণ কৰা প্ৰতিনিধিসকলে বিষয়টো অনুধাৱন কৰি দিশ নিৰ্ণয় কৰাৰ বাবে সিদ্ধান্ত লোৱা উচিত। পূৰ্বৰ দৰেই সকলো পৰ্যায়ৰ প্ৰতিনিধিয়ে অধিৱেশনতে কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া-সদস্যসকল নিৰ্বাচিত কৰক। সভাপতিগৰাকীক মান্যানুসাৰে আসনত অধিষ্ঠিত কৰাওক। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ মৰ্যাদা অক্ষুন্ন ৰাখক। প্ৰকৃত সাহিত্যিকসকল অসম সাহিত্য সভাৰ সৈতে জড়িত হওঁক। ধনৰ লেন-দেন নিখুঁত হওঁক। গ্ৰন্থ প্ৰকাশ আৰু বিক্ৰীৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়ক। সভা-সমিতি, উৎসৱ-দিৱস পাতি সময় নষ্ট কৰা বাদ দিয়ক।

**(লেখকৰ ফোনঃ ৯৮৬৪৫-৭৮২৬০)**

# অসম সাহিত্য সভাই তথ্য-প্ৰযুক্তিকো গুৰুত্ব দিয়া উচিত



## সম্পাদকলৈ চিঠি

■ ড০ বুলজিৎ বুঢ়াগোহাঁই

সৰ্বপ্ৰথমে, অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত বিষয়ববীয়াসকললৈ অভিনন্দন জনালো। আশা কৰিছো তেওঁলোকৰ নেতৃত্বই সাহিত্য সভাক এক নতুন দিশ প্ৰদান কৰিব। বৰ্তমানৰ ডিজিটেল যুগত সভাৰ কাম-কাজ সমূহ অধিক সুচল আৰু শক্তিশালী কৰিবলৈ তথ্য-প্ৰযুক্তিৰ সু-প্ৰয়োগ কৰাটো অতি প্ৰয়োজনীয়। সক্ৰিয় ৱেবচাইটৰ যোগেদি দেশ-বিদেশত থকা শাখাসমূহৰ বিষয়ববীয়া, আজীৱন সদস্য আৰু অন্যান্য সদস্যসকলৰ তথ্য উপলব্ধ কৰিলে অসম সাহিত্য সভাৰ লগত জড়িত ব্যক্তি সকলৰ মাজত যোগাযোগ আৰু তথ্যৰ আদান-প্ৰদান সহজ হ'ব। ৱেবছাইটৰ যোগেদি অসম সাহিত্য সভাৰ বিভিন্ন কাৰ্যসূচীসমূহ উপলব্ধ কৰিলে সদস্য সকলৰ লগতে সাধাৰণ লোকসকলৰ মাজতো সচেতনতা বৃদ্ধি হ'ব। লেখকসকলৰ তালিকা প্ৰস্তুত কৰি তেওঁলোকৰ পৰিচয় আৰু কৰ্মৰাজি ৱেবচাইটত উপলব্ধ কৰিও অসম সাহিত্য সভাই এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিব পাৰে। অসম সাহিত্য সভাৰ বিভিন্ন অনুষ্ঠানত যোগদানৰ বাবে অনলাইনৰো ব্যৱস্থা গ্ৰহণ কৰিলে সভাৰ কাৰ্যসূচীসমূহত জনসাধাৰণৰ অংশগ্ৰহণৰ সংখ্যা আৰু আগ্ৰহ বৃদ্ধি পাব। অসম সাহিত্য সভাক অধিক গতিশীল আৰু সময়োপযোগী কৰি তুলিবৰ বাবে সভাৰ নৱনিৰ্বাচিত নেতৃত্বই এনেধৰণৰ পদক্ষেপ লোৱাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব বুলি আশা কৰিলো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত প্ৰধানমন্ত্ৰী, বিত্তমন্ত্ৰীক সাক্ষাৎ

লাখ মেট্ৰিক টন উৎপাদন ক্ষমতাৰ ইউৰিয়া প্ৰকল্পৰ ঘোষণা কৰাৰ পাছত দেওবাৰে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দিল্লীত উপস্থিত হয়। সাৰ উপলব্ধতাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা লাভ কৰাত সহায় কৰাৰ লগতে অসমৰ সম্পদ প্ৰাকৃতিক গেছৰ সমলৰো সদ্ব্যৱহাৰৰ ক্ষেত্ৰত এই ঘোষণাই যথেষ্ট সহায় কৰিব বুলি ইতিমধ্যে চৰ্চা লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে সোমবাৰে সমাগত 'এডভাণ্টেজ আছাম ২.০'ক প্ৰাধান্য দি অসমৰ সামগ্ৰিক উন্নয়ন-বিকাশৰ লগত জড়িত বিভিন্ন বিষয় আলোচনা কৰাৰ অৰ্থে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি অসমবাসীৰ হৈ তেওঁ লৈ নামৰূপৰ ইউৰিয়া প্ৰকল্পৰ অনুমোদনৰ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে এইবুলি, 'এই প্ৰকল্পই ৰাজ্যৰ উন্নয়নমূলক যাত্ৰাত এক বৃহৎ ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিব। আগন্তুক 'এডভাণ্টেজ আছাম ২.০' সন্মিলন আৰু বিশাল ঝুমইৰ প্ৰদৰ্শন সন্দৰ্ভত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ পৰা মূল্যৱান নিৰ্দেশনা লাভ কৰাৰো সৌভাগ্য হয়।' মুখ্যমন্ত্ৰীয়ে এডভাণ্টেজ আছামৰ বাবে অসমলৈ তেখেতক স্বাগতম জনোৱাৰ ক্ষেত্ৰত অসমবাসীৰ আগ্ৰহ আৰু আনন্দও ভগাই লয়। মুখ্যমন্ত্ৰীয়ে দিল্লীত সাক্ষাতৰ জৰিয়তে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনকো 'ভাৰতৰ ইতিহাসৰ অন্যতম শ্ৰেষ্ঠ বাজেট উপস্থাপন'ৰ বাবে অভিনন্দন জ্ঞাপন কৰে। এই বাজেটে মধ্যবিত্ত আৰু ক্ষুদ্ৰ ব্যৱসায়ক চৰকাৰৰ কাৰ্যসূচীৰ কেন্দ্ৰবিন্দুত ৰাখি অভিনৱত্ব প্ৰদান কৰিব বুলি উল্লেখ কৰে। লগতে তেওঁকো অসমৰ নতুন ইউৰিয়া প্ৰকল্প স্থাপনৰ ঘোষণাৰ বাবে ৰাজ্যবাসীৰ হৈ ধন্যবাদ জনায় আৰু আগন্তুক এডভাণ্টেজ আছামৰ সন্মিলনত মন্ত্ৰীগৰাকীয়ে অসমক বাধিত কৰি সামৰণিৰ অধিৱেশনখনত অধ্যক্ষতা কৰিবলৈ সন্মতি প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে সাক্ষাতো আছিল মুখ্যমন্ত্ৰীৰ সোমবাৰৰ দিনটোৰ অন্যতম সফল কাৰ্যসূচী। 'এডভাণ্টেজ আছাম ২.০'ৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে 'বিকশিত অসমত আই-ৱেজ'ৰ ভূমিকা সম্পৰ্কে এক বৈঠকত অধ্যক্ষতা কৰিব বুলি জনায়। সাক্ষাতৰ পাছত মুখ্যমন্ত্ৰীয়ে কয় যে এই অধিবেশনে যোগাযোগ আৰু প্ৰযুক্তি উদ্যোগৰ মূল অংশীদাৰ আৰু শ্ৰেষ্ঠ মনক একত্ৰিত কৰি ৰাজ্যত 'আই ৱেজ' নিৰ্মাণৰ ক্ষেত্ৰত অসমক নিৰ্দিষ্ট কৌশল প্ৰণয়ন কৰাত সহায় কৰিব। কেন্দ্ৰীয় মন্ত্ৰীৱে মাৰাথন সাক্ষাতৰ সময়ত ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীৰ সৈতে মিলিত হৈ অসমৰ শক্তি সম্ভাৱনা সম্পৰ্কে এক ফলপ্ৰসূ আলোচনাত মিলিত হয়। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত হাইড্ৰ'কাৰ্বন আৰু শক্তি সম্পৰ্কীয় আলোচনা সত্ৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নেতৃত্ব প্ৰদানৰ সন্মতি জনোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলৰ সৈতে হোৱা সাক্ষাতত এডভাণ্টেজ আছাম-২.০ৰ সন্মিলনত অসমক বিকাশৰ ইঞ্জিন হিচাপে গঢ়াৰ বিভিন্ন দিশ সম্বন্ধীয় আলোচনাত নেতৃত্ব প্ৰদানৰ কথা ব্যক্ত কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। দেশৰ এগৰাকী শক্তিশালী নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতেও এই ধাৰাবাহিক সাক্ষাতৰ অংশ হিচাপে মুখ্যমন্ত্ৰীয়ে এক আলোচনাত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে মুখ্যমন্ত্ৰীয়ে অসমৰ পথ আন্তঃগাঁথনিকে ধৰি এডভাণ্টেজ আছাম আদি বিভিন্ন বিষয়ত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱকো সাক্ষাৎ কৰে। এই সময়ত অসমৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ অৱদানৰ বাবে ধন্যবাদ জনাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিভিন্ন দিশ সম্পৰ্কত বিশদভাৱে আলোচনা কৰে। উল্লেখ্য যে, সোমবাৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি আন ছগৰাকী কেন্দ্ৰীয় মন্ত্ৰীক কৰা সাক্ষাতে নিশ্চিতকৈ অসমক এখন সমৃদ্ধিশালী ৰাজ্য হিচাপে গঢ়ি তোলাত অনন্য ভূমিকা গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰি কয় যে মুখ্যমন্ত্ৰী হিচাপে মোৰ আজিৰ সাক্ষাতে অসমক পূৰ্বতকৈও অধিক সমৃদ্ধ কৰিব। তেওঁৰ এই সাক্ষাতে অসমক কিদৰে সহায় কৰে সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুম্ভমেলাত অঘটন! উত্তপ্ত হ'ল সদন

সদনৰ মজিয়া। সোমবাৰে বাজেট অধিৱেশনৰ আৰম্ভণিতে বিৰোধী দলৰ সাংসদসকলে চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে। লোকসভা আৰু ৰাজ্যসভা দুয়োখন সদনতে কুম্ভমেলাৰ মৃত্যুৰ প্ৰসংগ উত্থাপন কৰি আক্ৰমণাত্মক হৈ পৰে বিৰোধী। লোকসভাত প্ৰতিবাদ জনাই বিৰোধী সাংসদসকলে 'কুম্ভমেলাক লৈ উত্তৰ দিয়ক' শ্ল'গানেৰে সদন উত্তাল কৰি তোলে। একে সময়তে কুম্ভমেলাৰ ঘটনাত কিমান লোকৰ প্ৰকৃত মৃত্যু ঘটিছে তাৰ সম্পূৰ্ণ তালিকা প্ৰকাশ কৰিবলৈও দাবী জনায় বিৰোধীয়ে। কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টিকে ধৰি বিৰোধী দলৰ সাংসদসকলে দাবী কৰে যে কুম্ভমেলাৰ্ পদপিষ্টৰ ঘটনাত চৰকাৰী পৰিসংখ্যা অনুসৰি যিমান লোকৰ মৃত্যু ঘটা বুলি কোৱা হৈছে, বাস্তৱত তাতকৈ বহু লোকৰ মৃত্যু ঘটিছে। কুম্ভক লৈ প্ৰতিবাদ জনাই সোমবাৰে ৰাজ্যসভাৰ পৰা ৱাকআউটো কৰে বিৰোধীয়ে। উল্লেখ্য যে, উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ কুম্ভ মেলাত যোৱা ২৯ জানুৱাৰীত মৌনী আমাৱস্যা উপলক্ষে 'শ্বাহী স্নান'ৰ সময়ত সংঘটিত হৈছিল এক ভয়ংকৰ দুৰ্ঘটনা। গংগা, যমুনা আৰু সৰস্বতী নদীৰ সংগমস্থলত লাখ লাখ তীৰ্থযাত্ৰী গোট খাইছিল। অত্যধিক ভিৰৰ হেঁচাত পদপিষ্ট হৈ প্ৰাণ হেৰুৱাবলগীয়া হৈছিল বহু পুণ্যাৰ্থীয়ে। চৰকাৰী তথ্য অনুসৰি, এই ঘটনাত ৩০ জন ভক্তৰ মৃত্যু ঘটা বুলি দাবী কৰা হ'লেও প্ৰকৃততে ইয়াতকৈ বহু বেছি লোকৰ মৃত্যু ঘটা বুলি দাবী কৰি আহিছে বিৰোধীয়ে। উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথৰ চৰকাৰে ক্ষতিপূৰণ দিবলগীয়া হোৱাৰ ভয়ত প্ৰকৃত মৃত্যুৰ সংখ্যা লুকুওৱা বুলিও বিস্ফোৰক অভিযোগ উত্থাপন হৈছে। কুম্ভৰ এই মৰ্মান্তিক ঘটনাক লৈয়ে সোমবাৰে সদনত কংগ্ৰেছৰ সাধাৰণ সম্পাদক কেচি বেণুগোপাল আৰু বিৰোধী উপ-দলপতি গৌৰৱ গগৈৰ নেতৃত্বত প্ৰতিবাদ সাব্যস্ত কৰে বিৰোধী সাংসদসকলে। এই ঘটনাৰ দায়িত্ব লৈ উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে পদত্যাগ কৰাৰো দাবী জনায় বিৰোধীয়ে। ইয়াৰ সমান্তৰালকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধেও শ্লোগান উত্থাপন হয়। সদনৰ মজিয়াত এনেদৰে বিৰোধীয়ে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰ পিছতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী সাংসদসকলক শান্ত হৈ থাকিবলৈ আহ্বান জনায়। কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈক উদ্দেশ্যি অধ্যক্ষই কয়, 'ৰাইজে আপোনালোকক প্ৰশ্ন কৰিবলৈ সংসদলৈ পঠিয়াইছে, টেবুল ভাঙিবলৈ নহয়। যদি সেইটোৱেই কৰিব বিচাৰে, টেবুলখনত আৰু জোৰেৰে আঘাত কৰক, ভাঙি পেলাওক।" সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱেও বিৰোধীক শান্ত হৈ থাকিবলৈ আহ্বান জনায়। ইফালে, ৰাজ্যসভাত বিৰোধীয়ে শ্ল'গান দি ৱাকআউট কৰে। পিছত আৰজেডিৰ সাংসদ মনোজ ঝাই কয়, "ৰাইজে জানিব বিচাৰে, এই মৃত্যুৰ বাবে কোন দায়ী? সংসদত ইয়াৰ ওপৰত সম্পূৰ্ণ আলোচনা হোৱা উচিত।" আন বিৰোধী সাংসদেও একেদৰেই মন্তব্য কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘টকা’ৰ মহাপতন! শ্বেয়াৰ বজাৰতো

প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী নৰেন্দ্ৰ মোদী। তদানীন্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙক কটাক্ষ কৰি জনসভাত মোদীয়ে কৈছিল, 'যেতিয়াই যেতিয়াই ডলাৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্য পতন ঘটে, তেতিয়াই তেতিয়াই প্ৰধানমন্ত্ৰীৰ আবুৰ খহি পৰে।” ২০১৪ত ক্ষমতা পৰিৱৰ্তনৰ পিছত বিগত দহ বছৰে দেশত শাসন চলাইছে নৰেন্দ্ৰ মোদীয়ে। আৰু এটা সময়ত ডলাৰৰ উত্থান আৰু টকাৰ পতনৰ বাবে কংগ্ৰেছ চৰকাৰক সমালোচনা কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালতে এতিয়া ডলাৰৰ বিপৰীতে সৰ্বকালৰ সৰ্বনিম্ন পতন ঘটিল ভাৰতীয় টকাৰ। পূৰ্বে নজিৰবিহীন ইতিহাস সৃষ্টি কৰি সোমবাৰে প্ৰতি এক ডলাৰৰৰ বিপৰীতে ভাৰতীয় মুদ্ৰাৰ মূল্য হৈ পৰিল ৮৭.২৯ টকা। বিশ্ব বজাৰত ডলাৰৰ শক্তিশালী স্থান আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নতুন শুল্ক নীতিৰ প্ৰভাৱৰ বাবেই এই পতনৰ কাৰণ বুলি অনুমান কৰা হৈছে। আমেৰিকা প্ৰশাসনে মেক্সিকো, কানাডা, চীনৰ ওপৰত অতিৰিক্ত শুল্ক ঘোষণা কৰাৰ পিছৰে পৰা বিশ্ব অৰ্থনীতিৰ ওপৰত হেঁচা পৰিছে, যাৰ প্ৰত্যক্ষ প্ৰভাৱ ভাৰতীয় মুদ্ৰাৰ ওপৰত পৰিছে। সোমবাৰে ছয়টা প্ৰধান বৈদেশিক মুদ্ৰাৰ বিপৰীতে ডলাৰৰ মূল্য নিৰ্ধাৰণ কৰা ডলাৰ সূচক ১.২৪ শতাংশ বৃদ্ধি পাই ১০৯.৮৪ত উপনীত হয়। উল্লেখ্য যে, শুকুৰবাৰে শুকুৰবাৰে ভাৰতীয় টকাৰ মূল্য আছিল প্ৰতি ডলাৰৰ বিপৰীতে ৮৬.৬২ টকা, কিন্তু সোমবাৰে ই ৮৭.২৯লৈ হ্ৰাস পায়। বজাৰ বিশেষজ্ঞসকলৰ মতে ডলাৰৰ বিপৰীতে টকাৰ দুৰ্বলতাৰ অন্যতম কাৰণ হৈছে আমেৰিকাৰ মুদ্ৰা শক্তিশালী হোৱা। আমেৰিকাৰ চাকৰিৰ বজাৰ শক্তিশালী হোৱাৰ লগে লগে আৰু সুতৰ হাৰ বৃদ্ধিৰ আশা বৃদ্ধি পোৱাৰ লগে লগে বিনিয়োগকাৰীসকলে ডলাৰৰ ফালে মুখ কৰিছে। আমেৰিকা-জাৰ্মান ১০ বছৰৰ বণ্ডৰ ফলন স্প্ৰেড ৫ বছৰৰ উচ্চতম ২.১৫ শতাংশত উপনীত হৈছে, যিয়ে ডলাৰৰ অধিক মূল্যবৃদ্ধিৰ ইংগিত দিয়ে। ইফালে, বিদেশী বিনিয়োগকাৰীৰ বিক্ৰীৰ হেঁচাইও মুদ্ৰাত প্ৰভাৱ পেলাইছে। ২০২৫ চনৰ বিত্তীয় বৰ্ষৰ তৃতীয় ত্ৰিমাসিকত তেওঁলোকে ভাৰতীয় বজাৰৰ পৰা প্ৰায় ১১ বিলিয়ন ডলাৰ উলিয়াইছিল। একে সময়তে বাণিজ্যিক ঘাটিও বৃদ্ধি পাইছে, ২০২৫ চনৰ বিত্তীয় বৰ্ষত ই ১৮৮ বিলিয়ন ডলাৰত উপনীত হৈছে, যিটো পূৰ্বৰ বছৰৰ তুলনাত ১৮ শতাংশ বৃদ্ধি। ইফালে টকাৰ পতনৰ লগে লগে ভাৰতৰ শ্বেয়াৰ বজাৰতো দেখা গৈছে ইয়াৰ প্ৰভাৱ। সপ্তাহটোৰ আৰম্ভণিতে বজাৰ খোলাৰ লগে লগে ৭০ পইণ্ট অৱনমিত হয় ছেনছেক্স। পিছলৈ সেয়া ৩১৯ পইণ্ট হ্ৰাস পায়। নিফটি অৱনমিত হয় ৩০০ পইণ্ট পৰ্যন্ত। বেংকিং, তথ্যপ্ৰযুক্তি, শক্তি আদি খণ্ডৰে জড়িত একাধিক কোম্পানীৰ শ্বেয়াৰৰ দৰ হোৰাহোৰে হ্ৰাস পাইছে। ফলত বিনিয়োগকাৰীসকলৰ মাজত হাহাকাৰ লাগে। দালাল ষ্ট্ৰীটত দেখা দিয়া এই ৰক্তক্ষৰণৰ বাবে ট্ৰাম্পৰ শুল্ক নীতিকেই জগৰীয়া কৰিছে বিশেষজ্ঞসকলে। উল্লেখ্য যে, বিগত সাত সপ্তাহত ৰিজাৰ্ভ বেংকে গড়ে ৩.৩ বিলিয়ন ডলাৰৰ ৰিজাৰ্ভ বিক্ৰী কৰিছে যদিও ইয়াক সামান্য হস্তক্ষেপ হিচাপে দেখা গৈছে। বিশেষজ্ঞসকলৰ মতে, মুদ্ৰাৰ পতন নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আৰ বি আইয়ে সতৰ্ক স্থিতি গ্ৰহণ কৰিছে যদিও বজাৰৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি আৰু অধিক পদক্ষেপ লোৱা হ'ব পাৰে। মুদ্ৰাৰ এই পতনে আমদানি খণ্ডত প্ৰত্যক্ষ প্ৰভাৱ পেলাব বুলি বিশেষজ্ঞসকলে আশংকা কৰিছে। খাৰুৱা তেলৰ মূল্য বৃদ্ধি হ'ব পাৰে, যাৰ ফলত উৎপাদন ব্যয় আৰু মুদ্ৰাস্ফীতিৰ ওপৰত প্ৰভাৱ পৰিব। বিদেশী ঋণৰ ওপৰত নিৰ্ভৰশীল কোম্পানীসমূহৰ ঋণ পৰিশোধৰ খৰচ বৃদ্ধি পাব। ক্ৰয় ক্ষমতা হ্ৰাস পোৱাৰ বাবে সাধাৰণ অৰ্থনীতিত ইয়াৰ প্ৰভাৱ পৰিব বুলি ধাৰণা কৰা হৈছে। অৱশ্যে ৰপ্তানিকাৰকৰ বাবে পৰিস্থিতি কিছু অনুকূল হ'ব পাৰে। চফ্টৱেৰ আৰু ঔষধৰ দৰে ৰপ্তানিমুখী খণ্ডত ৰাজহ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে, কিয়নো দুৰ্বল মুদ্ৰাই ভাৰতীয় সামগ্ৰীক বিশ্বজুৰি প্ৰতিযোগিতামূলক সুবিধা প্ৰদান কৰে। বহিঃৰাজ্যৰ পৰা পঠোৱা ধন বা ৰেমিটেন্সো বৃদ্ধি পাব পাৰে। এই পৰিস্থিতিত ৰিজাৰ্ভ বেংকে কি কৰা উচিত সেই সন্দৰ্ভত বিশেষজ্ঞসকলৰ মাজত বিভিন্ন আলোচনা চলি আছে। বজাৰ বিশ্লেষকসকলৰ মতে যদি টকাৰ মূল্য আৰু অধিক হ্ৰাস পায় তেন্তে আৰ বি আইয়ে মুদ্ৰানীতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব লাগিব। ফেব্ৰুৱাৰী মাহত ৰেট কৰ্তনৰ সম্ভাৱনা আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংগীত শিল্পী বীণা ভাগৱতীৰ

সংগীত শিল্পী বীণা ভাগৱতী আৰু নাই। অলেখ গুণমুগ্ধ, আত্মীয় স্বজনক কন্দুৱাই ইহসংসাৰৰ পৰা মেলানি মাগে সংগীত শিল্পী বীণা ভাগৱতীয়ে। মহানগীৰৰ জু-ৰোডস্থিত নিজ বাসগৃহত ৮৮ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে শিল্পীগৰাকীয়ে। অসুস্থ হৈ থকা বীণা ভাগৱতীয়ে আজি পুৱা প্ৰায় ৬ বজাত মৃত্যুক আকোৱালি লয়। ১৯৩৭ চনৰ ১২ ডিচেম্বৰত কামৰূপ জিলাৰ পলাশবাৰীত জন্মগ্ৰহণ কৰা বীণা ভাগৱতীয়ে কৈশোৰ অৱস্থাৰ পৰাই মাতৃ আৰু মোমায়েকৰ তত্বাৱধানাত সংগীতৰ সাধনা কৰিছিল। বিশিষ্ট সংগীতৰ সাধক হৰলাল বেনাৰ্জী, জীতেন দেৱ, পৰেশ ৰায়ৰ সান্নিধ্যত সংগীতৰ শিক্ষা গ্ৰহণ কৰিছিল তেওঁ। উচ্চশিক্ষা গ্ৰহণ কৰালৈকে সংগীতৰ জগতখনৰ সৈতে জড়িত থকাৰ লগতে হাজো ছোৱালী হাইস্কুল, ৰামপুৰ মাধৱদেৱ ছোৱালী হাইস্কুল আৰু মিৰ্জা সৰপাৰা হাইস্কুলত শিক্ষকতা কৰিছিল। চৰকাৰী চাকৰি এৰি ১৯৭৪ চনত লক্ষ্ণৌৰ ভাটখাণ্ডে সংগীত বিদ্যাপীঠত শাস্ত্ৰীয় সংগীতত বিশাৰদ ডিগ্ৰী লাভ কৰে। অসমৰ সেই সময়ৰ অন্যতম সংগীত শিল্পী ৰূপে লতা মংগেশকাৰৰ সান্নিধ্য লাভ কৰিছিল বীণা ভাগৱতীয়ে। তেওঁ কেৱল অসমতে নহয়, ৰাজ্যৰ বাহিৰতো সংগীত পৰিৱেশন কৰি খ্যাত লাভ কৰিছিল। পঞ্চম শ্ৰেণীত অধ্যয়নৰত অৱস্থাত প্ৰথমবাৰ ১৯৫০ চনত গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰ যোগে ‘ভকতিৰ ধূপ পুৰি যায় প্ৰভু’ শীৰ্ষক বৰগীত গীত গাইছিল। বহু বৰগীত, ভজন, লোকগীত, বিহুসুৰীয়া গীত ৰেডিঅ’ যোগে প্ৰচাৰ হোৱাত ব্যাপক জনপ্ৰিয়তা লাভ কৰিছিল। যাঠিৰ দশকৰ পৰা প্ৰায় চাৰিটা দশকত বহু গান বাণীবদ্ধ কৰিছিল। অসমৰ মঞ্চ শিল্পী আৰু অনাতাঁৰ শিল্পীৰূপে ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিছিল বীণা ভাগৱতীয়ে। গুৱাহাটী আৰু ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ যোগেৰে নিয়মিয়াকৈ আধুনিক গীত পৰিবেশন কৰিছিল। সত্তৰৰ দশকত চেনাই মই আজিও পাহৰা নাই, চুচুক-চামাক কৈ, ৰহদৈ ঐ এয়া নিৰ্মলা নদীৰে ঘাট, উকুলি-মুকুলি কুকুলিতে খেলা, জীৱন ভৰা দুখৰ বোজাৰ দৰে আধুনিক গীতে ব্যাপক সমাদৰ লাভ কৰিছিল। শিল্পী পেন্সন লাভ কৰা শিল্পীগৰাকীক ২০০৫ বৰ্ষত ৰাজ্য চৰকাৰে শিল্পী বঁটা প্ৰদান কৰে। অসমীয়া সংগীত জগতক সমৃদ্ধ কৰা শিল্পী বীণা ভাগৱতীৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰি তেওঁৰ মৃত্যুক ৰাজ্যখনৰ বাবে অপূৰণীয় ক্ষতি আখ্যা দিছে। শিল্পীগৰাকীৰ বিয়োগত নেটিজেনেও শোক প্ৰকাশ কৰিছে।

# সৰুপথাৰত আৰক্ষীয়ে খেদি খেদি আটক কৰিলে ড্ৰাগছ সৰবৰাহকাৰীক, শূন্যলৈ গুলী, ১০৫ গ্ৰাম ড্ৰাগছ জব্দ

**ই-সংবাদ, সৰুপথাৰ, ৩ ফেব্ৰুৱাৰীঃ** সৰুপথাৰ সমজিলাৰ নৱ-বেতনি গাঁৱত আজি দিনৰ প্ৰায় ১২.৩০ বজাত নাওজান আৰক্ষীৰ সহযোগত গোলাঘাট আৰক্ষীৰ এটা দলে খেদি খেদি এজন ড্ৰাগছ সৰবৰাহকাৰীক ড্ৰাগছসহ আটক কৰাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে, গোপন সূত্ৰৰ পম খেদি নাওজান-সৰুপথাৰ পথত আৰক্ষীৰ এটা দলে স্কুটী আৰোহী এজনক অনুসৰণ কৰে। আৰক্ষীক দেখি লোকজন পলাবলৈ চেষ্টা কৰাত আৰক্ষীয়ে শূন্যলৈ গুলী চলাবলৈ বাধ্য হয়। পাছত লোকজনক আটক কৰি তেওঁৰ পৰা আৰক্ষীয়ে মুঠ ১০টা চাবোনৰ বাকচত প্ৰায় ১০৫.৭৩ গ্ৰাম পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। নিজকে ৰাজু আলী বুলি পৰিচয় দিয়া লোকজনক আটক কৰি আৰক্ষীয়ে বৰ্তমান তদন্ত অব্যাহত ৰাখিছে। এই বাতৰি যুগুত কৰাৰ পৰলৈ লোকজনৰ প্ৰকৃত নাম তথা ঠিকনা নিশ্চিত হোৱা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লোকসভা নিৰ্বাচনৰ পিছত মহাৰাষ্ট্ৰত

সন্দৰ্ভত আলোচনাৰ সময়ত শাসকীয় বিজেপিৰ বিৰুদ্ধে সদনৰ মজিয়াত পুনৰ এবাৰ সৰৱ হৈ পৰিল কংগ্ৰেছ সাংসদ তথা বিৰোধী দলপতি ৰাহুল গান্ধী। সোমবাৰে সদনত তেওঁ প্ৰদান কৰা প্ৰায় চল্লিশ মিনিট দীঘলীয়া ভাষণত চৰকাৰক সমালোচনা কৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। ৰাষ্ট্ৰপতিৰ অভিভাষণক লৈ প্ৰশ্ন উত্থাপন কৰি ৰাহুল গান্ধীয়ে কয়, "বিগত বছৰবোৰৰ দৰেই ৰাষ্ট্ৰপতিৰ ভাষণ এইবাৰো একঘেয়ামী আছিল, একেবোৰ কথা বাৰে বাৰে কোৱা হৈছিল। আজি মই ক'ম ৰাষ্ট্ৰপতিৰ ভাষণ কেনেকুৱা হ'ব লাগিছিল।" ৰাহুলে কয় যে কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰ আৰু বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰ দুয়োটাই নিবনুৱা সমস্যা সমাধানৰ বাবে একোৱেই কৰা নাই। তেওঁ কয়, "আমাৰ উৎপাদন খণ্ডৰ উন্নয়নৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিব লাগিব। প্ৰধানমন্ত্ৰী মোদীৰ 'মেক ইন ইণ্ডিয়া' এটা ভাল ধাৰণা আছিল যদিও সেয়া কাৰ্যকৰী নহ'ল। যদিও এয়া সফল নহ'ল, তথাপিও প্ৰধানমন্ত্ৰীক দোষ নিদিওঁ।" কংগ্ৰেছ সাংসদগৰাকীয়ে তেওঁৰ ভাষণত মূলতঃ পাঁচটা বিষয়ৰ ওপৰত আলোকপাত কৰে। প্ৰথমে তেওঁ কয়, "কংগ্ৰেছেও নিবনুৱা সমস্যাৰ ক্ষেত্ৰত একো কৰিব নোৱাৰিলে। সেই ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰেও কোনো অগ্ৰগতি লাভ কৰিব পৰা নাই।" দ্বিতীয়তে, 'মেক ইন ইণ্ডিয়া'ৰ সন্দৰ্ভত তেওঁ কয় যে এইটো এটা ভাল পদক্ষেপ আছিল, কিন্তু উৎপাদন খণ্ডৰ বৃদ্ধি লেহেমীয়া হৈছে। ২০১৪ চনত উৎপাদন খণ্ডৰ অংশীদাৰিত্ব ১৫.৩% আছিল যদিও এতিয়া ই ১২.৬% লৈ হ্ৰাস পাইছে, যিটো ৬০ বছৰৰ ভিতৰত সৰ্বনিম্ন। ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী মোদীৰ এই পদক্ষেপক প্ৰশংসা কৰে যদিও সফল নহ'ল বুলি কয়। তৃতীয়তে ৰাহুল গান্ধীয়ে অভিযোগ কৰে যে ২০১৯ চনত ভোটাৰ তালিকাত পৰিৱৰ্তন কৰা হৈছিল। তেওঁ কয়, "মহাৰাষ্ট্ৰৰ লোকসভা নিৰ্বাচনৰ সময়ত যি ভোটাৰ তালিকা আছিল, ৫ মাহৰ পিছত সেই তালিকাত হিমাচল প্ৰদেশৰ সমান ভোটাৰ যোগ হৈছে। বিজেপিয়ে জয়ী হোৱা আসনত এই নতুন ভোটাৰসকল বেছি।" এই সন্দৰ্ভত নিৰ্বাচন আয়োগক প্ৰশ্ন কৰি তেওঁ কয় যে আমি ইলেক্ট্ৰনিক ভোটাৰ তালিকা আমাক দিবলৈ দাবী জনাইছো। চতুৰ্থতে, চীনক লৈ মন্তব্য কৰে ৰাহুল গান্ধীয়ে। তেওঁ কয় যে আমি যেতিয়া সেনাৰ কথা কওঁ তেতিয়া প্ৰধানমন্ত্ৰীয়ে চীনৰ সীমান্তত অনুপ্ৰৱেশ ঘটাৰ কথা অস্বীকাৰ কৰিছে। সেনাই ইয়াৰ বিপৰীত কথা কৈছে, আৰু আমাৰ প্ৰতিৰক্ষা মুৰব্বীয়েও কৈছে যে চীনে আমাৰ সীমান্তত অনুপ্ৰৱেশ কৰিছে।" পঞ্চমতে ৰাহুল গান্ধীয়ে অভিযোগ কৰে যে বিজেপিয়ে চৰ্দাৰ পেটেল আৰু ড০ বিআৰ আম্বেদকাৰৰ মূল্যবোধ ধ্বংস কৰি পেলাইছে। তেওঁ কয়, "আপুনি চৰ্দাৰ পেটেল আৰু আম্বেদকাৰৰ কথা কয়, কিন্তু তেওঁলোকৰ মূল্যবোধৰ প্ৰতি অৱজ্ঞা দেখুৱাইছে। আপুনি বুদ্ধৰ আগত প্ৰণাম জনায়, কিন্তু তেওঁৰ মূল্যবোধক গুৰুত্বহীন কৰি তোলে।" ৰাহুল গান্ধীয়ে কয়, 'এয়া কোনো ধন্যবাদৰ ভাষণ নাছিল, এয়া ৰাষ্ট্ৰপতিৰ ভাষণ হ'ব লাগিছিল। পুৰণি ভাষণৰ দৰেই আছিল এই ভাষণো, শুনি শুনি এনে লাগিছিল যেন একেটা কাহিনীয়েই বাৰে বাৰে শুনি আছো।" ইফালে, ৰাহুল গান্ধীৰ ভাষণৰ সময়ত কেইবাটাও ক্ষেত্ৰত শাসকীয় পক্ষৰ পৰা তীব্ৰ বিৰোধিতা কৰা পৰিলক্ষিত হয়। বিশেষকৈ ট্ৰাম্পৰ শপতগ্ৰহণৰ ওপৰত তেওঁ মন্তব্য কৰাৰ সময়ত কিৰেন ৰিজিজুৱে তেওঁৰ ভাষণত বাধা প্ৰদান কৰে। ৰাহুল গান্ধীয়ে কয় যে আমি আমাৰ প্ৰধানমন্ত্ৰীক শপত গ্ৰহণ অনুষ্ঠানলৈ পঠিয়াব নোৱাৰো, কিন্তু আমাৰ প্ৰডাকচন চিষ্টেম থাকিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিজেই ইয়ালৈ আহি প্ৰধানমন্ত্ৰীক নিমন্ত্ৰণ কৰিলেহেঁতেন। তেওঁ কয়, "জয়শংকৰক ডোনাল্ড ট্ৰাম্পৰ শপত গ্ৰহণ অনুষ্ঠানলৈ প্ৰেৰণ কৰা হৈছিল যাতে প্ৰধানমন্ত্ৰী মোদীক শপতগ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হয়। ইয়াৰ পিছতে সংসদত শাসক-বিৰোধী দলৰ মাজত তীব্ৰ তৰ্ক-বিতৰ্ক আৰম্ভ হয়। ইয়াৰ উত্তৰত ৰিজিজুৱে কয় যে ইমান গুৰুতৰ আৰু ভিত্তিহীন মন্তব্য কৰাটো সঠিক নহয়, এয়া দুয়োখন দেশৰ মাজৰ সম্পৰ্কৰ বিষয়। ইয়াৰ পিছতে ৰাহুল গান্ধীয়ে ৰিজিজুক উদ্দেশ্যি হাঁহি মাৰি কয় আপোনাৰ মানসিক শান্তি বিঘ্নিত কৰাৰ বাবে মই দুঃখিত। ইফালে ৰাহুল গান্ধীৰ এই মন্তব্যক লৈ সদনৰ বাহিৰতো প্ৰতিক্ৰিয়া ব্যক্ত কৰে বিজেপিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে ছ'চিয়েল মিডিয়াত ৰাহুলৰ দাবী খণ্ডন কৰে। তেওঁ কয়, "ৰাহুল গান্ধীয়ে মোৰ আগন্তুক আমেৰিকা ভ্ৰমণৰ বিষয়ে ভুৱা তথ্য দিছে।" জয়শংকৰে স্পষ্ট কৰি দিয়ে যে তেওঁৰ এই ভ্ৰমণৰ উদ্দেশ্য আছিল বাইডেন প্ৰশাসনৰ সৈতে সাক্ষাৎ কৰা, আৰু প্ৰধানমন্ত্ৰী মোদীৰ আমন্ত্ৰণ সন্দৰ্ভত কোনো আলোচনা হোৱা নাছিল। ইয়াৰ উপৰিও তেওঁ কয়, "ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে সাধাৰণতে শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত নাথাকে, ভাৰতক বিশেষ দূতৰ জৰিয়তে প্ৰতিনিধিত্ব কৰা হয়।" আনহাতে সদনৰ ভাষণৰ সময়ত ৰাহুল গান্ধীয়ে চীন সন্দৰ্ভত কৰা মন্তব্যৰ পিছতে তেওঁক সকিয়নী প্ৰদান কৰে অধ্যক্ষ ওম বিৰলাই। ভাৰতৰ ভূখণ্ডত চীনা অধিগ্ৰহণক লৈ কৰা মন্তব্যক পিছত অধ্যক্ষ ওম বিৰলাই কয়, "আপুনি যি কৈছে তাৰ প্ৰমাণ দিব লাগিব।" তদুপৰি, ৰাহুল গান্ধীয়ে তেওঁৰ ভাষণত বিজেপিয়ে তেওঁলোকৰ অবিচি, দলিত আৰু জনজাতীয় সাংসদসকলক ক্ষমতা প্ৰদান কৰাৰ পৰিৱৰ্তে তেওঁলোকক কথা কোৱাৰ সুযোগো নিদিয়ে বুলি দাবী কৰে। সেই সময়তো ৰিজিজুৱে গান্ধীৰ মন্তব্যৰ প্ৰতিবাদ জনায়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী দেশৰ সৰ্ববৃহৎ অ'বিচি প্ৰতিনিধি, প্ৰধানমন্ত্ৰীৰ অধীনত মন্ত্ৰালয়সমূহৰ গুৰুত্বপূৰ্ণ পদত অ'বিচিৰ নেতা নিযুক্তি দিয়া হৈছে। তেওঁ কয় যে এইটো এনে এটা প্ৰশ্ন যাৰ উত্তৰ কংগ্ৰেছে কেতিয়াও নিদিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অন্ত দিল্লীৰ নিৰ্বাচনী প্ৰচাৰ

প্ৰচাৰৰ। সোমবাৰে সন্ধিয়া ৫ বজাত অন্ত পৰে নিৰ্বাচনী প্ৰচাৰৰ। উল্লেখ্য যে, অহা ৫ ফেব্ৰুৱাৰীত একক পৰ্যায়ত অনুষ্ঠিত হ'ব দিল্লীৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ। ইফালে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমী পাৰ্টিৰ ক্ষমতা অক্ষুণ্ণ ৰখাৰ প্ৰয়াস, আনফালে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দিল্লীৰ মছনদ দখলৰ বাবে যুঁজত অৱতীৰ্ণ হ'ব ভাৰতীয় জনতা পাৰ্টি। তাৰ সমান্তৰালভাৱে হেৰুওৱা মান ঘূৰাই অনাৰ বাবে এইবাৰ ৰণাংগণত এক নতুন উদ্যমেৰে নামিছে কংগ্ৰেছও। শনিবাৰ অৰ্থাৎ ৮ জানুৱাৰীত দিল্লীৰ জনতাই নিৰ্ধাৰণ কৰিব মছনদ কাৰ। অন্যহাতে প্ৰচাৰৰ অন্তিম মুহূৰ্তত বিজেপিৰ বিৰুদ্ধে ভোটৰ ৰিগিঙৰ অভিযোগ উত্থাপন কৰে কেজৰিৱালে। তেওঁ দাবী কৰে যে মঙলবাৰে নিশা বিজেপি কৰ্মীয়ে ভুৱা ইভিএম লৈ বস্তিৰ দৰিদ্ৰ ভোটাৰক হাজিৰ কৰি আগতীয়াকৈ ভোট সংগ্ৰহৰ পৰিকল্পনা কৰিছে। দিল্লী আৰক্ষীৰ সহায়ত বিজেপিয়ে ভয় দেখুৱাইছে বুলিও অভিযোগ উত্থাপন কৰে আপ নেতাগৰাকীয়ে। ইয়াৰ বিপৰীতে প্ৰচাৰ অভিযানৰ শেষ দিনটোত কেজৰিৱাল চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। তেওঁ দাবী কৰে যে আবকাৰী দুৰ্নীতিৰ জৰিয়তে ব্যাপক অনিয়ম সংঘটিত হৈছে, আৰু কেইবাজনো নেতাক জেলত ভৰোৱা হৈছে। কংগ্ৰেছেও বিজেপি আৰু আপক একেলগে লক্ষ্য কৰি লৈছে। প্ৰণিধানযোগ্য যে, যোৱা নিৰ্বাচনত আপে ৬২ খন, বিজেপিয়ে ৮ খন আসন লাভ কৰিছিল আৰু কংগ্ৰেছে শূন্য পাইছিল। এইবাৰো মূল যুঁজখন আপ আৰু বিজেপিৰ মাজত হ'ব বুলি সম্ভাৱনা ব্যক্ত কৰা হৈছে যদিও একাংশ ৰাজনৈতিক বিশ্লেষকৰ মতে এইবাৰ কংগ্ৰেছো কম-বেছি পৰিমাণে প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব। কিন্তু দিল্লীবাসীয়ে কাক দিল্লী দখলৰ সুযোগ দিয়ে, সেয়া ফলাফলতহে স্পষ্ট হ'ব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39




সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ গ্ৰন্থমেলাত গ্ৰন্থপ্ৰেমীৰ ভিৰ, সোমবাৰে

**তৎপৰ কেন্দ্ৰ চৰকাৰ, বে-আইনী সংগঠন ঘোষণা কৰা নহ'ব কিয়?**

# আলফাক কাৰণ দৰ্শোৱাৰ জাননী

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** বিদ্ৰোহী সংগঠন আলফা স্বাধীনলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এই জাননী মতে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ট্ৰিবিউনেলত হাজিৰ হৈ আলফা স্বাধীনক কিয় বেআইনী সংগঠন ঘোষণা কৰা নহ'ব সেই কথাৰ জাননী যোগে উত্তৰ দিবলৈ কোৱা হৈছে। আনহাতে, বিদ্ৰোহী সংগঠনটোৱে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ শেষাংশ ৮ পৃষ্ঠাত

# জঘন্য, গুৱাহাটীত ৭ হাজাৰ টকাত বাংলাদেশী যুৱতীক বিক্ৰী!

**বৰপেটা-বকোৰ ছয়জনক গ্ৰেপ্তাৰ আৰক্ষীৰ, ফোন জব্দ**

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** বাংলাদেশী যুৱতীক গুৱাহাটীৰ হোটেলৰ কোঠাত আৱদ্ধ কৰি অনৈতিক কাৰ্যত লিপ্ত হ'বলৈ বাধ্য কৰোৱাৰ ঘটনা পোহৰলৈ অহাত সমগ্ৰ গুৱাহাটীত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ হোটেল আদিত্য পেলেচত এই ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। ইতিমধ্যে বাংলাদেশী যুৱতীক হোটেলৰ কোঠাত বন্দী কৰি শোষণৰ প্ৰয়াস কৰাৰ অভিযোগত ছয় যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে গুৱাহাটী আৰক্ষীয়ে। বকোৰ জাহাংগীৰ শেষাংশ ৮ পৃষ্ঠাত

আৰ্তজনক সহায়ৰ পৰিকল্পনা

# জুবিনৰ জীৱনক লৈ ১৪০০ শাৰীৰ কবিতা ৰচনা পংকজ মাহাতোৰ

**ই-সংবাদ, ধূপধৰা, ৩ ফেব্ৰুৱাৰীঃ** দীঘলীয়া শাৰীৰ কবিতা লিখি 'লিমকা বুক অব ৰেকৰ্ডছ'ৰ পৰা স্বীকৃতি লাভ কৰা গোৱালপাৰা জিলাৰ ধূপধৰাৰ স্থানীয় সাংবাদিক পঙ্কজ মাহাতোয়ে এইবাৰ লিখি উলিয়াছে অসম সন্তান, জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ জীৱন শেষাংশ ১০ পৃষ্ঠাত

# ৰাজস্থানৰ উদয়পুৰত পথ দুৰ্ঘটনাত মৃত্যু নগাঁৱৰ ৰহটলাৰ দুজন যুৱকৰ





**শোকত ম্ৰিয়মাণ অঞ্চলবাসী, একেলগে জ্বলিল দুখনকৈ চিতা**

**ই-সংবাদ, বেবেজীয়া, ৩ ফেব্ৰুৱাৰীঃ** পেটৰ তাড়নাত বহিঃৰাজ্যত কৰ্মৰত নগাঁও দুই পৰিশ্ৰমী যুৱকৰ এক ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত হৈ নিহত হোৱা শেষাংশ ১৪ পৃষ্ঠাত

# ডিব্ৰুগড়ত নিশা বাইকৰ খুন্দাত এজন লোক নিহত, ক্ষুব্ধ ৰাইজৰ পথ অৱৰোধ

**ই-সংবাদ, ডিব্ৰুগড়, ৩ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড়ৰ লালুকাত নিশা প্ৰায় ১০:৩০ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যুক লৈ ভয়ংকৰ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। লালুকা গাঁৱৰে নাজিম আলী (৬০) নামৰ এজন লোকক এখন তীব্ৰ গতিত শেষাংশ ৮ পৃষ্ঠাত

# তেজপুৰত বিস্কুট ফেক্টৰীত অগ্নিকাণ্ড, সা-সম্পত্তি বিনষ্ট

**এগৰাকী নিজা বাতৰি দিওতা, তেজপুৰ, ৩ ফেব্ৰুৱাৰীঃ** সৰস্বতী পূজাৰ আনন্দ-উল্লাসৰ মাজতে আজি শোণিতপুৰ জিলাৰ সদৰ তেজপুৰত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। তেজপুৰৰ নিজনত বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হোৱাত হুৱা-দুৱা শেষাংশ ৮ পৃষ্ঠাত

# দিবৈ ৰাঙলীত অসম কুৰ্মী সমাজৰ অধিৱেশন সম্পন্ন

**ই-সংবাদ, মথুৰাপুৰ, ৩ ফেব্ৰুৱাৰীঃ** অসম কুৰ্মি সমাজৰ দ্বা-বিংশতম ত্ৰি-বাৰ্ষিক ৰাজ্যিক অধিৱেশন তথা অসম কুৰ্মি মহিলা পৰিষদ আৰু অসম কুৰ্মি যুৱ-ছাত্ৰ পৰিষদৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক ৰাজ্যিক অধিৱেশনখনি যোৱা নিশা সামৰণি পৰে। ৩ দিনীয়া শেষাংশ ৯ পৃষ্ঠাত

**ভূপেন কুমাৰ বৰাৰ উদ্যোগ**

# গীতা উপাধ্যায়, স্বৰূপ উপাধ্যায়ক বিশেষ সম্বৰ্ধনা

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** তেজপুৰ ভ্ৰমণৰত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি দুগৰাকী বিশিষ্ট লোকক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। নেপালী আৰু অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰা সাহিত্যিক গীতা উপাধ্যায় আৰু শেষাংশ ৮ পৃষ্ঠাত

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনৰ পূৰ্ণ প্ৰস্তুতি

**ই-সংবাদ, পশ্চিম যোৰহাট, ৩ ফেব্ৰুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন ৬-৯ ফেব্ৰুৱাৰীত যোৰহাটৰ ম'হবন্ধাৰ এৰালতলি পথাৰত অনুষ্ঠিত কৰিবলৈ যুদ্ধকালীন গতিৰে প্ৰস্তুতি চলাইছে আদৰণি সমিতিয়ে। অসম চৰকাৰৰ বিভিন্ন বিভাগৰ লোকসকলে দিনে-নিশাই কাম কৰি আছে। বিশেষকৈ, অধিবেশনস্থলীত খোৱাপানীৰ সু-ব্যৱস্থা কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লোকসকলে



কাম প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। অধিৱেশনস্থলীত পোহৰৰ সু-ব্যৱস্থা কৰাৰ লগতে খোৱাপানীৰ বাবে পাম্প আদি চলাবলৈ বিদ্যুতৰ ব্যৱস্থা কৰিছে অসম ৰাজ্যিক বিদ্যুৎ বিতৰণ কোম্পানীৰ যোৰহাট সংমণ্ডলৰ শেষাংশ ১০ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিশ্বৰ শক্তিশালী দহখন দেশৰ

শক্তিশালী দেশৰ তালিকাৰ পৰা বাদ পৰিল ভাৰত। শেহতীয়াকৈ 'ফ'ৰ্বছ' আলোচনীয়ে প্ৰকাশ কৰিছে ২০২৫ৰ বিশ্বৰ শক্তিশালী দেশৰ এখন তালিকা। এই তালিকাৰ শীৰ্ষত অধিষ্ঠিত হৈছে আমেৰিকা, দ্বিতীয় স্থানত আছে চীন। লক্ষ্যণীয়ভাৱে তালিকাৰ শীৰ্ষ দহখন দেশৰ পৰা ভাৰত বাদ পৰাৰ পিছতে এক নতুন বিতৰ্কৰ সূত্ৰপাত ঘটিছে। এই তালিকা প্ৰকাশ পোৱাৰ পিছত ভাৰতৰ অনুপস্থিতিক লৈ উত্থাপন হৈছে অলেখ প্ৰশ্নৰ। বৃহৎ জনসংখ্যা, বিশ্বৰ চতুৰ্থ বৃহত্তম সেনাবাহিনী, পঞ্চম বৃহত্তম অৰ্থনীতিৰ ভাৰতবৰ্ষক কিদৰে তালিকাৰ বাহিৰত ৰখা হ'ল সেই সম্পৰ্কে বিভিন্ন মহলত আলোচনা আৰম্ভ হৈছে। উল্লেখ্য যে, ফ'ৰ্বছে স্পষ্ট কৰি দিয়া মতে, এই তালিকা প্ৰথমে ইউএছ নিউজ এণ্ড ৱৰ্ল্ড ৰিপ'ৰ্টে প্ৰস্তুত কৰিছিল। শক্তিশালী দেশৰ বাছনি নেতৃত্ব, অৰ্থনৈতিক প্ৰভাৱ, ৰাজনৈতিক প্ৰভাৱ, সামৰিক শক্তি, আৰু আন্তঃৰাষ্ট্ৰীয় কূটনৈতিক সম্পৰ্ক- এই পাঁচটা মাপকাঠীৰ ওপৰত নিৰ্ধাৰণ কৰা হৈছিল। ফ'ৰ্বছে কয় যে এই তালিকাখন ডব্লিউপিপিৰ এটা ইউনিট বিএভি গ্ৰুপে যুগুত কৰিছে আৰু গৱেষণাটো কৰিছে পেনচিলভেনিয়া বিশ্ববিদ্যালয়ৰ ৱাৰ্টন স্কুলৰ অধ্যাপক ডেভিদ ৰেইবষ্টেইনে। এই তালিকাখন বিভিন্ন দেশৰ সামৰিক শক্তি, কূটনৈতিক অৱস্থান, অৰ্থনৈতিক শক্তিৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। প্ৰকাশিত তালিকা অনুসৰি বিশ্বৰ আটাইতকৈ শক্তিশালী দেশ হিচাপে আমেৰিকা শীৰ্ষত আছে। ইয়াৰ পিছতে আছে ক্ৰমে- চীন, ৰাছিয়া, যুক্তৰাজ্য, জাৰ্মানী, দক্ষিণ কোৰিয়া, ফ্ৰান্স, জাপান, চৌদি আৰব আৰু ইজৰাইল। আনহাতে, তালিকাৰ দ্বাদশ সংখ্যক স্থানত আছে ভাৰত। মন কৰিবলগীয়া যে, মুঠ জিডিপিৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰতে পঞ্চম স্থানত আছে যদিও এই তালিকাত স্থান লাভ কৰিবলৈ কেৱল অৰ্থনৈতিক শক্তি যথেষ্ট নহয়। সামৰিক শক্তি আৰু আন্তঃৰাষ্ট্ৰীয় কূটনীতিৰ ক্ষেত্ৰত ভাৰত আন দেশতকৈ পিছ পৰি থকা বুলিও প্ৰতিবেদনত উল্লেখ কৰা হৈছে। অৱশ্যে এই সন্দৰ্ভত এতিয়ালৈকে কোনো আনুষ্ঠানিক সঁহাৰি পোৱা নাই। শীৰ্ষ দহৰ মাজত ভাৰতৰ অনুপস্থিতি সন্দৰ্ভত ৰাজনৈতিক মহলত আলোচনা আৰম্ভ হৈছে, যাৰ ফলত মোদীৰ কাৰ্যকালত ভাৰতৰ বিশ্বব্যাপী স্থিতি সন্দৰ্ভত নতুন প্ৰশ্নৰ উত্থাপন হৈছে।

# চাপানালাৰ ঐতিহ্যমণ্ডিত চম্পাৱতী জলপ্ৰপাতত আজিৰে পৰা মহাকুণ্ডমেলা

**ই-সংবাদ, পুৰণিগুদাম, ৩ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত কাইলৈৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হ'ব মহাকুণ্ডমেলা। নগাঁও চহৰৰ পৰা ২৫ কিলোমিটাৰ নিলগত অৱস্থিত ঐতিহ্যমণ্ডিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত অনুষ্ঠিত হ'বলগা মহাকুণ্ডমেলাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। মহাকুণ্ডমেলা উদযাপন সমিতিৰ সভাপতি অৰবিন্দ চৌধুৰী আৰু সম্পাদক নৃপেন খাকলাৰীয়ে জানিবলৈ দিয়া মতে, দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা মহাকুণ্ডমেলাত ভক্তপ্ৰাণ ৰাইজ, পৰ্যটক বা বনভোজ দলসমূহে যাতে কোনোধৰণৰ অসুবিধা নাপায় তাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নগাঁও জিলাৰ পুৰণিগুদামৰ ৰাষ্ট্ৰীয় ঘাইপথ গড়মূৰ তিনিআলিৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ পূব দিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ অঞ্চল চাপানালা। নগাঁও-কাৰ্বিআংলং জিলাৰ সীমান্তৱৰ্তী চোৱাং বনাঞ্চলৰ লেমলেমী নামৰ পাহাৰখনৰ বুকুৰ পৰা শিলৰ ফাঁকেৰে নামি আহিছে উত্তৰ-পূব ভাৰতৰ অন্যতম সৰ্ববৃহৎ জলপ্ৰপাতত চম্পাৱতী জলপ্ৰপাতত। অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যত চহকী উত্তৰ-পূব ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ জলপ্ৰপাত চম্পাৱতীয়ে ইতিমধ্যে দেশ-বিদেশৰ প্ৰকৃতি প্ৰেমীসকলক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কথিত আছে যে, মাঘ মাহৰ শুক্লা সপ্তমী তিথিত চাপানালাৰ চম্পাৱতী জলপ্ৰপাতত স্নান কৰিলে পুণ্য অৰ্জন হয়। সেইবাবেই প্ৰতি বছৰে মাঘ মাহত সৰস্বতী পূজাৰ পিছদিনা চম্পাৱতী জলপ্ৰপাতত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভক্তৰ সমাবেশ ঘটে। মাঘী সপ্তমী তিথিত চম্পাৱতী কুণ্ডত স্নান কৰিলে ৰোগ-ব্যাধি দূৰ হোৱাৰ লগতে পুণ্য অৰ্জন হয় বুলি জনবিশ্বাসৰ বাবেই এই জলপ্ৰপাতত মাঘী সপ্তমী তিথিত অৰ্থাৎ সৰস্বতী পূজাৰ পাছদিনা জনসমুদ্ৰত পৰিণত হয়। মাঘী সপ্তমী তিথিত সকলোৱে মনৰ কামনা পূৰণৰ বাবে চম্পাৱতী জলপ্ৰপাতস্থলীত চাকি-বন্তি জ্বলায়। মহাকুণ্ডমেলালৈ ঘৰৰ পৰা আহিব নোৱাৰা লোকৰ বাবে বটল বা তেনেধৰণৰ পাত্ৰত জলপ্ৰপাতৰ পানী নি দিয়াটোও পুণ্য অৰ্জনৰ কাম বুলি জনবিশ্বাস চলি আহিছে। কিংবদন্তী অনুসৰি, মহাভাৰতত বৰ্ণিত হংসধ্বজ ৰজাৰ কন্যা চম্পাৱতীয়ে প্ৰতিবছৰে মাঘ মাহৰ শুক্লা সপ্তমী তিথিত শিৱ আৰাধনা হেতু উক্ত জলপ্ৰপাতত স্নান কৰি শিৱৰ বৰ লাভ কৰি পুণ্য অৰ্জন কৰিছিল। সেইবাবেই এই জলপ্ৰপাতৰ নাম চম্পাৱতী হয় বুলি কথিত আছে। মেঘালয়ৰ বিদন-বিছপ জলপ্ৰপাতকৈও বৃহৎ এই চম্পাৱতী জলপ্ৰপাত লৈ পৰ্যটকৰ আকৰ্ষণৰ বহুগুণে বৃদ্ধি পাইছে। চাপানালা চম্পাৱতী কুণ্ড নামেৰে জনাজাত এই জলপ্ৰপাতটো তিনিটা ভাগত বিভক্ত। তল কুণ্ড, মাজ কুণ্ড আৰু ওপৰ কুণ্ড নামেৰে তিনিটা ভাগত বিভক্ত। এই জলপ্ৰপাতটোলৈ উঠা-নমা কৰা চিৰি নথকাৰ বাবে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰাৰ পৰা বঞ্চিত হয় জলপ্ৰপাতলৈ অহা অগণণ লোক। এনেক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে জলপ্ৰপাতটোলৈ উঠা-নমা কৰাৰ বাবে চিৰিৰ ব্যৱস্থা কৰিলে পৰ্যটক আৰু বনভোজ দলসমূহে প্ৰকৃত সৌন্দৰ্য উপভোগ কৰিব পাৰিব। বৰ্তমান চৰকাৰে চাপানালাৰ চম্পাৱতী জলপ্ৰপাতস্থলী পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও উপযুক্ত পৰ্যটনস্থলী হ'বলৈ বহু কৰণীয় আছে বুলি স্থানীয় ৰাইজৰ লগতে প্ৰকৃতিপ্ৰেমী সকলে মত প্ৰকাশ কৰিছে।

# সৰস্বতী পূজাৰ সৈতে সংগতি ৰাখি বৰমাত 'সৌৰভ' উন্মোচন

**ই-সংবাদ, বৰমা, ৩ ফেব্ৰুৱাৰীঃ** নলবাৰী জিলাৰ বৰমা নিকটৱৰ্তী শ্বহীদ লোহিত পাঠক চানিৰাম ৰাভা হাইস্কুলত সৰস্বতী পূজাৰ লগত সংগতি ৰাখি ত্ৰৈমাসিক 'সৌৰভ' আলোচনীৰ দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যা উন্মোচন কৰা হয়। আলোচনীখনৰ মুখ্য সম্পাদক ঘনস্যাম স্বৰ্গীয়াৰীয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট শিক্ষক দিপুল চন্দ্ৰ বৈশ্যই 'সৌৰভ' আলোচনীখন উন্মোচন কৰে। উন্মোচন কৰি দিয়া ভাষণত কয় যে এখন আলোচনীয়ে সেইখন ঠাইৰ ৰাজনৈতিক সামজিক সমস্যাসমূহ প্ৰতিফলিত কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলে সৰুৰে পৰাই প্ৰবন্ধ, কবিতা আদি লিখাৰ অভ্যাস কৰাৰ চেষ্টা কৰিব লাগে বুলিও ভাষণত কয়। উন্মোচনী সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেশ শীলে উপস্থিত থাকি কয় যে এনে ধৰণৰ প্ৰচেষ্টা ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানবৰ্ধনত সহায়ক হয়। বৰ্তমান টেকন'লজিৰ যুগত ছাত্ৰ-ছাত্ৰীসকলৰ কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ কমি অহা পৰিলক্ষিত হৈছে। এনে সময়তে আমাৰ বিদ্যালয়ৰ এনে প্ৰচেষ্টাই অনাগত দিনত ভাল বাৰ্তা কঢ়িয়াই আনিব বুলিও কয় প্ৰধান শিক্ষকগৰাকীয়ে। উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে আলোচনী সম্পাদনা উপদেষ্টা নয়নজিৎ বড়ো, প্ৰচাৰ সম্পাদক ৰমেন কলিতা, আৰ্হি পাঠক বশিষ্ঠ ৰাভা। আনহাতে, এই বিশেষ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে বিদ্যালয়ৰ শিক্ষক জগদীশ বৰ্মন, মদন চন্দ্ৰ ডেকা, গণেশ কলিতা, নিয়মীয়া লেখক চন্দন চক্ৰৱৰ্তী, উদীয়মান কবি বিনিষা বৰ্মনৰ লগতে এই বৰ্ষৰ বেটুপাতৰ মডেল দিপিকা দাস।

■ ৬নং পৃষ্ঠাৰ পৰা...

# আলফাক কাৰণ দৰ্শোৱাৰ জাননী

পঞ্জীয়কক ৩০ দিনৰ ভিতৰত উত্তৰ বা আপত্তি লিখিত ৰূপত জমা দিব লাগিব। পৰেশ বৰুৱা নেতৃত্বাধীন আলফা স্বাধীনক উত্তৰ প্ৰদানৰ বাবে ৩০ দিনৰ সময় সীমা দিয়া হৈছে। ৪ মাৰ্চৰ ৩ বজাৰ ভিতৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ট্ৰিবিউনেলত সংগঠনটোৰ কোনো প্ৰতিনিধি সোঁশৰীৰে নাইবা কোনো অধিবক্তাক প্ৰেৰণ কৰি উত্তৰ দিব পাৰিব। জাননীত স্পষ্ট কৰা হৈছে যে ৪ মাৰ্চৰ ৩ বজাৰ ভিতৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ট্ৰিবিউনেললৈ আলফাই বৈধ কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিনিধি বা অধিবক্তা বা আইন উপদেষ্টা প্ৰেৰণ কৰিব লাগিব। প্ৰতিনিধি উপস্থিত থাকিবলৈ ২নং আদালত ট্ৰিবিউনেল নিৰ্ধাৰণ কৰা হৈছে। জাননীত উল্লেখ্য যে, এই শুনানিত আলফাৰ সকলো গোট, উপ-শাখা আৰু উপ-সংগঠনো অন্তৰ্ভুক্ত কৰা হৈছে। অনাগত ৫ বছৰলৈ বিদ্ৰোহী সংগঠন আলফাক নিষিদ্ধ ঘোষণা কৰাৰ কথা চিন্তা কৰিছে কেন্দ্ৰই। যদি আলফা স্বাধীনে যোগ্য উত্তৰ দিব নোৱাৰে তেন্তে ২০২৪ চনৰ ২৭ নৱেম্বৰৰ পৰা ৫ বছৰৰ বাবে নিষেধাজ্ঞা কাৰ্যকৰী হ'ব।

■ ৬নং পৃষ্ঠাৰ পৰা...

# জঘন্য, গুৱাহাটীত ৭ হাজাৰ টকাত

আলম, ছফিকুল হক, মোল্লা জাহাংগীৰ, বৰপেটাৰ ছাদ্দাম হুছেইন, ছফিকুল ইছলাম, চুৰত জামালক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোধ-পোছ অব্যাহত ৰাখিছে। জানিব পৰা মতে, এগৰাকী বাংলাদেশী যুৱতীৰ নামত হোটেল আদিত্য পেলেচত কোঠা ভাড়া কৰিছিল হাতীগাঁৱৰ জাকিৰ নামৰ যুৱকে। জাকিৰে যুৱতীৰ নামত ভুৱা আধাৰ কাৰ্ড তৈয়াৰ কৰি ১০১ আৰু ১০২ নং কোঠা দুটা হোটেলৰ কোঠা বুকি কৰিছিল বুলিও জানিব পৰা গৈছে। জাকিৰে বিদেশী যুৱতীৰ ৭ হাজাৰ টকাৰ বিনিময়ত গ্ৰেপ্তাৰ হোৱা ৬ যুৱকৰ হাতত তুলি দিছিল। ৬ যুৱকে লগলাগি হোটেলৰ কোঠাতে যুৱতীৰ সৈতে অপকৰ্ম সংঘটিত কৰাৰ প্ৰয়াস কৰে। দলবদ্ধভাৱে শাৰীৰিক শোষণৰ প্ৰয়াস কৰাৰ লগতে সেই দৃশ্যসমূহ মোবাইলত ৰেকৰ্ড কৰে। বিদেশী যুৱতীগৰাকীক হোটেলৰ কোঠাত অনৈতিক কাৰ্যত লিপ্ত হোৱাৰ দৃশ্যসমূহ ৰেকৰ্ড কৰিছিল। যুৱতীয়ে মোবাইলৰ সন্মুখত সকলো কৰি যাবলৈ বাধ্য হৈছিল। কিন্তু যুৱতীয়ে কেনেবাকৈ চক্ৰবেহুৰ পৰা মুক্ত হৈ হোটেলৰ পৰা ওলাই আহি গুৱাহাটী আৰক্ষীৰ কাষ চাপে। বিদেশী যুৱতীগৰাকীয়ে আৰক্ষীৰ সন্মুখত সকলো কথা বৰ্ণনা কৰে। লগে লগে আৰক্ষীয়ে অভিযান আৰম্ভ হয়। অভিযানত জাহাংগীৰ, ছফিকুল, জাহাংগীৰ, ছাদ্দাম, ছফিকুল আৰু চুৰত জালত পৰে। অসম আৰক্ষীৰ অপৰাধ শাখাই অভিযান চলাই ছয়জন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে আটাইকেইজনৰ পৰা মোবাইল ফোন জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত মোবাইলত অপত্তিজনক দৃশ্যসমূহ মজুত থকা বুলি জানিব পৰা গৈছে। খবৰ মতে, হাতীগাঁৱৰ জাকিৰে ৭ হাজাৰ টকাৰ বিনিময়ত বাংলাদেশৰ ২২ বছৰীয়া যুৱতীগৰাকীক বকোৰ ছফিকুল হকৰ হাতত তুলি দিছিল। সিমানে নহয় ভুৱা আধাৰ কাৰ্ড তৈয়াৰ কৰি হোটেলৰ কোঠা বুক কৰিছিল। বিদেশী যুৱতী যোগান ধৰা জাকিৰ বৰ্তমান পলাতক যদিও জাকিৰক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষীয়ে জাল পেলাইছে। বিদেশী যুৱতীগৰাকী কেনেকৈ গুৱাহাটীলৈ আহিল সেই কথা পোহৰলৈ আনিবলৈ তদন্ত আৰম্ভ কৰিছে গুৱাহাটী আৰক্ষীয়ে। লগতে এনেদৰে বিদেশী যুৱতী যোগান ধৰি চক্ৰটোৱে বেহা চলাই গৈছে নেকি তাক লৈও আৰক্ষীয়ে তদন্ত কৰিব বুলি জানিব পৰা গৈছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ডিব্ৰুগড়ত নিশা বাইকৰ খুন্দাত এজন

যোৱা এ এচ ০৬ ৱাই ৪১৫০ নম্বৰৰ এখন বাইকে মহতীয়াই নিয়াত লোকজনৰ থিতাতে মৃত্যু হয়।ঘটনাক কেন্দ্ৰ কৰি স্থানীয় লোকে পথ অবৰোধ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। জানিব পৰা অনুসৰি বাইকখনত চালক বিবেকানন্দ গোহাঁইসহ আৰু দুজন আৰোহী আছিল।স্থানীয় ৰাইজে কৰা অভিযোগ অনুসৰি বাইকত অহা যুৱক কেইজন সুৰামত্ত হোৱাৰ লগতে বিয়েৰৰ বটল কঢ়িয়াই আনিছিল।বাইকৰ চালকৰ আসনত থকা বিবেকানন্দ নামৰ যুৱকজনক ৰাইজে কৰায়ত্ত কৰে যদিও আন দুজন পলাই যাবলৈ সক্ষম হয়।উত্তেজিত ৰাইজে বাইকৰ চালকক মাৰপিট কৰাৰ লগতে বাইকখন জ্বলাবলৈ উদ্যত হয় যদিও আৰক্ষীয়ে বাধা প্ৰদান কৰে। ডিব্ৰুগড় সদৰ থানাৰ আৰক্ষীৰ ওপৰিও অতিৰিক্ত আৰক্ষী অধীক্ষক ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত সংঘটিত এই ঘটনাৰ পাছতে নিশাৰ ভাগত কেইবাঘন্টা ধৰি যান বাহন চলাচল ব্যাহত হৈ পৰে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# গীতা উপাধ্যায়, স্বৰূপ উপাধ্যায়ক

প্ৰাক্তন সাংসদ স্বৰূপ উপাধ্যায়ক শৰাই, গামোচা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। নিজ আৱাসলৈ গৈ তেজপুৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ স্বৰূপ উপাধ্যায় আৰু গাতী উপাধ্যায়ক সম্বৰ্ধনা জনাই ভুপেন কুমাৰ বৰাই। শোণিতপুৰ জিলা কংগ্ৰেছৰ কেইবাগৰাকী নেতাৰ উপস্থিতিত সাহিত্যিক পদ্মশ্ৰী গীতা উপাধ্যায় আৰু তেজপুৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ স্বৰূপ উপাধ্যায়ক সম্বৰ্ধনা কৰি দুয়োগৰাকী জ্যেষ্ঠ নাগৰিকৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। স্বৰূপ উপাধ্যায় ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ তেজপুৰৰ সাংসদ আছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য হিচাপে লোকসভালৈ নিৰ্বাচিত হৈছিল। গীতা উপাধ্যায় জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ 'কাৰেঙৰ লিগিৰী' নাট নেপালী ভাষালৈ অনুবাদ কৰি ২০১২ চনৰ সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লাভ কৰিছিল। নেপালী ভাষাৰ উপন্যাস 'জনমভূমি মেৰৌ স্বদেশ'ৰ বাবে ২০১৬ চনৰ নেপালী ভাষাৰ সাহিত্য অকাডেমি বঁটা লাভ কৰে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# তেজপুৰত বিস্কুট ফেক্টৰীত অগ্নিকাণ্ড

লাগে। হঠাতে বিস্কুট ফেক্টৰীত চৌদিশে জুইয়ে ঘেৰি ধৰাত একাংশ লোকে জুই নুমুৱাবলৈ প্ৰয়াস কৰাৰ লগতে ততালিকে খবৰ দিয়া হয় অগ্নিনিৰ্বাপক বাহিনীক। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। বিস্কুট ফেক্টৰীত বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হৈ কেবা লক্ষাধিক টকাৰ ক্ষয়-ক্ষতি হয়। অভেনৰ পৰা অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# নীলমণি সেন ডেকালৈ অম্বিকাগিৰি ৰায়চৌধুৰী বঁটা

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** অসম সাহিত্য সভাৰ চলিত পাঠশালা অধিৱেশনৰ থলীৰ পৰা বিভিন্ন শিতানৰ বঁটাসমূহ ঘোষণা কৰিছে। আজি এক বিবৃতি যোগে বঁটাসমূহ ঘোষণা কৰিছে সাহিত্য সভাই। অসম সাহিত্য সভাই অম্বিকাগিৰি ৰায়চৌধুৰী বঁটা নীলমণি সেন ডেকাক প্ৰদানৰ ঘোষণা কৰিছে। নলিনীবালা হাজৰিকাক বাসন্তী বদৰলৈ বঁটা, পাচুগোপাল চক্ৰৱৰ্তীক হেম বৰুৱা সোঁৱৰণী বঁটা, জয়কান্ত শৰ্মাক শৰৎ চন্দ্ৰ বৰুৱা স্মাৰক বঁটা, প্ৰমোদ কলিতাক কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা, সুমিত্ৰা হাজৰিকাক হেমচন্দ্ৰ বৰুৱা সোঁৱৰণী বঁটা, অদিতি খাউণ্ডক প্ৰেমধৰ দত্ত সোঁৱৰণী বঁটা, অপৰাজিতা পূজাৰীক গিৰিধৰ শৰ্মা বঁটা, চন্দনা পাঠকক নকুল চন্দ্ৰ সভাপণ্ডিত সোঁৱৰণী বঁটা প্ৰদানৰ ঘোষণা কৰা হৈছে। আনহাতে, 'চিৰদিন অসমীয়া' শীৰ্ষক গ্ৰন্থৰ বাবে ময়ূৰ বৰাক, 'অ' মোৰ সুৱদি মাত' শীৰ্ষক গ্ৰন্থৰ বাবে ভৱানী প্ৰসাদ অধিকাৰীক, 'অসমৰ ঐতিহ্য' শীৰ্ষক গ্ৰন্থৰ বাবে শান্তনু কৌশিক বৰুৱাক, 'অসমৰ যাত্ৰা অভিনয়ৰ ইতিহাস' শীৰ্ষক গ্ৰন্থৰ বাবে ধীৰেন শৰ্মাক, 'ভাষাৰ মৰণ যাত্ৰা' শীৰ্ষক গ্ৰন্থৰ বাবে সীমা বৰাক, 'সোমদিৰি নৈৰ জীৱন ঘাট' শীৰ্ষক গ্ৰন্থৰ বাবে সোণমণি দাসক, 'ছহিদ কণকলতা বৰুৱা আৰু অন্যান্য' শীৰ্ষক গ্ৰন্থৰ বাবে বৰ্ণালী শইকীয়াক সাহিত্য সভাৰ সভাপতিৰ বিশেষ বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে।

# বেতবাৰীত টাই আহোম ছাত্ৰ সন্থাৰ মে-ডাম-মে-ফি পালন

**ই-সংবাদ, শিৱসাগৰ, ৩ ফেব্ৰুৱাৰীঃ** পবিত্ৰ মে'-ডাম-মে-ফি যোৱা ৩১ জানুৱাৰীত অন্যান্য প্ৰান্তৰ লগতে শিৱসাগৰ বেতবাৰী মৌজাতো উদযাপন কৰা হয়। সদৌ টাই আহোম ছাত্ৰ সন্থাৰ পূব বেতবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত ঐতিহাসিক কেন্দুগুৰিৰ বৰপাত্ৰগোঁহাই ডাঙৰীয়াসকলৰ মৈদাম প্ৰাংগণত উদযাপন কৰা হয় মে-ডাম-মে-ফি। এই উপলক্ষ্যে পুলিন পুথাও তথা উপৰিপুৰুষক শ্ৰদ্ধাৰে স্মৰণ কৰি বন্তি প্ৰজ্বলন কৰা হয়। বিশেষকৈ সন্ধিয়া এশ এগছি বন্তি প্ৰজ্বলন কৰা হয়। অনাগত দিনবোৰ যাতে কুশল-মংগলে, শান্তি-সম্প্ৰীতিৰে পাৰ হয় তাৰ বাবে পূৰ্বপুৰুষসকলক স্মৰণ কৰি আশীষ বিচাৰে আটাছুৰ পূব বেতবাৰী আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলৰ লগতে কেন্দ্ৰীয় নেতৃত্বই। আঞ্চলিক সমিতিখনৰ উদ্যেগত ৰূপায়ণ কৰা কাৰ্যসূচীত আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈ উপস্থিত থাকি আহোম স্বৰ্গদেউসকলে যি সম্প্ৰীতি, ভাতৃত্ববোধৰ নিৰ্দশন দেখুৱাই গ'ল সেই আদৰ্শক সাৰোগত কৰিয়েই আমি আগবাঢ়ি যাব লাগিব বুলি মন্তব্য কৰে। লগতে আহোম ৰাজত্ব কালতে কৃষি কৰ্ম সংস্কৃতিৰ যি নতুন বাট মোকলাই থৈ গ'ল সেয়া সদায়ে সকলো জাতি-জনগোষ্ঠীৰ লোকে স্বীকাৰ কৰিবই লাগিব বুলি দোহাৰে। তদুপৰি আহোম স্বৰ্গদেউসকলে, বীৰ সেনাপতি, সৈনিকসকলে স্বদেশ প্ৰেমৰ যি চানেকি দেখুৱাই গৈছে সেয়া চিৰ স্মৰণীয় হৈ ৰ'ব বুলি উল্লেখ কৰে। ইপিনে বেতবাৰী মৌজাৰ ভিন্ন স্থানত সিঁচৰতি হৈ থকা ঐতিহাসিক সম্পদসমূহৰ সংৰক্ষণ, বিশেষকৈ বৰপাত্ৰ গোঁহাই ডাঙৰীয়াসকলৰ মৈদাম সংৰক্ষণত চৰকাৰে যাতে গুৰুত্ব দিয়ে তাৰ বাবে দৃষ্টিগোচৰ কৰোৱাৰ আশ্বাস দিয়ে বসন্ত গগৈয়ে। মাংগলিক কাৰ্যসূচীৰ উপৰিও উক্ত দিনাই প্ৰীতি ভোজৰো ব্যৱস্থা কৰে আটাছুৰ পূব বেতবাৰী আঞ্চলিক ছাত্ৰ সন্থাই।

■ ৬নং পৃষ্ঠাৰ পৰা...

# দিবৈ ৰাঙলীত অসম কুৰ্মী সমাজৰ

বৰ্ণাঢ্য কাৰ্যসূচীৰে চৰাইদেউ জিলাৰ দিবৈ ৰাঙলী অঞ্চলৰ ৰাঙলী গাঁৱৰ মুকলি পথাৰত অনুষ্ঠিত হৈ যোৱা অধিৱেশনখত কবি, লেখক নবীন চন্দ্ৰ কুৰ্মিৰ 'কাঁচিয়লি কাব্যৰ কুঁহিপাত', পাৰ্বতী কুৰ্মিৰ 'হৃদয়ত সাত সমুদ্ৰৰ ঢৌ', দণ্ডেশ্বৰ কুৰ্মিৰ 'চাহজনগোষ্ঠীৰ বাৰেৰহণীয়া গীত মালা', নন্দ কুৰ্মিৰ 'জাহলি' গীতৰ সংকলন' আৰু পাৰ্বতী কুৰ্মিৰ সম্পাদনাৰে 'লুড়লুড়ি' মুখপত্ৰ উন্মোচন কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত অৱদান আগবঢ়ায়। উক্ত অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা গছপুলি ৰোপণ কৰে শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী মুকেশ কুৰ্মি আৰু মহাদেৱ কুৰ্মিয়ে। অসম কুৰ্মি সমাজৰ সভাপতি চহনলাল কুৰ্মি, উদযাপন সমিতিৰ সভাপতি জয়ন্ত কুৰ্মি আৰু অসম কুৰ্মি মহিলা পৰিষদ, যুৱ ছাত্ৰ পৰিষদৰ সভাপতিসকলে পতাকা উত্তোলন কৰাৰ পাছতেই কুৰ্মি সমাজৰ সাধাৰণ সম্পাদক সোমেশ মাহাতো, উদযাপন সমিতিৰ সাধাৰণ সম্পাদক জয়ৰাম কুৰ্মি আৰু কুৰ্মি সমাজৰ জিলা কৰ্মকৰ্তাসকলে স্মৃতি তৰ্পণ কৰে। পুৱা ১০.৩০ বজাত প্ৰতিনিধি পঞ্জীয়ন কৰাৰ লগতে মুল মঞ্চ উন্মোচন কৰে শিক্ষাবিদ ড০ অনিল তাঁতিয়ে। দুপৰীয়া স্মৃতি গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী সুৰুজ দিহিঙীয়াই আৰু শিবিৰ মুকলি কৰে অসম কুৰ্মি সমাজৰ উপদেষ্টা কমলেশ্বৰ কুৰ্মীয়ে। আবেলি অসম কুৰ্মি সমাজৰ সহকাৰী সম্পাদক প্ৰবীণ কুৰ্মি আৰু দিবৈ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, শিক্ষাবিদ এণ্টনি কান্দুলনাই প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰাৰ পাছতেই অনুষ্ঠিত হোৱা কবিতা আবৃত্তি, কুইজ, চিত্ৰাংকন আদিৰ প্ৰতিযোগিতাসমূহ উদ্বোধন কৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপ-অধীক্ষক ডাঃ ঘনকান্ত কুৰ্মিয়ে। সন্ধিয়া অসম কুৰ্মি মহিলা পৰিষদৰ সভানেত্ৰী বীনা কুৰ্মি আৰু স্থানীয় আই মাতৃ সকলে ৭৭ গছি বন্তি প্ৰজ্বলন কৰাৰ পাছতেই অনুষ্ঠিত হোৱা প্ৰতিনিধি আৰু বিষয়-বাছনিসভাত পৰ্যবেক্ষক হিচাপে অসম কুৰ্মি সমাজৰ উপদেষ্টা ক্ৰমে- লক্ষীৰাম কুৰ্মি, জীৱন কুৰ্মি, মনোমতী কুৰ্মি উপস্থিত থকাৰ লগতে উদ্বোধন কৰে অসম কুৰ্মি সমাজৰ উপদেষ্টা জানুৰাম কুৰ্মিয়ে। সন্ধিয়া ৭.০০ বজাত বিশিষ্ট সাহিত্যক নকুল কুৰ্মি,অধ্যাপক সুশীল কুমাৰ চুঁড়ী, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ উপ-সভাপতি দিগন্ত চাহু, সাংবাদিক হেমন্ত কুমাৰ মাহাতো আদিৰ অংশগ্ৰহণত অনুষ্ঠিত হোৱা 'অসমৰ জাতীয় জীৱনত কুৰ্মি সমাজৰ অৱদান' শীৰ্ষক আলোচনা চক্ৰটি সঞ্চালনা কৰে অধ্যাপক তথা শিক্ষাবিদ আত্মাৰাম কুমাৰে। নিশা 'সিন্ধুমনিৰ পিতৃভক্তি দশৰথৰ স্বৰ্গ উদ্ধাৰ' শীৰ্ষক ভাওনা আৰু স্থানীয় শিল্পীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰে। দ্বিতীয় দিনা পুৱা যোগ শিবিৰ মেঘনাথ কুৰ্মিয়ে পৰিচালনা কৰাৰ লগতে ঢোল বাদন প্ৰদৰ্শনী অনুষ্ঠানটো অনাতাঁৰ শিল্পী বাবা কুৰ্মিয়ে পৰিচালনা কৰাৰ পাছতেই সম্বৰ্ধনা অনুষ্ঠান, একক গীত(শোদী, জাহলি, টুচু ) আদি অনুষ্ঠিত কৰা হয়। আবেলি জ্যেষ্ঠ বিজ্ঞানী তথা পৰিৱেশ কৰ্মী ড০ ৰঞ্জিতা বনিয়া, অসম লোকসেৱা আয়োগৰ নৱনিৰ্বাচিত বিষয়া কিৰণ কুৰ্মি, মডেলিং ডলী কুৰ্মি আদিৰ অংশগ্ৰহণত অনুষ্ঠিত হোৱা 'চাহ জনগোষ্ঠীৰ উজ্জ্বল জ্যোতিষ্কৰ সৈতে মত বিনিময়' অনুষ্ঠানটো সঞ্চালনা কৰে নিয়মীয়া বাৰ্তা বাতৰি কাকতৰ উপ-সম্পাদক তথা বিশিষ্ট লেখক দীপক কুৰ্মিয়ে। সন্ধিয়া গ্ৰন্থ উন্মোচন আৰু ঝুমুইৰ গুৰু ভদ্ৰ ৰাজোৱাৰে উদ্বোধন কৰা দলীয় ঝুমুইৰ প্ৰতিযোগিতাৰে দ্বিতীয় দিনা কাৰ্যসূচী অন্ত পৰে আৰু তৃতীয় দিনা পুৱা স্থানীয় সমাজকৰ্মী পঞ্চানন কুৰ্মিৰ নেতৃত্বত সামূহিক চাফাই অভিযানৰ পাছত বাৰেৰহণীয়া সংস্কৃতি প্ৰদৰ্শন, গ্ৰন্থ উন্মোচন কৰা হয়। সন্ধিয়া ৬.৩০ বজাত নতুন সমিতিৰ চিনাকি পৰ্ব, ৭.০০ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয়। অসম কুৰ্মি সমাজৰ সভাপতি চহনলাল কুৰ্মিয়ে পৌৰোহিত্য কৰা সভাত উদযাপন সমিতিৰ সভাপতি জয়ন্ত কুৰ্মিয়ে আদৰণি ভাষণ আগবঢ়োৱাৰ লগতে অসম কুৰ্মি সমাজৰ সাধাৰণ সম্পাদক সোমেশ মাহাতোয়ে উদ্বোধনী ভাষণ অগবঢ়ায়। অসম কুৰ্মি সমাজৰ উপদেষ্টা জানুৰাম কুৰ্মি মুখ্য অতিথি হিচাপে উপস্থিত থকা সভাত অসম কুৰ্মি সমাজৰ উপদেষ্টা গংগা প্ৰসাদ কুৰ্মি নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকাৰ উপৰি অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি ধীৰাজ গোৱলা, মন্ত্ৰী যোগেন মহন, প্ৰাক্তন মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, জাতীয় সন্মিলনী অসমৰ সভাপতি পৃথিৱী মাঝি, ডাঃ ঘনকান্ত কুৰ্মি, অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ সহকাৰী সম্পাদক সঞ্জীৱ কালন্দী আদিৰ লগতে ৰাজ্যখনৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। নিশা আমন্ত্ৰীত শিল্পী ক্ৰমে- ৰশ্মিতা কুৰ্মি, সুবিল বাৰ্গ, বাবা কুৰ্মি, বিপ্লৱিকা কুৰ্মি, গৌৰীশংকৰ মহন বৰুৱা, প্ৰশান্ত কুৰ্মি, আনন্দ কুৰ্মি, নুমলি কুৰ্মি, ত্ৰিনয়ন কৰ্মকাৰ, বাসুদেৱ কৰ্মকাৰ, সুমিত কুৰ্মি, টুপীধৰ কুৰ্মি আদিৰ সাংস্কৃতিক অনুষ্ঠানেৰে তিনিও দিনৰ কাৰ্যসূচী সফল সামৰণি পৰে।

৬নং পৃষ্ঠাৰ পৰা...

# জুবিনৰ জীৱনক লৈ ১৪০০ শাৰীৰ

পৰিক্ৰমাৰ আধাৰত আন এটি দীঘলীয়া কবিতা। 'সাংস্কৃতিক ধৰাৰ বিস্ময়ী খনিকৰ জুবিন' শীৰ্ষক চৈধ্য শতাধিক শাৰীৰ কবিতাটি এক বৃহৎ পৰিকল্পনাৰে কাব্যগ্ৰন্থৰ ৰূপত প্ৰকাশ কৰাৰ প্ৰস্তুতি চলাইছে গুৱাহাটীৰ পৰা প্ৰকাশিত 'নিয়মীয়া বাৰ্তা' কাকতৰ ধুপধৰাৰ সাংবাদিক পঙ্কজ মাহাতোৱে। পূৰ্বতে দেশৰ স্বাধীনতা সংগ্ৰামী দেশপ্ৰেমৰ আধাৰত 'বীৰ-বীৰাঙ্গনা শীৰ্ষক ২,৬৬২ শাৰীৰ আৰু দেশৰ সেনা জোৱান সকলৰ সংকটপূৰ্ণ পৰিস্থিতিৰ আলম লৈ এঘাৰ শ শাৰীৰ 'সংকটৰ আচ্ছাদনত অপৰাজেয় যোদ্ধা' শীৰ্ষক দীঘলীয়া কবিতা কাব্যগ্ৰন্থ প্ৰকাশ কৰি সমাদৰ লাভ কৰা সাংবাদিক পঙ্কজ মাহাতোৱে এইবাৰ দীঘলীয়া কবিতাৰ বিষয় হিচাপে বাচনি কৰে কণ্ঠশিল্পী জুবিন গাৰ্গৰ জীৱন যাত্ৰাক। মেঘালয়ত জন্মগ্ৰহণ কৰাৰ পৰা 'অনামিকা' শ্ৰব্য কেছেট, অসমীয়া বোলছবি 'মিচন চাইনা' নিৰ্মাণলৈকে সুদীৰ্ঘ জীৱনযাত্ৰাক আলম হিচাপে লৈ কেইবাটাও লক্ষ্য আগত ৰাখি সাংবাদিকগৰাকীয়ে লিখি উলিয়াইছে এই কবিতাটি। এই বিষয়ে জানিবলৈ দি সাংবাদিকপঙ্কজ মাহাতোয়ে কয় যে, 'স'ততে অসমৰ সাংস্কৃতিক জগতৰ বটবৃক্ষ লেখীয়া জুবিন গাৰ্গক লৈ বিতৰ্ক চলি থাকিলেও এগৰাকী অসাধাৰণ প্ৰতিভাৰ গৰাকী হোৱাৰ পিছতো একাংশ সাধাৰণ মানুহৰ বাবে ত্ৰাণকৰ্তাৰূপে জুবিন গাৰ্গ সদায় সহায়ৰ হাত আগবঢ়াই আহিছে। জুবিন গাৰ্গৰ দৰে অসীম নাম-যশ, খ্যাতি থকাৰ পিছত সাধাৰণতে এইধৰণৰ লোকহিতৈষী চিন্তা ভাবনা সকলোৰে নাথাকে। কিন্তু জুবিন গাৰ্গ এইক্ষেত্ৰত সম্পূৰ্ণ পৃথক। সেয়ে জুবিন গাৰ্গৰ এইধৰণৰ মানৱদৰদী, লোকসেৱা চিন্তা চেতনাৰ প্ৰতি আকৃষ্ট হৈ মই জুবিন গাৰ্গৰ জীৱন যাত্ৰাক আলম হিচাপে লৈ এই দীঘলীয়া কবিতা ৰচনা কৰিছো'। তেওঁৰ এই চিন্তাক প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে শীঘ্ৰে কবিতাটি কাব্যগ্ৰন্থৰ ৰূপত প্ৰকাশ কৰি জুবিন গাৰ্গৰ হতুৱাই উন্মোচনৰ পৰিকল্পনা কৰা বুলি পংকজ মাহাতোৱে জানিবলৈ দিয়ে। ইফালে পূৰ্বতে দীঘলীয়া কবিতাৰ কাব্যগ্ৰন্থ প্ৰকাশ কৰি বিক্ৰী কৰি পোৱা টকা মুখ্যমন্ত্ৰী সাহায্য পুঁজিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক চেকযোগে প্ৰদান কৰা সাংবাদিকগৰাকীয়ে জুবিন গাৰ্গৰ কাব্যগ্ৰন্থখনো বিক্ৰী কৰি পোৱা অৰ্থৰে এটি ফাণ্ড গঠন কৰি ভৱিষ্যতে এই ফাণ্ডৰ পৰা আৰ্তজনক আৰ্থিকভাৱে সহায় কৰাৰো পৰিকল্পনা কৰা বুলি তেওঁ জানিবলৈ দিয়ে। আনহাতে অনলাইনৰ জৰিয়তে গ্ৰন্থখন বিক্ৰীৰ ব্যৱস্থাৰে অভিলেখ সৃষ্টি কৰি কাব্যগ্ৰন্থখন গিনীজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছত অন্তৰ্ভুক্ত কৰাৰ চিন্তা কাব্যগ্ৰন্থ প্ৰকাশৰ আন এটা উদ্দেশ্য বুলিও সাংবাদিক পঙ্কজে জানিবলৈ দিয়ে। সেয়ে কাব্যগ্ৰন্থখন উন্মোচন হোৱাৰ পিচত জুবিন গাৰ্গৰ অনুৰাগীসকলৰ লগতে গ্ৰন্থপ্ৰেমী ৰাইজে কাব্যগ্ৰন্থখন ক্ৰয় কৰি সাংবাদিক পঙ্কজ মাহাতোৰ উদ্দেশ্য বাস্তৱিক ৰূপ দিয়াত সহায় সহযোগিতা কৰিবলৈ আহ্বান জনাইছে।

৬নং পৃষ্ঠাৰ পৰা...

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক

লোকসকলে। ইতিমধ্যে, ১২ বিঘা মাটিৰ অধিৱেশনস্থলী অজস্ৰ ফ্লাড লাইটেৰে পোহৰাই তোলা হৈছে। লোকনিৰ্মাণ বিভাগৰ লোকসকলেও অধিৱেশনস্থলীলৈ যাতায়াত কৰিবলগীয়া সকলোবোৰ পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছে। যোৰহাটৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লোকসকলে জনোৱা মতে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনলৈ অহা লোকসকলক অধিৱেশনৰ কেইদিনত ভালদৰে ৰখাৰ ব্যৱস্থাৰ বাবে প্ৰয়োজন হোৱা খোৱাপানীৰ সু-ব্যৱস্থা কৰা হৈছে। অধিৱেশনস্থলীত প্ৰায় ৭০ টা টিউবৱেল, পাঁচটা দীপ টিউবৱেল (ছামাৰছেব'ল) বহুৱাইছে। খোৱা-বোৱাৰ লগতে শৌচাগাৰ-স্নানাগাৰত প্ৰয়োজন হ'বলগীয়া পানী মজুত ৰাখিবলৈ অধিৱেশনস্থলীত পাঁচ হাজাৰ লিটাৰৰ ১৭টা টেংকী, এহাজাৰ লিটাৰৰ ৭টা টেংকী, দুহাজাৰ লিটাৰৰ ২টা টেংকীৰ ব্যৱস্থা কৰা হৈছে। বিশেষকৈ, ৰান্ধনিশাল আৰু ভোজনালয়ত এই টেংকীসমূহত খোৱাপানী ২৪ ঘণ্টাই সংৰক্ষিত হৈ থাকিব। পাইপযোগে পানীৰ ৰানিঙৰো ব্যৱস্থা কৰিছে। সেই অনুসৰি, ৰান্ধনিশালত ১২০টা টেপ, অন্ন খাই হাত-মুখ ধোৱাৰ ঠাইত ১৫০টাকৈ মুঠ ৩০০টা টেপৰ সু-ব্যৱস্থা কৰিছে। সেৱা বাহিনীৰ শিবিৰত ৪০টা টেপ আৰু প্ৰতিনিধি শিবিৰসমূহত বহুসংখ্যক টেপৰ সংযোগ কৰি পানীৰ ব্যৱস্থা কৰিছে। অধিৱেশনস্থলীত পূৰ্বৰে পৰা থকা ৫টা পুখুৰী পৰিষ্কাৰ কৰি তাৰে তিনিটা পুখুৰীৰ পানী ৰন্ধা-বঢ়াৰ কামত ব্যৱহাৰৰ উপযোগী কৰি তোলা হৈছে। বিভাগৰ পৰীক্ষাগাৰত পুখুৰীকেইটাৰ পানী পৰীক্ষা কৰি বেক্টেৰিয়া যে নাই, সেইকথা প্ৰমাণিত কৰি লোৱা হৈছে। খোৱাপানীৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগে লেবটৰীটোত থকা যানসহ মেচিনেৰে ঘণ্টাত ৫০০০ লিটাৰকৈ খোৱাপানী প্ৰস্তুত কৰি আধা লিটাৰৰ প্লাষ্টিক পেকেটবোৰ অধিৱেশনস্থলীতে যোগান ধৰি থকা হ'ব। প্ৰতিনিধি শিবিৰ, সেৱা বাহিনীৰ শিবিৰ, কাৰ্যালয়ত থকা লোকসকলে ব্যৱহাৰ কৰিবলৈ ৫৫০টা বিজ্ঞানসন্মত শৌচাগাৰৰ উপৰি সোই অনুপাতে স্নানাগাৰৰো পকীকৰণেৰে ব্যৱস্থা কৰা হৈছে। অসম ৰাজ্যিক বিদ্যুৎ বিতৰণ কোম্পানীৰ যোৰহাট সংমণ্ডলে অধিৱেশনস্থলী বিদ্যুতেৰে পোহৰাই তুলিছে। অধিৱেশনস্থলীতে পূৰ্বতে থকা উচ্চ ক্ষমতাসম্পন্ন ১১ কে ভি বিদ্যুৎ পৰিবাহী লাইনটো তলত থকাত ওখ খুঁটা বহুৱাই স্থায়ীভাৱে নিৰ্মাণ কৰা হ'ল। দুৰ্ঘটনা হ'ব নোৱাৰাকৈ বিদ্যুৎ পৰিবাহী তাঁৰৰ তলত গাৰ্ড দিছে। দিনে-নিশাই অধিবেশনস্থলীত ২৫০ কিল' ভল্ট এম্পায়াৰৰ দুটা আৰু এশ কিল' ভল্ট এম্পায়াৰৰ এটা ট্ৰেন্সফৰ্মাৰ অস্থায়ীভাৱে বহুৱাইছে। প্ৰতিদিনে প্ৰায় ৪০০ কিল'ৱাট বিদ্যুতৰ প্ৰয়োজন হ'ব বুলি বিদ্যুৎ বিভাগে ঠাৱৰ কৰিছে। ট্ৰেন্সফৰ্মাৰৰ পৰা মূল সভামণ্ডপ, প্ৰতিনিধি শিবিৰ, নামঘৰ, নাটঘৰ, সেৱা বাহিনীৰ শিবিৰ, গ্ৰন্থমেলা, প্ৰদৰ্শনী, ভোজনালয়, ৰান্ধনিশাল, কাৰ্যালয়ৰ উপৰি অধিৱেশনস্থলী পোহৰাই তুলিবলৈ প্ৰায় ২ কিলোমিটাৰজোৰা বিদ্যুৎ পৰিবাহী খুঁটা দি তাঁৰ স্থাপন কৰা হৈছে। তদুপৰি, প্ৰয়োজনীয় স্থানত কেব'ল লাইনৰো ব্যৱস্থা কৰিছে। অধিৱেশনস্থলী পোহৰাই তুলিবলৈ প্ৰায় ৮ হাজাৰ বিভিন্ন প্ৰকাৰৰ বাল্ব লগাইছে। এই কাম ঠিকাদাৰৰ জৰিয়তে বিভাগে কৰাইছে। ইয়াৰ বাবে ৫০ লাখ টকাৰ অনুমোদন দিছে বুলিও বিভাগীয় সূত্ৰত প্ৰকাশ। লোক নিৰ্মাণ বিভাগৰ লোকসকলেও অধিৱেশনস্থলীত সুকলমে যাতায়াত কৰিবলৈ বাট-পথবোৰ মসৃণভাৱে নিৰ্মাণ কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা অধিৱেশনস্থলীলৈ যাতায়াত কৰা মূল পথটো পেভাৰ ব্লক লগাই মসৃণ কৰিছে। তদুপৰি, গাড়ী পাৰ্কিঙৰ ঠাই, ৰাষ্ট্ৰীয় পথৰ পৰা তিনিটা ৰেম্প আদিৰ লগতে অধিৱেশনস্থলীৰ মাজতে থকা অইল পাইপলাইনটো জনসাধাৰণৰ যাতায়াতৰ বাবে সুচল কৰি তুলিছে। আজি অসম চৰকাৰৰ কৃষি দপ্তৰৰ মন্ত্ৰী অতুল বৰা অধিৱেশনস্থলীত উপস্থিত হৈ চৌহদটো পৰিদৰ্শন কৰাৰ পাছত সাংবাদিকৰে সৈতে হোৱা আলাপত কয়, মহাপুৰুষৰ আদৰ্শক বিশ্ব দৰবাৰলৈ নিবলৈ শ্ৰীমন্ত শংকৰদেৱ সংঘই যি প্ৰচেষ্টা অব্যাহত ৰাখিছে, তাৰবাবেই অসমৰ জনসাধাৰণ আকৰ্ষিত হৈছে। মহাপুৰুষগৰাকীক বচাই ৰাখিব পাৰিলেহে অসমীয়া জাতিও বাচি থাকিব। অধিৱেশনস্থলীলৈ অহা কোনো লোকেই যাতে অসুবিধা ভোগ কৰিবলগীয়া নহয়, তাৰবাবেই মুখ্যমন্ত্ৰীগৰাকীয়ে বিভাগসমূহক নিৰ্দেশনা দিছে। সেই নিৰ্দেশনাৰ ভিত্তিতেই কৃষি বিভাগে খেতি কৰি আলুৰ লগতে বিভিন্ন শাক-পাচলি প্ৰস্তুত কৰিছে। বোকাখাতৰ পৰাও উৎপাদন কৰা বিভিন্ন শাক-পাচলি অধিৱেশনস্থলীলৈ অনা হ'ব। পৰিবহণ মন্ত্ৰীগৰাকীয়ে অধিৱেশনলৈ অহা ভকত-বৈষ্ণৱ, আইসকলৰ লগতে দৰ্শনাৰ্থীসকলকো বিমান, ৰে'ল আৰু পথ পৰিবহণৰ ষ্টেচনৰ পৰা অনা-নিয়াৰ ব্যৱস্থা কৰিব। যোৰহাট জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগ আদৰণী সমিতিৰ কাৰ্যকৰী পদত থাকি অধিৱেশনখন সফল কৰি তোলাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীগৰাকী নিৰ্দিষ্ট সময়ত উপস্থিত হ'ব নোৱাৰিলেও অধিৱেশনলৈ যে আহিব সেয়া অৱগত কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# উলংগ বাবাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা ৭ অসমীয়াক মুক্তিৰ দাবীত লাচিত সেনাৰ প্ৰতিবাদ

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** উলংগ দিগাম্বৰ বাবাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা বীৰ লাচিত সেনাৰ নেতাক ২০২৪ চনত গুৱাহাটীত ব্যৱসায়ীক ধমক দিয়া এক পুৰণি গোচৰত পুনৰ গ্ৰেপ্তাৰৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টিৰ মাজতে আজি ৰাজ্যজুৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে বীৰ লাচিত সেনা অসম নামৰ জাতীয় সংগঠনটোৱে। ৰাজ্যৰ কেইবাখনো জিলাৰ লগতে গুৱাহাটী মহানগৰীত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰি শীঘ্ৰে ৭ নেতাক মুক্তি দিয়াৰ দাবী জনায়। যদি ৭ নেতাক মুক্তি নিদিয়ে তেন্তে চৰকাৰৰ বিৰুদ্ধে গাঁৱে-ভূঞে প্ৰতিবাদ কৰাৰ হুংকাৰ দিছে জাতীয় সংগঠনটোৱে। অসমত উলংগ বাবাৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ লগতে উলংগ বাবাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ গ্ৰেপ্তাৰ হোৱা লোকসকলক মুক্তি দিয়াৰ দাবীত আজি বীৰ লাচিত সেনা-অসমে গুৱাহাটীত ক'লা বেজ পিন্ধি প্ৰতিবাদ সাব্যস্ত কৰে। বীৰ লাচিত সেনাৰ কামৰূপ জিলা সমিতিয়ে গুৱাহাটীৰ জুৰোডৰ শ্ৰদ্ধাঞ্জলি উৰণীয়া সেঁতুৰ তলত প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰি গ্ৰেপ্তাৰ কৰা ৭ জন অসমীয়াক শীঘ্ৰে মুকলি কৰি দিবলৈ ৰাজ্য চৰকাৰক শেষ সকীয়নি প্ৰদান কৰে। বহিৰাগতৰ অতপালি বন্ধ কৰক, বিজেপি গ'-বেক, অসম চৰকাৰ হায়ঃ হায়ঃ, ভুৱা গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰা ৭ অসমীয়াক মুক্তি দিয়ক লিখা বেনাৰ-ফেষ্টুন হাতে হাতে লৈ প্ৰতিবাদ সাব্যস্ত কৰে সংগঠনটোৱে। বীৰ লাচিত সেনাৰ মুখ্য সচিব ৰণ্টু পানীফুকনে গুৱাহাটীৰ প্ৰতিবাদস্থলীত আক্ষেপ কৰি কয় যে নাঙঠ আৰু ভণ্ড বাবা আহি অসমৰ সংস্কৃতি বিপদাপন্ন কৰিব খুজিছে। তাৰ বিৰুদ্ধে অসমৰ সজাগ-সচেতন ৰাইজে প্ৰতিবাদ কৰিছে। সেই বিষয়টোৰ পৰা দৃষ্টি আতৰাবলৈ প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰি ৰখা হৈছে। বিজেপি চৰকাৰে শাসনলৈ আহি খিলঞ্জীয়াৰ বিৰুদ্ধে দমনমূলক ব্যৱস্থা গ্ৰহণৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি ৰণ্টু পানীফুকনে কয় যে জাতি, মাটি, ভেটিৰ কথা কৈ ক্ষমতালৈ আহি খিলঞ্জীয়া মানুহৰ কণ্ঠ ৰোধ কৰাৰ প্ৰয়াস কৰিছে। ভুৱা গোচৰ তৰি আৰক্ষীৰ জিম্মাত ৰখা হৈছে ৭ জন যুৱকক। তেওঁলোকক বিনাচৰ্তে মুকলি কৰি দিব লাগিব। গাঁৱে গাঁৱে এই প্ৰতিবাদ লৈ যোৱা হ'ব। বীৰ লাচিত সেনাৰ মুখ্য সচিব ৰণ্টু পানীফুকনে আৰু কয় যে অসমত অসমীয়াৰ কৃষ্টি-সংস্কৃতি, ৰাজনীতি, ভাষা, অৰ্থনীতিকে ধৰি সকলো দিশ সুৰক্ষিত থাকিব লাগিব। অসম মুলুক খিলঞ্জীয়াৰ গৃহভূমি। আজন্ম এই গৃহভূমিত অসমীয়াই মূৰ তুলি জীয়াই থাকিব পাৰিব লাগিব। এই পৰিৱেশ আমি অনন্তকাললৈ তৈয়াৰ কৰি ৰাখিব পাৰিব লাগিব। সেই পৃষ্ঠভূমি তৈয়াৰ কৰিবলৈ যাওতে যদি কোনো বহিৰাগতৰ লবীৰ ছত্ৰছায়াত থাকি চৰকাৰে খিলঞ্জীয়া বিৰোধী স্থিতি গ্ৰহণ কৰে তেন্তে আগন্তুক দিনত খিলঞ্জীয়াই প্ৰতিবাদ কৰি যাব। যিসকলে বেআইনীভাৱে যোৰহাটৰ ৰাজপথত ৰেলী উলিয়াইছিল তাৰ বিৰুদ্ধে ৰাইজে গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰিছিল। গণতান্ত্ৰিকভাৱে প্ৰতিবাদ কৰা প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰিছিল। সেই গোচৰত জামিন দিয়া হৈছিল। কিন্তু তেওঁলোকক দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীৰ দৰে ৰাতিৰ ভিতৰতে গুৱাহাটীৰ লতাশিল থানালৈ আনে। পিছদিনা আদালতত হাজিৰ কৰোৱাই পুনৰ আৰক্ষীয়ে জিম্মাত লয়। এয়া সাংঘাতিক অগণতান্ত্ৰিক কাম। গণতন্ত্ৰৰ বাবে অশনি সংকেত নমাই আনিছে বিজেপিয়ে। যদি খিলঞ্জীয়াই নিজৰ ঠাইতে প্ৰাপ্য অধিকাৰ, মান-সন্মানৰ বাবে কৰা আন্দোলন মহিমূৰ কৰিব বিচাৰে, দমন কৰিব বিচাৰে সেয়া ধিক্কাৰৰ যোগ্য বুলিও কয় ফুকনে। শ্ৰদ্ধাঞ্জলি উৰণীয়া সেঁতুৰ তলত বীৰ লাচিত সেনাৰ নেতা বিকাশ অসমে কয় যে আজি অসমত বহিৰাগত নেতাৰ দপদপনি বৃদ্ধি পাইছে। বহিৰাগতক সুৰক্ষা দিছে দিল্লী আৰু দিছপুৰৰ চৰকাৰে। অসমৰ স্বাভিমানক হত্যা কৰিছে হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে, যোৰহাটত নগ্ন বাবা দিগম্বৰ বাবাৰ প্ৰৱেশৰ বিৰোধ কৰি প্ৰতিবাদ কৰা ৭ জন যুৱকক গ্ৰেপ্তাৰ কৰা হৈছিল। ৭ জন যুৱকক জামিন প্ৰদান কৰা হৈছিল যদিও পুনৰ ২০২৪ চনৰ ব্যৱসায়ীক ধমক দিয়াৰ গুৱাহাটীৰ এক গোচৰত পুনৰ গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ অনা হয় যুৱককেইজনক। ২০২৪ চনত এগৰাকী অসমীয়া যুৱতীক অসমীয়াত তথা কওতে হিন্দীভাষী ব্যৱসায়ীয়ে অভব্য আচৰণ কৰাত বীৰ লাচিত সেনাই ব্যৱসায়ীক ক্ষমতা খুজিবলৈ বাধ্য কৰিছিল। ৭ যুৱকক বিনাচৰ্তে মুকলি কৰি দিয়াৰ দাবী জনাই সংগঠনটোৱে। শিৱসাগৰৰ ৰংঘৰৰ সন্মুখতো প্ৰতিবাদ সাব্যস্ত কৰে বীৰ লাচিত সেনাই। বিশ্বনাথতো বীৰ লাচিত সেনাৰ প্ৰতিবাদ জনায়। কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে ধেমাজি, যোৰহাট, দৰং জিলা, মৰিগাঁও জিলা, তিনিচুকীয়া উপায়ুক্তৰ কাৰ্যালয়ত প্ৰতীকি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে বীৰ লাচিত সেনাই। যোৰহাটত উলংগ বাবাই প্ৰৱেশ কৰাত প্ৰতিবাদ সাব্যস্ত কৰিছিল একাংশ লোকে। প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে প্ৰতিবাদকাৰীক প্ৰহাৰ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰিছিল বীৰ লাচিত সেনাৰ ৭ নেতাক। ৭ নেতাক মুক্তিৰ দাবী জনাই আহিছে যদিও মুক্তি নিদিয়াত আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীত বীৰ লাচিত সেনাই প্ৰতীকী অৱস্থান ধৰ্মঘট সাব্যস্ত কৰে।

# উপমন্যু হাজৰিকাৰ বিৰুদ্ধে ৰিণিকি ভূঞাৰ গোচৰ

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** জ্যেষ্ঠ অধিবক্তা উপমন্যু হাজৰিকাসহ ছয়গৰাকী লোকৰ বিৰুদ্ধে মানহানি গোচৰ ৰুজু কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই। গুৱাহাটীৰ সত্ৰ ন্যায়াধীশৰ আদালতত এই গোচৰ ৰুজু কৰিছে মুখ্যমন্ত্ৰীৰ পত্নীয়ে। ভাৰতীয় ন্যায় সংহিতাৰ ৩৫৬, ৩(৫), ৩(৬) ধাৰাত ৰুজু কৰা গোচৰত ১০ ফেব্ৰুৱাৰীত শুনানিৰ দিন ধাৰ্য কৰা হৈছে। উপমন্যু হাজৰিকাৰ সৈতে গোচৰ ৰুজু কৰা আনকেইগৰাকী লোক হৈছে কলিয়াবৰৰ চাৰিলেন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ দাবী সমিতিৰ বিষয়-ববীয়া। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ দাবী সমিতিৰ সভাপতি মিনু শইকীয়া আৰু সম্পাদক প্ৰদীপ লস্কৰৰসহ মুঠ ছয়জন লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। উল্লেখ্য যে, কেইদিনমান পূৰ্বে গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি উপমন্যু হাজৰিকা আৰু কলিয়াবৰৰ চাৰিলেন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ দাবী সমিতিয়ে এখন সংবাদমেল সম্বোধন কৰিছিল। সংবাদমেলত প্ৰস্তাৱিত চাৰিলেন যুক্ত কলিয়াবৰৰ পৰা নুমলীগড়লৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দিশ মুখ্যমন্ত্ৰীৰ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ স্বাৰ্থত কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল তেওঁলোকে। মুখ্যমন্ত্ৰীৰ পত্নী হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ স্বাৰ্থত পুৰণি ৰাস্তাটো সম্প্ৰসাৰণ কৰাৰ পৰিৱৰ্তে ৰিণিকি ভূঞা শৰ্মাৰ মাটি থকা এলেকাৰে পথটো নিয়াৰ অভিযোগ আনিছিল। মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই কিছুদিন পূৰ্বে সেই অঞ্চলত ক্ৰয় কৰিছিল ১০৬ বিঘা মাটি। ব্যৱসায়িক মূল্যবৃদ্ধিৰ স্বাৰ্থত ৰাষ্ট্ৰীয় ঘাইপথটো জখলাবন্ধাৰ মাজেৰে নিনিয়াকৈ কলিয়াবৰৰ পৰা অন্য দিশেৰে নিব খোজা বুলি মুখ্যমন্ত্ৰীৰ পত্নী তথা প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে অভিযোগ আনিছিল সংবাদমেলত। গুৱাহাটী উচ্চ ন্যায়ালয়ত কলিয়াবৰৰ ৬৫ জনকৈ লোকে দাখিল কৰা ৩৮/২০২৪ নম্বৰৰ ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনক লৈ ২০ জানুৱাৰীত শুনানি হৈছিল উচ্চ ন্যায়ালয়ত। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণক দুসপ্তাহৰ ভিতৰত স্থিতি স্পষ্ট কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে আদালতে। গোচৰটোত চৰকাৰী পক্ষসমূহৰ উপৰি মুখ্যমন্ত্ৰীৰ পত্নীৰ মালিকানাধীন প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট লিমিটেডকে ধৰি কেইবাটাও ব্যক্তিগত প্ৰতিষ্ঠানক পক্ষ কৰা হৈছে। প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট লিমিটেডৰ কৃষিভূমিৰ মাজেৰে ৭১৫নং ৰাষ্ট্ৰীয় ঘাইপথটো নতুনকৈ সম্প্ৰসাৰণৰ বাবে ব্যৱস্থা গ্ৰহণৰ গুৰুতৰ অভিযোগ আনিছিল উচ্চ ন্যায়ালয়ত। ইয়াৰ মাজতে ৰিণিকি ভূঞা শৰ্মাই ৬ গৰাকী লোকৰ বিৰুদ্ধে উক্ত গোচৰ ৰুজু কৰা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে।

# ৰৌমাৰীত সদৌ অসম দেৱদামোদৰ সংঘৰ জামাদাৰী আঞ্চলিকৰ ধৰ্মীয় সভা সম্পন্ন

**ই-সংবাদ, লাহৰীঘাট, ৩ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ ৰৌমাৰীত যোৱা ৩১ জানুৱাৰীৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হোৱা সদৌ অসম দেৱদামোদৰ সংঘৰ মৰিগাঁও জিলাৰ জামাদাৰী আঞ্চলিক দেৱদামোদৰ সংঘৰ চতুৰ্থ বৰ্ষৰ ধৰ্মীয় সভাখনৰ সফল সামৰণি পৰে। ১ নং ৰৌমাৰী প্ৰাথমিক দেৱদামোদৰ সংঘৰ আমন্ত্ৰণত প্ৰয়াত ভেলুৱা কোঁৱৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত ধৰ্মীয় সভাখনৰ অন্তিম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত বৃহত্তৰ অঞ্চলটোত এটি বিশাল ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাটো আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে শ্ৰীশ্ৰী জখলাবন্ধা সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱগোস্বামীয়ে। ইয়াৰ পূৰ্বে পুৱা পৰিৱেশ স্বচ্ছ, শৰাই অৰ্চন, গুৰুলীলা পাঠ কৰা হয়। আবেলি শ্ৰীশ্ৰী জখলাবন্ধা সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱগোস্বামীৰ সভাপতিত্বত মুকলি সভাখন অনুষ্ঠিত হয়। মুকলি সভাখনত মুখ্য বক্তাৰূপে শ্ৰীশ্ৰী মাহাৰা সত্ৰ (মাজুলী)ৰ সত্ৰাধিকাৰ মহেশ দেৱগোস্বামী, সদৌ অসম দেৱ দামোদৰ সংঘৰ সভাপতি অভয় বৰ্মন, নিৰ্দিষ্ট বক্তাৰূপে সংঘৰ সম্পাদক দিগন্ত গোস্বামী, সদৌ অসম সীতা ফাউণ্ডেচনৰ অধ্যক্ষা গীতিকা ভট্টাচাৰ্য আৰু কোবাইকটা সত্ৰৰ সভাপতি সমীৰ দাস উপস্থিত থাকে। একেদৰে বিশিষ্ট অতিথিৰূপে বহু কেইগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই মুকলি সভাখনত শ্ৰীশ্ৰী জখলাবন্ধা সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱগোস্বামীয়ে দামোদৰ দেৱৰ জন্মস্থান কোবাইকটা সত্ৰখন আজিও বেদখল মুক্ত নোহোৱাত আক্ষেপ প্ৰকাশ কৰে। লগতে ৰাজ্যখনত ৪৪০ খনকৈ দেৱদামোদৰ সংঘৰ সত্ৰ আছে যদিও গুৰুজনাৰ পূণ্যভূমি উদ্ধাৰ কৰাৰ ক্ষেত্ৰত সত্ৰসমূহৰ দুৰ্বলতা অতি দুৰ্ভাগ্যজনক বুলি কয়। আনহাতে, আজিৰ পৰাই দেৱদামোদৰ সংঘই গুৰুজনাৰ জন্মভূমি কোবাইকটা সত্ৰ উদ্ধাৰ আন্দোলন আৰম্ভণি কৰা বুলিও নিজৰ বক্তব্যত প্ৰকাশ কৰে। প্ৰথম দিনাৰ মূল কাৰ্যসূচী অনুসৰি বৃক্ষৰোপণ, বন্তি প্ৰজ্বলনৰ পাছতে সংঘৰ মূল ধৰ্মধ্বজা উত্তোলন কৰে জামাদাৰী আঞ্চলিক দেৱদামোদৰ সংঘৰ সভাপতি সনেশ্বৰ বৰদলৈয়ে। সমান্তৰালকৈ চতুৰ্থ বৰ্ষৰ ধৰ্মীয় সভাৰ উপলক্ষে আন চাৰিখনকৈ ধৰ্মধ্বজা উত্তোলন কৰে তিৱা স্বায়ত্ত পৰিষদৰ উপ মুখ্য কাৰ্যবাহী সদস্য বিপিন চন্দ্ৰ বৰদলৈ, অভ্যৰ্থনা সমিতিৰ সভাপতি বিনেন্দ্ৰ কোঁৱৰ, গেৰুৱা কবিৰাম বড়ো ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ প্ৰশান্ত হাজৰিকা আৰু সংঘৰ উপদেষ্টা বগাৰাম পাতৰে। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে সংঘৰ উপদেষ্টা তথা বৰালিমাৰী সমবায় সমিতিৰ প্ৰাক্তন সভাপতি ভোগেশ্বৰ বৰদলৈয়ে। আনহাতে, মুখ্য তোৰণ উদ্বোধন কৰে তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে।

## জন্মদিনত মামাৰ চিত্ৰাংকনত পালে লাখ টকাৰ পুৰস্কাৰ

# ব্যতিক্ৰমীভাৱে বিটিআৰৰ ই এম সঞ্জিৎ তাঁতীৰ উদ্যোগত মুখ্যমন্ত্ৰীৰ জন্মদিন পালন




**ই-সংবাদ, ডিমাকুছি, ৩ ফেব্ৰুৱাৰীঃ** শনিবাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন পালন কৰে ৰাজ্যবাসীয়ে। ব্যতিক্ৰম নহয় ওদালগুৰিৰ হাতীগড়ো, হাতীগড়ত বিটিআৰৰ ইএম সঞ্জিৎ তাঁতীৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ব্যতিক্ৰমীভাৱে পালন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৫৬ সংখ্যক জন্মদিন। মুখ্যমন্ত্ৰীৰ জন্মদিন উপলক্ষে সঞ্জিৎ তাঁতীয়ে আয়োজন কৰে অসম ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা। দুঘণ্টাৰ ভিতৰত মামাৰ চিত্ৰাংকন কৰি ৬ গৰাকীয়ে লাভ কৰে নগদ ধন। হাতীগড় চাহ বাগিচাত অনুষ্ঠিত মামাৰ জন্মদিনৰ কাৰ্যসূচী অনুসৰি শনিবাৰে পুৱা চিত্ৰাংকন প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। ইয়াৰ পিছতেই বিভিন্ন জাতি-জনগোষ্ঠীৰ ভিন্ন ধৰ্মৰ লোকে মামাৰ জন্মদিন উপলক্ষে সৰ্বধৰ্ম প্ৰাৰ্থনাৰে নেদেখাজনৰ ওচৰত মামাৰ মংগল কামনা কৰে। হাতীগড়ৰ চাহ বাগিচাৰ পৰাই বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু ইএম সঞ্জিৎ তাঁতীয়ে মুখ্যমন্ত্ৰীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীৰ জন্মদিনত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সাৰুৱা ভাষণ আগবঢ়াই ৰাজ্যৰ মুখ্যমন্ত্ৰীক প্ৰশংসাৰে উপচাই দিয়ে। মুখ্যমন্ত্ৰীৰ জন্মদিন উপলক্ষে আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ৫ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। জ্যেষ্ঠ সাংবাদিক প্ৰফুল্ল কুমাৰ বড়োৱে পৰিচালনা কৰা অনুষ্ঠানত ২ ঘণ্টাৰ ভিতৰত মামাৰ ছবি আঁকি ৬ গৰাকীয়ে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। ১২ বছৰৰ উৰ্ধৰ চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰি ওদালগুৰি জিলাৰ সোণাপানী গাঁৱৰ মৃণ্ময় শৰ্মাই লাভ কৰে নগদ এক লাখ টকা, দ্বিতীয় স্থান দখল কৰি দৰং জিলাৰ ছিপাঝাৰৰ অৰিন্দম ডেকাই ৫০ হাজাৰ আৰু তৃতীয় স্থান দখল কৰি দৰং জিলাৰ মঙলদৈৰ বিশাল ডেকাই লাভ কৰে ২৫ হাজাৰ টকা। আনহাতে, ১২ বছৰৰ অনুৰ্ধ্বৰ প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰি নগদ ৫০ হাজাৰ টকা লাভ কৰে গুৱাহাটীৰ নিৰ্ঝু মন বড়াই, দ্বিতীয় স্থান দখল কৰি ২৫ হাজাৰ টকা লাভ কৰে ৰঙিয়াৰ কমল কলিতাই আৰু তৃতীয় স্থান দখল কৰি ১৫ হাজাৰ টকা লাভ কৰে নলবাৰীৰ কৃষাণু বৰ্মনে। পাঁচ শতাধিক চিত্ৰশিল্পীৰ পৰা বিশিষ্ট চিত্ৰশিল্পী দাদুল চলিহা, দিগন্ত মাধৱ গোস্বামীয়ে বিচাৰকৰ আসন গ্ৰহণ কৰি প্ৰতিযোগীসকলক নিৰ্বাচিত কৰে। ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা চিত্ৰাংকন প্ৰতিযোগিতাত উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টীৰ ওদালগুৰি জিলাৰ উপ-সভাপতি বিকন চন্দ্ৰ ডেকা, হাতীগড় চাহ বাগিচাৰ পৰিচালক, ভেৰগাঁও মহকুমাৰ মহকুমা আৰক্ষী বিষয়া দুৰ্গা কিংকৰ শৰ্মা, হৰিশিঙা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, ভাৰতীয় জনতা পাৰ্টীৰ কৰ্মকৰ্তাসকলকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি। চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰি অনাগত দিনত সমাজ সুস্থিৰ কৰা এনেধৰণৰ অনুষ্ঠান পাতি যোৱাৰ পোষকতা কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য সঞ্জীত তাঁতীয়ে।

# পুৰণিগুদামৰ সৰবৰহী ব্যক্তি দ্বীপেন খাউণ্ডৰ মৃত্যু

**ই-সংবাদ, পুৰণিগুদাম, ৩ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পুৰণিগুদাম কেঞ্জাপট্টিৰ নিবাসী বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী আৰু সৰবৰহী ব্যক্তি দ্বিপেন খাউণ্ড(৬২) (বিকুল)ৰ যোৱা ৩১ জানুৱাৰীত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। উল্লেখ্য যে, যোৱা ২৬ জানুৱাৰীৰ সন্ধ্যা নগাঁৱৰ ছয় আলিৰ শিৱমন্দিৰ পথৰ উন্মুক্ত নলাত পৰি আঘাতপ্ৰাপ্ত হৈ তেওঁ গুৱাহাটীত চিকিৎসাধীন হৈ আছিল। পুৰণিগুদাম খাউণ্ডৰ চুকত জন্মগ্ৰহণ কৰা খাউণ্ডে নিজৰ ব্যৱসায়ীক ক্ষেত্ৰখনৰ উপৰি সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ধৰ্মীয় বিভিন্ন উৎসৱ-পাৰ্বন আদিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। একালত তেওঁ পুৰণিগুদাম অঞ্চলৰ বিজেপিৰ এজন সক্ৰিয় কাৰ্যকৰ্তা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। মৃত্যুৰ সময়ত খাউণ্ডে পত্নী আৰু একমাত্ৰ পুত্ৰসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি মিন্টু শৰ্মা, পুৰণিগুদাম টাউন নামঘৰ সমিতি, পুৰণিগুদাম দুৰ্গা পূজা উৎসৱ উদযাপন সমিতি, পুৰণিগুদাম প্ৰাথমিক ব্ৰাহ্মণ সমাজ, পুৰণিগুদাম শৰ্মা বুক এম্প'ৰিয়াম, খাউণ্ডচুক কালি মন্দিৰ সমিতি, পুৰণিগুদাম প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

## সহঃ শিক্ষয়িত্ৰী মালৱিকা গগৈ কাকতিৰ ব্যতিক্ৰমী পদক্ষেপ

# তিনিচুকীয়াৰ চেনাইৰামত হাতে লিখা আলোচনী উন্মোচন




**ই-সংবাদ, ডুমডুমা, ৩ ফেব্ৰুৱাৰীঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ অগ্ৰণী তথা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি পবিত্ৰ সৰস্বতী পূজাৰ দিনাই "আমাৰ শিক্ষা, আমাৰ সংস্কাৰ" নামৰ এখন হাতে লিখা আলোচনীখন উন্মোচন কৰা হয়। আলোচনীখন উন্মোচন কৰে বিদ্যালয়খনৰ অধ্যক্ষ জয়ন্ত নেওগে। বিদ্যালয়খনৰ সহকাৰী শিক্ষয়িত্ৰী মালবিকা গগৈ কাকতিৰ নিজা উদ্যোগত প্ৰকাশ পোৱা আলোচনীখন উন্মোচন কৰি অধ্যক্ষ নেওগে কয়, "আলোচনীখনৰ জৰিয়তে মানবীয় মূল্যবোধসম্পন্ন এক শিক্ষা ব্যৱস্থা গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছে। সহ: শিক্ষয়িত্ৰী মালবিকা গগৈ কাকতিয়ে ছাত্ৰসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে। ছাত্ৰৰ মাজত সাধু কোৱা, হাতৰ আখৰ, কবিতা আবৃত্তি, আকস্মিক বক্তৃতা, কৌশল, একাগ্ৰতা আৰু ধৈৰ্য পৰীক্ষাৰ সন্দৰ্ভত বিগত শৈক্ষিক বৰ্ষটোত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। এই প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক তেওঁ নিজা খৰচেৰে পুৰস্কৃত কৰি আহিছে। সহ: শিক্ষয়িত্ৰী মালবিকা গগৈ কাকতিয়ে মানৱীয় মূল্যবোধ আৰু অসমীয়া ভাষাটো শুদ্ধকৈ শিকাবলৈ অহৰহ চেষ্টা কৰি আহিছে। ষষ্ঠ শ্ৰেণীৰ সকলো ছাত্ৰই বিদ্যালয়লৈ আঁহোতে মাক-দেউতাকৰ চৰণ চুই আশীষ লৈ আহে। শিক্ষয়িত্ৰীগৰাকীৰ পৰামৰ্শ মতেই ছাত্ৰসকলে এই নৈতিক শিক্ষা গ্ৰহণ কৰিছে। সঞ্চয়ৰ প্ৰতি গুৰুত্ব দিবলৈ ছাত্ৰসকলক অনুপ্ৰাণিত কৰি আহিছে। প্ৰতিজন ছাত্ৰই ঘৰৰ পৰা লৈ অহা অতি নিম্নপৰিমাণৰ টকাকেইটা অবাবত খৰচ নকৰি প্ৰতিদিনে শিক্ষয়িত্ৰী গৰাকীৰ হাতত জমা দিয়ে আৰু অভিভাৱক সভাত প্ৰতিজন ছাত্ৰৰ নামত জমা হোৱা টকাখিনি নিজ নিজ অভিভাৱকক ঘূৰাই দিয়ে। মাক-দেউতাকৰ চৰণ চুই প্ৰতিজন ছাত্ৰই এই ধন পিতৃ-মাতৃক উভতাই দিয়ে। শ্ৰেণীত ছাত্ৰই কৰা সৃষ্টিমূলক কামৰ ভিজুৱেলো অভিভাৱকৰ সভাত প্ৰদৰ্শন কৰি আহিছে সহ:শিক্ষয়িত্ৰী মালবিকা গগৈ কাকতিয়ে। বছৰটোত অনুষ্ঠিত হোৱা মুঠ ৪ খন অভিভাৱকৰ সভাত নিজ সন্তানৰ শৈক্ষিক অগ্ৰগতিৰ বিষয়ে মাক-দেউতাকক অৱগত কৰি আহিছে শিক্ষয়িত্ৰীগৰাকীয়ে।" আলোচনী উন্মোচনী সভাত অৱসৰী শিক্ষয়িত্ৰী সূৰ্য গগৈ লাহন, অনুজা মহন গোঁহাইয়েও সহ:শিক্ষয়িত্ৰী গৰাকীৰ এনে ব্যতিক্ৰমী পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। সভাৰ আঁত ধৰে শিক্ষক নিৰঞ্জন বৰুৱাই।

# ৰঙিয়াত মুখ্যমন্ত্ৰীৰ জন্মদিন উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ ভৱেশ কলিতাৰ

**ই-সংবাদ, ৰঙিয়া, ৩ ফেব্ৰুৱাৰীঃ** ৰঙিয়াত শনিবাৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে স্থানীয় বিধায়ক ভৱেশ কলিতাই। পোনতে পুৱাৰ ভাগত ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ চিকিৎসক তথা স্বাস্থ্য কৰ্মীসকলক সাক্ষাৎ কৰি মত বিনিময় কৰে বিধায়ক ভৱেশ কলিতাই। চিকিৎসালয়খনত ৰোগীসকলৰ মাজত ফলমূল বিতৰণ কৰাৰ পিছতে চৌহদত এজোপা গছপুলি ৰোপণ কৰা হয়। ইয়াৰ পিছতে ৰঙিয়াৰ হৰিজন কলনীত হৰিজনসকলৰ মাজত কম্বল বিতৰণ কৰে বিধায়কগৰাকীয়ে। কাৰ্যসূচীৰ অংশ হিচাপে ৰঙিয়া পৌৰ সভাৰ কাৰ্যালয় চৌহদত স্থাপন কৰা আৰ আৰ আৰ চেণ্টাৰৰ উদ্বোধন কৰে বিধায়ক ভৱেশ কলিতাই। উদ্বোধনী ভাষণত এই বস্ত্ৰ বেংকটিৰ জৰিয়তে পদপথত বসবাস কৰা তথা নিঃসহায় লোকসকল উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে বিধায়ক ভৱেশ কলিতাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নং ত যোগাযোগ কৰক।

## বগৰীবাৰীৰ ঐতিহাসিক কালী মন্দিৰত আপত্তিজনক টোপোলা দলিয়াই দিয়া কাণ্ডৰ মূল অভিযুক্ত চাৰিজনক গ্ৰেপ্তাৰ

**ই-সংবাদ, পৰ্বতঝোৰা, ৩ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বগৰীবাৰীত অৱশেষত মন্দিৰত আপত্তিজনক টোপোলা দলিয়াই দিয়া কাণ্ডৰ মূল অভিযুক্ত চাৰিজনক গ্ৰেপ্তাৰ কৰা হয়। বগৰীবাৰীৰ ঐতিহাসিক ২৫ হাত কালী মন্দিৰত যোৱা বছৰ ৩০ ডিচেম্বৰত এক উদ্বেগজনক পৰিস্থিতি সৃষ্টি কৰি কালী মন্দিৰৰ ভিতৰত এটা আপত্তিজনক টোপোলা দলিয়াই দিয়াৰ লগত জড়িত চাৰি অভিযুক্তক বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হৃষীকেশ দাস আৰু কোকৰাঝাৰ আৰক্ষীৰ তদন্তৰ অন্তত অভিযান চলাই বিটিআৰ সীমামূৰীয়া অঞ্চলৰ পৰা চাৰিজন লোকক গ্ৰেপ্তাৰ কৰে। বগৰীবাৰী আৰক্ষীৰ বিভিন্ন কাৰিকৰী প্ৰযুক্তিৰ সহায়ত তদন্তৰ ভিত্তিত অভিযান চলাই এই ঘটনাৰ মূল মাষ্টাৰ মাইণ্ড নুৰ ইছলাম(২২) আৰু হাফিজুৰ ৰহমান(২৫)ক প্ৰথমে গ্ৰেপ্তাৰ কৰে। এই অভিযুক্ত দ্বয়ক গ্ৰেপ্তাৰ কৰি স্বীকাৰোক্তিৰ ভিত্তিত বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হৃষিকেশ দাসৰ নেতৃত্বত আৰক্ষীৰ দলে আন দুজন অভিযুক্ত ক্ৰমে ছহিদুল ইছলাম(২০) আৰু আহেদ আলী(২৫)ক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অভিযুক্ত চাৰিজনক ইতিমধ্যে কোকৰাঝাৰ জিলা ন্যায়াধীশৰ আদালতৰ অনুমতিত অধিক তদন্তৰ স্বাৰ্থত বগৰীবাৰী আৰক্ষীৰ জিম্মাত থকাৰ পিছত চাৰি অভিযুক্তক জে'ললৈ প্ৰেৰণ কৰে। এই অভিযুক্ত চাৰিজনৰ ঘৰ বিটিআৰৰ সীমামূৰীয়া খোৱাঘাট-তামাকুবাৰী গাঁৱত বুলি জানিব পৰা গৈছে। ঘটনাৰ লগত জড়িত দুজন বৰ্তমানো পলাতক হৈ আছে।

## তুষপাৰা গাঁও পঞ্চায়তত সোণাৰ মদিনা সংগঠনৰ কাৰ্যালয় শুভ উদ্বোধন

**ই-সংবাদ, বিলাসীপাৰা, ৩ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ মহামায়া উন্নয়ন খণ্ডৰ অন্তৰ্গত তুষপাৰা গাঁও পঞ্চায়তত সোণাৰ মদিনা গ্ৰাম্য সংগঠনৰ কাৰ্যালয় অলপতে শুভ উদ্বোধন কৰা হয়। উক্ত কাৰ্যালয় শুভ উদ্বোধন কৰে মহামায়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মঞ্জুলা ঠাকুৰীয়া দেৱীয়ে। উল্লেখ্য যে পঞ্চদশ বিত্তীয় আয়োগ ২০২১-২২ বৰ্ষৰ অনুমোদনৰ জৰিয়তে পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা যৌথভাৱে নিৰ্মাণ কৰা Central MCF ৰ তুষপাৰা গাঁও পঞ্চায়তত থকা আঁচনিৰ গৃহত জৈৱিক সাৰ আঁচনিৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। উক্ত শুভ উদ্বোধন কাৰ্যসূচীত মহামায়া উন্নয়ন খণ্ডৰ কাৰ্যালয় খণ্ড উন্নয়ন বিষয়া মঞ্জুলা ঠাকুৰীয়া, সহকাৰী খণ্ড উন্নয়ন বিষয়া নজমুল হক, সহকাৰী অভিযন্তা নিতুল দে, তুষপাৰা গাঁও পঞ্চায়তৰ সচিব সফিকুল আলমৰ লগতে সোণাৰ মদিনা সংগঠনৰ ভালেইসংখ্যক সদস্য-সদস্যা উপস্থিত থাকে।

# আমিনগাঁৱত ২১ দিব্যাংগক বিনামূলীয়াকৈ কৃত্ৰিম ভৰি সংযোজন

**ই-সংবাদ বিশেষ, উত্তৰ গুৱাহাটী, ৩ ফেব্ৰুৱাৰীঃ** 'লাখুটিত ভৰ দি যেতিয়া কোনো দিব্যাঙ্গ মানুহ আমাৰ কেন্দ্ৰলৈ আহি বিনামূলীয়াকৈ অত্যাধুনিক কৃত্ৰিম জয়পুৰী ভৰি সংযোজন কৰি নিজ ভৰিত খোজ কাঢ়ি মুখত এমোকোৰা হাঁহি লৈ নিজ ঘৰলৈ প্ৰত্যাবৰ্তন কৰে, তেতিয়া তাৰ হাঁহিভৰা মুখ চাই এনে ভাব হয় যেন তেওঁ সংসাৰৰ আটাইতকৈ মূল্যবান বস্তু লাভ কৰি অতিশয় সন্তুষ্ট হৈছে। এই মন্তব্য বিশিষ্ট সমাজসেৱী আৰু কামৰূপ জিলাৰ আমিনগাঁওস্থিত তোলাৰাম বাফনা কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰত কেন্দ্ৰৰ পৰিচালন ন্যাসৰক্ষী শুভকৰণ বাফনাৰ। নিজৰ জন্মদিন উপলক্ষে ৩১ জানুৱাৰীৰ দিনা ২১ গৰাকী দিব্যাঙ্গ ব্যক্তিক বিনামুলীয়াকৈ অত্যাধুনিক কৃত্ৰিম জয়পুৰী ভৰি সংযোজন কৰা উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত ভাগ লৈ এইদৰে মন্তব্য কৰে শুভকৰণ বাফনাই। অনুষ্ঠানত বাফনাই কয় যে তেওঁৰ পিতৃয়ে মৃত্যুৰ আগমূহূৰ্তত পৰিয়ালবৰ্গক উপদেশ দি কৈছিল - "আনৰ কল্যাণৰ বাবে কাম কৰিলে তোমালোকৰো কল্যাণ হ'ব।" পিতৃৰ অন্তিম শব্দ কেইটাই তেওঁৰ জীৱনৰ গতি পথ সলনি কৰি দিলে আৰু জীৱনৰ অৱশিষ্ট দিন মানুহৰ কল্যাণৰ কামতে অতিবাহিত কৰাৰ সিদ্ধান্ত ল'লে। এনেদৰে আৰম্ভ হ'ল উত্তৰ-পূবক দিব্যাঙ্গমুক্ত কৰাৰ মহা-অভিযান। অসমৰ বিশিষ্ট সাহিত্যিক জ্ঞানপীঠ বঁটা বিজয়ী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ১৯৯১ চনৰ ৩১ মাৰ্চত আমিনগাঁৱত তোলাৰাম বাফনা কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰৰ শুভ উদ্বোধন কৰিছিল। বৰ্তমানলৈ কেন্দ্ৰত ১০,৯৭০ গৰাকী দিব্যাঙ্গ ব্যক্তিক বিনামুলীয়াকৈ অত্যাধুনিক কৃত্ৰিম জয়পুৰী ভৰি আৰু কেলিপাৰ সংযোজন কৰি বিকলাঙ্গতাৰ অভিশাপৰ পৰা মুক্ত কৰা হৈছে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ তোলাৰাম বাফনা জিলা অসামৰিক চিকিৎসালয়ৰ মুখ্য কাৰ্যবাহী বিষয়া বিমান বৰাই কয় যে শুভকৰণ বাফনা অতিশয় সুহৃদয় আৰু মানৱতাৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা ব্যক্তি। তোলাৰাম বাফনা জিলা অসামৰিক চিকিৎসালয় নিৰ্মাণৰ পৰা বৰ্তমান অৱস্থালৈ উপনীত কৰোৱাত বাফনাৰ অৱদান অনস্বীকাৰ্য। ২০০৭ চনৰ ৮ জানুৱাৰীত অসম চৰকাৰৰ সৈতে সম্পাদিত চুক্তিৰ পিছত শুভকৰণ বাফনাই প্ৰদান কৰা ভূমি আৰু অট্টালিকাত এই অসামৰিক চিকিৎসালয়ৰ শুভাৰম্ভ কৰা হৈছে। য'ত আজি অসংখ্য লোকে সুলভ আৰু উন্নত চিকিৎসা সুবিধা লাভ কৰিছে। অসম চৰকাৰে এই চিকিৎসালয়খনক উন্নীত কৰি ১১০ বিছনাযুক্ত চিকিৎসালয় হিচাপে নিৰ্মাণ কৰিবলৈ লৈছে। য'ত জনসাধাৰণে উন্নত মানৰ চিকিৎসা সুবিধা লাভ কৰিব পাৰিব। অসম চৰকাৰ আৰু নাৰায়ণা হৃদয়ালয় হস্পিটেলৰ মাজত সম্পাদিত এক চুক্তি অনুযায়ী বাফনা পৰিয়ালে প্ৰদান কৰা ভূমি আৰু ভৱনত ২০১৫ চনৰ ১২ মে'ৰ পৰা নাৰায়ণা-বাফনা চুপাৰ স্পেচিয়েলিটি চিকিৎসালয়ৰ শুভাৰম্ভ কৰা হৈছিল, য'ত সুলভ মূল্যত অত্যাধুনিক চিকিৎসা সুবিধা প্ৰদান কৰি থকা হৈছে।

# বড়মপুৰ অন্ধ বিদ্যালয়ত মুখ্যমন্ত্ৰীৰ জন্মদিন উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ৩ ফেব্ৰুৱাৰীঃ** আই অসমীৰ বীৰ পুত্ৰ/তুমি যেন দুৰন্ত অশ্ব/অসম দেশৰ প্ৰাণৰ নেতা/তুমি হিমন্ত বিশ্ব... এনেদৰে গীত ৰচনা কৰি গীতটোৰ কলি গুণগুণাই যোৱা শনিবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন পালন কৰিলে নগাঁও জিলাৰ বড়মপুৰস্থিত বড়মপুৰ শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ উদ্যোগত কলিয়াবৰ জিলা বিজেপিৰ কৰ্মকৰ্তাসকলে বড়মপুৰ অন্ধ বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰীসকলৰ মাজত মুখ্যমন্ত্ৰীগৰাকীৰ জন্মদিন উপলক্ষে সময় অতিবাহিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত-বিনিময় কৰাৰ লগতে এক প্ৰীতিভোজৰ আয়োজন কৰে।উল্লেখ্য যে, অন্ধ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ দিশত নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি অহাৰ উপৰি সাংস্কৃতিক ক্ষেত্ৰখনত ৰাজ্যখনৰ ভিতৰতে এক সুনাম কঢ়িয়াই আনিছে। ৰাজ্যৰ বিভিন্ন অনুষ্ঠানত গীত পৰিৱেশন কৰি সুনাম অৰ্জন কৰা বিদ্যালয়খনৰ অন্ধ ছাত্ৰ, শিল্পী দিগন্ত নাথে মুখ্যমন্ত্ৰীগৰাকীৰ জন্মদিনৰ বাবে গীত ৰচনা কৰি জন্মদিনটোত পৰিৱেশন কৰি মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি থকা মৰম প্ৰকাশ কৰাৰ লগতে সংবাদ-মাধ্যমৰ জৰিয়তে তেওঁলোকৰ বিদ্যালয়খনলৈ মুখ্যমন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়। অন্ধ ছাত্ৰ-ছাত্ৰীসকলে মুখ্যমন্ত্ৰীগৰাকীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ প্ৰিয় মামাৰ দীৰ্ঘায়ু কামনা কৰে। জন্মদিনৰ কাৰ্যসূচীত এটি কণমানি অন্ধ ছাত্ৰই "মানুহে মানুহৰ বাবে" গীত পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰি তোলে।




জন্মদিনৰ কাৰ্যসূচীত উপস্থিত থাকি কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাই জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি ৫৬ সংখ্যক জন্ম দিৱসত কলিয়াবৰ জিলা বিজেপি আৰু বড়মপুৰবাসীৰ হৈ শুভেচ্ছা জনোৱাৰ লগতে মুখ্যমন্ত্ৰীগৰাকীৰ কুশল-মংগল কামনা কৰে। মুখ্যমন্ত্ৰীৰ জন্মদিন উপলক্ষে আজি পুৱাৰে পৰা বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ কৰ্মকৰ্তাসকলে স্বচ্ছ ভাৰত অভিযানকে ধৰি কলিয়াবৰ জিলা সমিতিৰ বিভিন্ন স্থানত জন্মদিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ উপৰি সন্ধ্যা পুৰণিগুদাম ভেৰভেৰিস্থিত মহা মৃত্যুঞ্জয় মন্দিৰত ১০১ গছি বন্তি প্ৰজ্বলন কৰি মুখ্যমন্ত্ৰীগৰাকীৰ কুশল-মংগল কামনা কৰে বিজেপিৰ কৰ্মকৰ্তা আৰু স্থানীয় লোকসকলে।

■ ৬নং পৃষ্ঠাৰ পৰা...

## ৰাজস্থানৰ উদয়পুৰত

ঘটনাই সকলোকে ম্ৰিয়মাণ কৰি তুলিছে। প্ৰায় সমবয়সীয়া এই যুৱক দুজন হৈছে নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন গোসাঁইবড়িৰ ৰহচলা গাঁৱৰ নিবাসী কণ্টক বৰদলৈ(৩১) আৰু বিদ্যুত বৰদলৈ(২৯)। আচলতে, একে গাঁৱৰে এই দুই যুৱকে প্ৰায় দহ বছৰ পূৰ্বে কৰ্ম সংস্থাপনৰ বাবে বহিঃৰাজ্য ৰাজস্থানলৈ ঢাপলি মেলিছিল। ৰাজস্থানৰ উদয়পুৰৰ এটা ব্যক্তিগত প্ৰতিষ্ঠানত কৰ্মৰত হৈ থকা দুই যুৱকে যোৱা ৩০ জানুৱাৰীত কৰ্মস্থলীৰ সমীপতে বন্ধু এজনৰ মটৰ চাইকেল লৈ বজাৰ কৰিবলৈ ওলাই গৈছিল। কিন্তু উদয়পুৰৰ এটা অতি ব্যস্ততাপূৰ্ণ পথত দুয়ো এক শোকাৱহ পথ দুৰ্ঘটনাত পতিত হয়। এখন পানীভৰ্ত্তি টেংকাৰৰ লগত দুয়ো যুৱক উঠি অহা মটৰ চাইকেলখনৰ সংঘৰ্ষ লগাৰ ফলত থিতাতে প্ৰাণ যায় দুয়োজন যুৱকৰ। ইফালে, আজি পুৱাৰ ভাগত ঘটনাৰ পঞ্চমটো দিনত জন্মভূমিলৈ ঘূৰি আহিল দুয়োৰে নিথৰ দেহ। যুৱকদ্বয়ৰ কৰ্মৰত উদ্যোগগোষ্ঠীৰ তৎপৰতাত এখন বগা ৰঙৰ এম্বুলেন্সত লৈ অনা হয় দুয়োৰে অপাৰ্থিৱ দেহ। দুয়োৰে নিথৰ দেহ বাসগৃহ আহি পোৱাৰ লগে লগেই সমগ্ৰ গাঁওখনতে এক শোকাকুল পৰিবেশৰ সৃষ্টি হয়। দুয়োৰে বাসগৃহত কান্দোনৰ ৰোল উঠাৰ বিপৰীতে সেমেকি উঠে মৰ্মাহত হৈ পৰা গাঁওবাসীৰ প্ৰতিজনৰে চকু। পিছত এক সেমেকা শোকাচ্ছন্ন পৰিৱেশত বহুলোকৰ উপস্থিতিত ৰহচলাৰ জনজাতি শ্মশানত দুয়োৰে শেষকৃত্য সম্পন্ন কৰা হয়। দহ ফুট ব্যৱধানৰ দাউ দাউকৈ জ্বলি উঠিল দুখনকৈ চিতা। জানিব পৰা মতে, এইবাৰ ব'হাগ বিহুত ঘৰলৈ অহাৰ কথা আছিল দুয়ো যুৱক। আনকি দুয়োয়ে পৰিকল্পনা কৰিছিল নিজৰ ঘৰ দুখন সজাই-পৰাই তোলাৰ। কিন্তু সেয়া হৈ নুঠিল। নিষ্ঠুৰ নিয়তিয়ে কাঢ়ি নিলে দুয়োৰে প্ৰাণ। অবিবাহিত যুৱকদ্বয়ৰ এনে অকাল বিয়োগত এতিয়া মৰ্মাহত হৈ পৰিছে গাঁওখনৰ সৰ্বস্তৰৰ জনতা। দুয়ো যুৱকৰ মৃত্যুত স্থানীয় মিলিজুলি সাংস্কৃতিক গোষ্ঠী, খালৈগাঁও ফুটবল ক'চিং চেণ্টাৰ, কাঁচিয়লি নাট্যগোষ্ঠী, জাজৰি প্ৰেছ ক্লাব, সৃষ্টি আদিকে ধৰি বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে।

## তিতাবৰত মুখ্যমন্ত্ৰীৰ ওপজা দিন উদযাপন

**ই-সংবাদ, তিতাবৰ, ৩ ফেব্ৰুৱাৰীঃ** সমগ্ৰ ৰাজ্যৰ লগতে শনিবাৰে তিতাবৰতো মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ওপজা দিন বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয়। মুখ্যমন্ত্ৰীৰ জন্মদিন উপলক্ষে ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ চন্দ্ৰ কছাৰীৰ নেতৃত্বত তিতাবৰৰ প্ৰতিবন্ধী মুকবধিৰ বিদ্যালয় আৰু প্ৰশিক্ষণ কেন্দ্ৰত কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত ফলমূল, মিঠাই বিতৰণ কৰি পৰিষদৰ সদস্যসকলে।

# আগমনিত অভাৰলোড বাহনত পৰিবহণ বিভাগৰ অভিযান

**ই-সংবাদ, গোলকগঞ্জ, ৩ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনিৰ ৰাজপথত যান-বাহন আইন উলংঘন নকৰা বাহনৰ পৰা যান-বাহন আৰক্ষীয়ে ধন দাবী কৰা ভিডিঅ' ভাইৰেল হোৱাৰ পিছতে শনিবাৰে পুৱা দহ বজাত আগমনিত পৰিবহন বিভাগে অতৰ্কিতে অভিযান চলাই অত্যাধিক বোজা কঢ়িওৱা বাহন আটক কৰিবলৈ সক্ষম হোৱা ঘটনাই যথেষ্ট তাৎপৰ্য্য বহন কৰিছে। উল্লেখ্য যে ২৮ জানুৱাৰীৰ দুপৰীয়া AS-19 AC-5737 নম্বৰৰ চাপৰৰ পৰা পশ্চিমবংগ অভিমুখী ইটা কঢ়িওৱা ট্ৰাকখন পথৰ দাঁতিত থিয় কৰাৰ পিছত আগমনিৰ যান-বাহন আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া অশোক সিং আৰু কনিষ্টবল পবিত্ৰ ব্ৰহ্ম পাঁচ হাজাৰ টকা দাবী কৰে। টকা দিবলৈ অমান্তি হোৱাত পয়চল্লিশ শ টকাৰ জৰিমনা কৰি গুচি যায়। সকলো ঘটনা চালকে ভিডিঅ' কৰি ভাইৰেল কৰে। ইয়াক কেন্দ্ৰ কৰি বাতৰি প্ৰকাশ হোৱাৰ পাছতেই আজি পুৱা আগমনিত উপস্থিত হয় ধুবুৰী পৰিবহণ বিভাগৰ জোখ মাপ কৰা বাহন। আগমনি থানাৰ সন্মুখৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত স্থাপন কৰি WB-73 C-1847 নম্বৰৰ ইটা কঢ়িওৱা বাহন



এখন জোখে। বাহনখনত জোখ মাপ কৰি চাৰি কুইন্টল অতিৰিক্ত বোজাৰ জৰিমনা বিহে। বাহনখনত চব্বিশ হাজাৰ টকাৰ জৰিমনা বিহা হয়। মাত্ৰ এখন বাহন পৰীক্ষা কৰি এখনতে জৰিমনা বিহা ঘটনাত স্পষ্ট হৈ পৰিছে পথটোৰে যে অতিৰিক্ত মালবাহী বাহনৰ চলাচল অব্যাহত আছে। আশ্চৰ্যজনক ঘটনা হ'ল আগমনিৰ পৰা জিকে ৰোডেৰে দিনে নিশাই অতিৰিক্ত মালবাহীয়ে নহয় সম্পূৰ্ণ জিএছটি ফাকি দিয়া বাহনৰ দৌৰাত্ম্য চলিছে যদিও এই ক্ষেত্ৰত যান-বাহন আৰক্ষী আৰু পৰিবহণ বিভাগৰ নিৰ্লিপ্ত ভূমিকাই আশ্চৰ্যচকিত কৰিছে ৰাইজক।

# পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাত জিলা প্ৰশাসনৰ বিশেষ নিৰ্দেশনা

**ই-সংবাদ বিশেষ, উত্তৰ গুৱাহাটী, ৩ ফেব্ৰুৱাৰীঃ** আগন্তুক উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ২০২৫-ৰ সময়চোৱাত ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ বাবে এক শান্তিপূৰ্ণ পৰিবেশ প্ৰদানৰ প্ৰতি লক্ষ্য ৰাখি আজি কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগেৰে সমগ্ৰ জিলাখনত প্ৰযোজ্য হোৱাকৈ অনুমতিবিহীনভাবে লাউড স্পীকাৰ আৰু মাইক্ৰ'ফোনৰ ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰিছে। তেওঁ লগতে নিশাৰ ভাগত আৰু পৰীক্ষা চলি থকাৰ সময়তো লাউড স্পীকাৰ আৰু মাইক্ৰ'ফোন আদিৰ ব্যৱহাৰ, পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃত্বশীল ব্যক্তিৰ সমাৱেশ তথা অপ্ৰয়োজনীয়ভাবে ভীৰ সৃষ্টি কৰা আৰু পৰীক্ষা কেন্দ্ৰলৈ পৰীক্ষাৰ্থীয়ে মোবাইল ফোন, ইলেক্ট্ৰ'নিক ডিভাইচ আদিকে ধৰি অনুমতি নোহোৱা আৰু সন্দেহজনক সামগ্ৰী কঢ়িয়াই নিয়াতো নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখ্য যে সমগ্ৰ জিলাতে বিভিন্ন কাৰ্যসূচী বা অনুষ্ঠানৰ সময়ত লাউড স্পীকাৰ আৰু মাইক্ৰ'ফোনৰ ব্যৱহাৰে শব্দ প্ৰদূষণৰ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত ব্যাঘাত জন্মাব পৰাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা আৰোপৰ সময়ত জিলাখনত পৰীক্ষাৰ সময়চোৱাত ৰাজহুৱা শান্তি-শৃংখলা ব্যাহত হ'ব পৰা আৰু পৰীক্ষা কেন্দ্ৰৰ আশে-পাশে একাংশ লোকে অসৎ উপায় অৱলম্বন কৰাৰ দৰে ঘটনাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে আৰু সমগ্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া সুকলমে চলাই নিয়াৰ স্বাৰ্থত এই নিষেধাজ্ঞা আৰোপ কৰিছে। একেদৰে পৰীক্ষা চলাই নিয়াৰ প্ৰক্ৰিয়াত যাতে কোনেও বেআইনীভাৱে হস্তক্ষেপ কৰিব নোৱাৰে তথা পৰীক্ষা প্ৰক্ৰিয়া সুচাৰুৰূপে অনুষ্ঠিত কৰাত ব্যাঘাত জন্মাব নোৱাৰে আৰু পৰীক্ষাৰ বাবে আইনীভাৱে নিয়োজিত লোকক কৰ্তব্য পালনত বাধা, অনাহকত বিৰক্ত বা আঘাত কৰিব নোৱাৰে তথা পৰীক্ষা কেন্দ্ৰৰ ওচৰে-পাজৰে যাতে কোনো বেআইনী কাৰ্যকলাপ বা বিক্ষিপ্ত ঘটনা সংঘটিত নহয় তাৰ প্ৰতিও লক্ষ্য ৰাখি এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত বাহাল থাকিব।

# চামগুৰিত চোৰৰ উপদ্ৰৱ বৃদ্ধি

ই-সংবাদ, পুৰণিগুদাম, ৩ ফেব্ৰুৱাৰীঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত দিনকদিনে বৃদ্ধি পাইছে চুৰি কাণ্ডৰ ঘটনা। চোৰৰ উপদ্ৰৱত ৰাইজ অতিষ্ঠ হৈ পৰাৰ লগতে কটাবলগীয়া হৈছে বিনিদ্ৰ ৰজনী। ফুকনটোল, বৰালীগাঁও, চামগুৰি আউনীআটি, গেন্ধালী ভেলেউগুৰি, পহুকটা, তেলিয়াগাঁও,আমনিগাঁও, হয়বৰগাঁও, শিঙিয়াৰ বিভিন্ন অঞ্চলৰ লগতে ব্ৰহ্মচাৰী সত্ৰকে ধৰি বৃহত্তৰ অঞ্চল সমূহত চোৰে বাধাহীনভাৱে চাফাই অভিযান চলোৱাৰ পাছত যোৱা পৰহি নিশা চামগুৰিৰ ডাউন টাউনত থকা ইকম এক্সপ্ৰেছ নামৰ কুৰিয়াৰ ছাৰ্ভিচটোত সংঘটিত কৰিলে চুৰিকাণ্ডৰ ঘটনা। দুজনীয়া এটা চোৰৰ দলে নিশা কাৰ্যালয়টোৰ শ্বাটাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি লুটি নিয়ে ৫১,০০০ হাজাৰ টকা। চুৰিকাণ্ডৰ সমগ্ৰ ঘটনা ইকম এক্সপ্ৰেছ কুৰিয়াৰ ছাৰ্ভিচটোত সংস্থাপিত চি চি টিভি কেমেৰাত বন্দী হৈছে যদিও কাৰ্যালয়টোৰ পৰা অন্যান্য কি কি সামগ্ৰী লুটি লৈ গ'ল সেই সম্পৰ্কে বৰ্তমানেও জানিব পৰা হোৱা নাই। এখন চাৰিচকীয়া বাহনত অহা চোৰৰ দলটোৱে কাৰ্যালয়টোত চুৰি কৰি উধাও হোৱা পাছত চামগুৰি থানাৰ আৰক্ষীয়ে চোৰক বিচাৰি চলাইছে তীব্ৰ অভিযান। ইয়াৰ পূৰ্বেও চামগুৰি আৰক্ষী থানা এলেকাৰ বহু কেইগৰাকী লোকৰ ঘৰত নিশা চোৰে প্ৰৱেশ কৰি  বিভিন্ন সামগ্ৰী চোৰে চুৰি কৰি নিয়ে।

# শিৱসাগৰত আছুৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদক সমীৰণ ফুকনক ৰাজহুৱা সম্বৰ্ধনা

**ই-সংবাদ, শিৱসাগৰ, ৩ ফেব্ৰুৱাৰীঃ** "জাতীয় শ্বহীদসকলে দেখুৱাই যোৱা বাটেৰে আগবাঢ়ি যাবলৈ সংকল্প লৈছো। তেওঁলোকে দেখুৱাই যোৱা আদৰ্শৰে জাতীয় জীৱনক শক্তিশালী কৰিবলৈ আজিৰ দিনটোত সংকল্প লৈছো। সদৌ অসম ছাত্ৰ সন্থা ৰাইজৰ সংগঠন। অনাগত দিনত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক সমস্যা সমাধান, আৰ্থ সামাজিক উন্নয়ন, অসমীয়া ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত ছাত্ৰ সন্থাই প্ৰভাৰ গোষ্ঠী হিচাপে চৰকাৰক হেঁচা প্ৰয়োগ কৰি যিখিনি কৰিব পাৰি সেইবিলাক কৰিব। ইয়াৰ বাবে মই সংকল্পবদ্ধ।" শনিবাৰে শিৱসাগৰ যুৱদলত অনুষ্ঠিত ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানত সম্বৰ্ধনা গ্ৰহণ কৰি এই মন্তব্য কৰে সদৌ অসম ছাত্ৰ সন্থাৰ নৱ নিৰ্বাচিত সাধাৰণ সম্পাদক সমীৰণ ফুকনে। তেওঁ আছুৰ কেন্দ্ৰীয় নেতৃত্বৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে মঞ্চতে ৰাইজক উদ্দেশ্য সেৱা কৰি আৰু কয় যে "আমি জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে বিভিন্ন জাতি-জনগোষ্ঠীক লগত লৈ সমন্বয়ৰ মাজেৰে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। যদি কেতিয়াবা ভুল হয় তেন্তে নিজৰ সন্তান হিচাপে ৰাইজে আমাক যাতে শুধৰাই দিয়ে , সোঁৱৰাই দিয়ে তাৰ বাবে আহ্বান জনাইছো। ৰাইজৰ অভিভাৱকত্ব বিচাৰিছোঁ।" অন্যহাতে আছুৰ শিৱসাগৰ সাধাৰণ সভা সফলভাৱে অনুষ্ঠিত কৰাত ৰাইজে যি সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে ৰাইজৰ মৰম, স্নেহক কেতিয়াও পাহৰি নোযোৱাৰ আশ্বাস দিয়ে। এই সন্দৰ্ভত সমীৰণ ফুকনে কয় যে "শিৱসাগৰবাসীয়ে যি মৰম, সন্মান দিছে সেইখিনি সদায়ে বুকুত কঢ়িয়াই লৈ আগবাঢ়িম। এই মৰম অথলে যাবলৈ নিদিওঁ। ইয়াৰ বাবে আশীৰ্বাদ বিচাৰিছো। ৰাইজেই মোৰ অভিভাৱক। মোক পিন্ধোৱা প্ৰতিখন গামোচাই অধিক দায়বদ্ধ কৰি তুলিছে।" সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত যুৱদলত অনুষ্ঠিত ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানটিৰ আঁত ধৰে জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই। সাধাৰণ সভাৰ উদযাপন সমিতিৰ সভাপতি ড০ সব্যসাচী মহন্তই কয় যে, সদৌ অসম ছাত্ৰ সন্থাৰ দৰে সৰ্ববৃহৎ আৰু সমকক্ষ জাতীয় সংগঠন থাকিব নোৱাৰে। অসমত শিক্ষাৰ ক্ষেত্ৰত উত্তৰণমুখী বাতাবৰণ সৃষ্টি কৰাত সমীৰণ ফুকনে লোৱা সংকল্পক তেওঁ ধন্যবাদ জনায়। শিৱসাগৰবাসী সদায় শক্তিশালী ৰূপত তেওঁৰ কাষত থিয় দিব বুলি বক্তব্য দাঙি ধৰে। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ধ্ৰুৱজ্যোতি কলিতা, সাধাৰণ সভাৰ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি শৰৎ হাজৰিকা, ব্ৰজেন বড়াকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থকা ৰাজহুৱা সম্বৰ্ধনা সভাত সমীৰণ ফুকনক শিৱসাগৰ জিলা ছাত্ৰ সন্থাই সঁফুৱা, সম্বৰ্ধনা পত্ৰ, প্ৰতীকি শিৰদ'লেৰে সম্বৰ্ধনা জনোৱাৰ পাছত সাধাৰণ সভাৰ আদৰণি সমিতি, উন্নতি সভা, অসম সেনাই সম্বৰ্ধনা জনায়।

# গুৰুজনাৰ জন্মভূমিত পৰম্পৰা অক্ষুন্ন ৰাখি অনুষ্ঠিত সৰস্বতী সবাহ

**ই-সংবাদ, বেবেজীয়া, ৩ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ চৌদিশে জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে পালন কৰা হয় যদিও সম্পূৰ্ণ এক বিপৰীত ছবি দেখিবলৈ পোৱা গ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুৰ জন্মস্থান নগাঁও জিলাৰ বটদ্ৰৱাত। চাৰিওফালে উদ্ভৱ হোৱা পূজাকেন্দ্ৰীক উখল-মাখল পৰিৱেশৰ বিপৰীতে বটদ্ৰৱাত পৰম্পৰাগত সত্ৰীয়া ৰীতি-নীতিৰেহে উদ্ যাপন কৰা হয় সৰস্বতী সবাহ। জানিব পৰা মতে, পুৱাৰে পৰা শ্ৰীশ্ৰী শ'লগুৰি সত্ৰ আৰু শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ পুৰণি পৰম্পৰা সম্পূৰ্ণৰূপে অক্ষুন্ন ৰাখি শিক্ষানুষ্ঠানসমূহে পালন কৰিলে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ সবাহভাগী। বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বটদ্ৰৱা চৰকাৰী বালিকা নিম্ন বুনিয়াদী বিদ্যালয়, বটদ্ৰৱা চৰকাৰী বালক নিম্ন বুনিয়াদী বিদ্যালয়, সতী ৰাধিকা ছোৱালী হাইস্কুল, বৰভেটী নিম্ন বুনিয়াদী বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন, বটদ্ৰৱা জাতীয় বিদ্যালয়কে প্ৰমুখ্য কৰি বটদ্ৰৱাৰ শিক্ষানুষ্ঠানসমূহত পূৰ্বপৰম্পৰা অটুট ৰাখি সত্ৰীয়া ৰীতি-নীতিৰে খোল-প্ৰসংগ কৰাৰ অন্তত নাম-কীৰ্তন কৰা হয়। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শিক্ষানুষ্ঠানসমূহত অভিভাৱক তথা সত্ৰৰ ভকত-আইমাতৃসকলেও অংশগ্ৰহণ




কৰা পৰিলক্ষিত হয়। নাম-কীৰ্তনৰ অন্তত শিক্ষাৰ্থীৰ উজ্বল শৈক্ষিক ভৱিষ্যৎৰ অৰ্থে হৈ-ধ্বনি দি নামলগোৱাই আৰ্শীষ নিৰ্মালী প্ৰদান কৰে। ইফালে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতি বিজড়িত ঐতিহাসিক মহেন্দ্ৰ কন্দলি সংস্কৃত টোলতো পুৱাৰে পৰা মাংগলিক কাৰ্যসূচীৰে সৰস্বতী সবাহ অনুষ্ঠিত হয়। ঠিক সেইদৰে বটদ্ৰৱা সৰুহিছা অংগনবাড়ী কেন্দ্ৰৰ লগতে অন্যান্য অংগনবাড়ী কেন্দ্ৰসমূহতো পুৱাৰ ভাগতে কন-কন শিশুসকলৰ উপস্থিতিত সৰস্বতী সবাহ অনুষ্ঠিত কৰি শিশুসকলৰ কুশল মংগল কামনা কৰা হয়। উল্লেখ্য, পূৰ্বৰে পৰা বছৰ বছৰ ধৰি বটদ্ৰৱাত সৰস্বতী পূজাৰ বিপৰীতে সেই দিনটোত সৰস্বতী সবাহহে উদযাপন কৰি অহা হৈছে।

# নৰোৱা বালিসত্ৰৰ পকী দেৱালৰ আধাৰ শিলা স্থাপন বিধায়ক ৰূপক শৰ্মাৰ

**ই-সংবাদ, বেবেজীয়া, ৩ ফেব্ৰুৱাৰীঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পবিত্ৰ জন্মভূমি বটদ্ৰৱাৰ উত্তৰে অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী নৰোৱা বালিসত্ৰৰ চৌহদত পকী বেৰা নিৰ্মাণৰ কামৰ দেওঁবাৰি আধাৰশিলা স্থাপন কৰে নগাওঁ-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। এই উদ্দেশ্যে শ্ৰী শ্ৰী নৰোৱা বালিসত্ৰ পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক মাণিক বৰাই আঁত ধৰা অনুষ্ঠানটিত পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ ভূঞাই এখন ফুলাম গামোচাৰে বিধায়ক গৰাকীক সম্বৰ্ধনা জনাই। উল্লেখ্য যে, বটদ্ৰৱা উন্নয়ন খণ্ডৰ জৰিয়তে প্ৰায় ১৮ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা সত্ৰখনৰ চাৰি চৌহদত পকী দেৱাল আৰু সত্ৰৰ সন্মুখ ভাগত থকা দ-গাঁতৰ লগতে দ-স্থান সমূহ মাটিৰে পূৰ্ণ কৰাৰ লক্ষ্যৰে কৰিবলৈ লোৱা এই কামৰ আধাৰশিলা স্থাপনৰ পিছত বিধায়ক গৰাকীয়ে সত্ৰৰ কাৰ্যালয়ত পৰিচালনা সমিতিৰ লগত সত্ৰখনৰ উন্নয়ন সম্পৰ্কত এক আলোচনাত মিলিত হয়। সমিতিয়ে সত্ৰৰ নৱ নিৰ্মিত দৌল মন্দিৰৰ আধৰুৱা কামৰ লগতে সত্ৰৰ বিভিন্ন সমস্যাৱাজিৰ সমাধানৰ উদ্দেশ্যে এখন স্মাৰক পত্ৰ বিধায়ক গৰাকীক অৰ্পণ কৰে। বিধায়ক গৰাকীয়ে পৰিচালনা সমিতিক পাৰ্যমানে সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত যথোচিত কাৰ্যব্যৱস্থা গ্ৰহন কৰাৰ আশ্বাস প্ৰদান কৰে। পিছত বিধায়ক গৰাকী ডুমডুমীয়া বালিসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এক কাৰ্যসূচীত অংশ গ্ৰহন কৰে।

# বাক্সাৰ ডুমুনীত শিশু সন্ধানহীন

**ই-সংবাদ, মুছলপুৰ, ৩ ফেব্ৰুৱাৰীঃ** বাক্সা জিলাৰ ডুমুনী আৰক্ষী চকীৰ অন্তৰ্গত ডুমুনীৰ ডেকাদোং ৩ নম্বৰ লাইনৰ আৰজেণ ধানোৱাৰ নামৰ এটি ছয় বছৰীয়া শিশু বিগত চাৰি দিন ধৰি নিৰুদ্দেশ হৈ থকাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি যোৱা ৩১ জানুৱাৰীৰ দিনাখন আবেলি ঘৰৰ ওচৰতে খেলি থকা অৱস্থাত শিশুটি হঠাৎ নোহোৱা হোৱাত পৰিয়ালৰ লোকে ওচৰে-পাজৰে বিচাৰ-খোচাৰ কৰে যদিও শিশুটি বিচাৰি নাপালে। চুবুৰীয়াৰ লোকেও বিভিন্ন ঠাইত শিশুটিৰ সন্ধানত খবৰ কৰিছে যদিও এতিয়ালৈকে শিশুটিৰ কোনো ধৰণৰ শুংসূত্ৰ নোপোৱাত পিতৃ অবিনাশ ধানোৱাৰ আৰু মাতৃ ইলছি ধানোৱাৰে চিন্তিত হৈ পৰিছে। ইতিমধ্যে শিশুটিৰ নিৰুদ্দেশ সংক্ৰান্তত মুছলপুৰ সদৰ থানাত পৰিয়ালে এখন এজাহাৰ প্ৰদান কৰিছে। কোনো সদাশয় লোকে শিশুটিৰ



সন্ধান পালে ৮৪৭৩৯৩০১৩২ মোবাইল নম্বৰত অথবা সমীপৰ্তী আৰক্ষী থানাত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনাইছে।

# চেলেংহাট প্ৰেছ ক্লাবৰ চতুৰ্থ বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**ই-সংবাদ, মৰিয়নি, ৩ ফেব্ৰুৱাৰীঃ** অসম নাগালেণ্ড সীমান্তৱৰ্তী চেলেংহাটৰ সংবাদদাতা সকলৰ ঐক্য মঞ্চ চেলেংহাট প্ৰেছ ক্লাবৰ চতুৰ্থ বাৰ্ষিক অধিৱেশন যোৱা ১ ফেব্ৰুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে হালোৱাপথাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় । এই উপলক্ষে পুৱা প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি মদনমোহন পাগবন্ধাই। ইয়াৰ পূৰ্বে অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে পোৱাল শইকীয়াই। স্মৃতি তৰ্পণ কৰে সাংবাদিক জ্যোতিপ্ৰসাদ গগৈয়ে। অনুষ্ঠানত বৃক্ষ ৰোপণ কৰে ক্ৰমে মহেন্দ্ৰ শইকীয়া, বিশ্ব চুতীয়া, পবিত্ৰ গগৈ, অনুৰঞ্জণ দুৱৰা আৰু ধ্ৰুৱজ্যোতি ভট্টাচাৰ্যই। আনহাতে দুপৰীয়া অভ্যৰ্থনা সমিতিৰ সভাপতি উৎপল চুতীয়াৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা মুকলি সভাখন উদ্বোধন কৰে সমাজকৰ্মী অসীম বৰুৱাই। কুকুৰাচোৱা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী সকলৰ দ্বাৰা পৰিৱেশিত এটি সত্ৰীয়া নৃত্যৰে মুকলি শুভাৰম্ভ কৰা সভাখনৰ আঁত ধৰে মদনমোহন পাগবন্ধা আৰু দেৱবিকাশ দত্তই। সভাত সমবেত সংগীত পৰিৱেশন কৰে স্থানীয় মইনা পাৰিজাতৰ মইনা সকলে। সভাত সমাজকৰ্মী ইন্দ্ৰেশ্বৰ গগৈ, শিক্ষক ললিত গগৈ, সমাজ কৰ্মী তুষাৰ পাল, অনাঁতাৰ শিল্পী ৰুণু বুঢ়াগোহাঁই,কবি ৰত্নাদেৱী বৰুৱা, সমাজকৰ্মী মুজিদ আলি, আজু যোৰহাট জিলা সমিতিৰ সভাপতি যোগেশ ওজা, টীয়ক প্ৰেছ ক্লাবৰ সভাপতি বিজু তনুৱাল,চাহ জনজাতি নেতা শিৱা লস্কৰ তাঁতী, শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘৰ সম্পাদক সমীৰণ দুৱৰা, আপকুৰ যোৰহাট জিলা সভাপতি দীপক দত্ত, মৰিয়ণি প্ৰেছ ক্লাবৰ সম্পাদক দিব্যজ্যোতি শইকীয়া, জেষ্ঠ সাংবাদিক ৰমেন শইকীয়া, নৱ চেতিয়া, সৌৰভ জ্যোতি দুৱৰা, বুলবুল আলি, প্ৰজিত গগৈকে প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। মুকলি সভাতে চেলেংহাট প্ৰেছ ক্লাৱে প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা গ্ৰাম্য সাংবাদিকতা বঁটা প্ৰদান কৰা হয় নিয়মীয়া বাৰ্তা কাকতৰ টীয়কৰ সাংবাদিক দিগন্ত হাজৰিকাক। আনহাতে এই অনুষ্ঠানতে চেলেংহাট প্ৰেছ ক্লাৱে শিৱসাগৰ জিলাৰ জাঁজীৰ অসমীয়া প্ৰতিদিন কাকতৰ সাংবাদিক ৰাজীৱ দত্তক অৰুণোদয় বটাঁ আৰু ঔপন্যাসিক লেখিকা জুৰি শইকীয়াক সাহিত্য সৌৰভ বটাঁৰে সন্মানিত কৰে। সন্ধিয়ালৈ অৰূপ জ্যোতি হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত চেলেংহাট প্ৰেছ ক্লাবৰ চতুৰ্থ বাৰ্ষিক অধিৱেশনৰ মুখপত্ৰ "প্ৰতীতি" উন্মোচন কৰে মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। সেইদৰে সন্ধিয়াৰ অন্যতম কাৰ্যসূচী হিচাপে কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ "ৰাঙলী বুঢ়ীৰ দান" কবিতাৰ আধাৰত বিশিষ্ট নাট্যকাৰ পৰিচালক মুনীন্দ্ৰ গগৈয়ে ৰচনা আৰু চেলেংহাট প্ৰেছ ক্লাবৰ দ্বাৰা প্ৰকাশিত "বীৰ ৰঙামুৰা" নাটক চাৰিজনকৈ কনমানী শিশুৰ হাতেৰে উন্মোচন কৰা হয়।

# চৰাইদেউ জিলা সাহিত্য সভাৰ তৃতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ সামৰণি

**ই-সংবাদ, মথুৰাপুৰ, ৩ ফেব্ৰুৱাৰীঃ** অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী জিলা সভা চৰাইদেউ জিলা সাহিত্য সভাৰ তৃতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনখনি জিলাখনৰ সদৰস্থিত সোণাৰি শাখা সাহিত্য সভা, শান্তিপুৰ শাখা সাহিত্য সভাৰ আতিথ্যত আৰু ৰাইজৰ সহযোগত কবিতা কোঁৱৰ অম্বেশ্বৰ চেতিয়া ফুকন সমন্বয় ক্ষেত্ৰত (সোণাৰি ৰাজহুৱা প্ৰেক্ষাগৃহ) ২৯ আৰু ৩০ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা আবেলি ২ বজাত জিলা সভাৰ অন্তিমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। দ্বিতীয় দিনা কাৰ্যসূচী অনুসৰি পুৱা ৮.০০ বজাত মূল তোৰণ উদ্বোধন কৰে পদ্ম কুমাৰী বৰুৱা বালিকা উঃ মাঃ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ যোগেন দুৱৰীয়ে। পুৱা ৮.১০ বজাত প্ৰতিনিধি পঞ্জীয়ন কৰাৰ পাছতেই পতাকা উত্তোলন কৰে চৰাইদেউ জিলা সাহিত্য সভাৰ সভাপতি নিৰঞ্জন ফুকনে। পুৱা ৯.১৫ বজাত স্মৃতি তৰ্পণ কৰে চৰাইদেউ জিলা সাহিত্য সভাৰ উপ-সভাপতি ভীমবৰ পাতিৰিয়ে। পুৱা ১০.৩০ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে, চৰাইদেউ জিলা সাহিত্য সভাৰ গত ১৫ ডিচেম্বৰৰ কাৰ্যনিৰ্বাহক সভা আৰু 'চৰাইদেউ জিলা সাহিত্য সভা নিৰ্বাচনী সমিতি'ৰ গত ৭ জানুৱাৰীৰ সভাৰ সিদ্ধান্ত মৰ্মে অসম সাহিত্য সভাৰ সংবিধানৰ নিৰ্বাচনী অধিনিয়ম (২)-ৰ উপবিধি (৩)-ৰ আধাৰত চৰাইদেউ জিলা সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদক পদৰ বাবে নিৰ্বাচনী অধিসূচনা জাৰি কৰা হৈছিল। সেই অধিসূচনাৰ আধাৰত সভাপতি হিচাপে মুকুট বৰগোহাঁই আৰু সম্পাদক বিপুল বৰুৱাক নিৰ্বাচিত কৰা হয় যদিও উপ-সভাপতি পদত দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছিল। ইয়াৰ মাত্ৰ এগৰাকীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। কিন্তু দুৰ্ভাগ্যজনকভাৱে সাংবিধানিক বিধি অনুসৰি উপ-সভাপতি পদৰ প্ৰাৰ্থীগৰাকীৰ বয়সৰ বিসংগতি হোৱাত মনোনয়ন পত্ৰ বাতিল কৰা হয়। গতিকে নিৰ্বাচনী সমিতিয়ে উপ-সভাপতি পদৰ বাবে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় নিৰ্বাচনী বিষয়াৰ নিৰ্দেশ অনুসৰি পুনৰ অধিসূচনা জাৰি কৰিছিল যদিও জিলাখনৰ কোনেও মনোনয়নপত্ৰ সংগ্ৰহ নকৰাত প্ৰতিনিধি সভাৰ সিদ্ধান্ত অনুসৰি বিৰেন চেতিয়াক চৰাইদেউ জিলা সাহিত্য সভাৰ উপ-সভাপতি হিচাপে নিৰ্বাচন কৰে। দিনৰ ১২.৩০ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয়। চৰাইদেউ জিলা সাহিত্য সভা আৰু আদৰণি সমিতিৰ সম্পাদক বিপুল বৰুৱাই আঁত ধৰা সভাত পৌৰোহিত্য কৰে চৰাইদেউ জিলা সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি মুকুট বৰগোহাঁয়ে। সোণাৰি মহাবিদ্যালয়ৰ অধ্যাপক ড০ সুনীল দত্তই উদ্বোধন কৰা সভাত অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড০ ৰঘুনাথ কাগয়ুঙে জিলা সভাৰ মুখপত্ৰ 'এষণা' আৰু 'বাৰ্তা' উন্মোচন কৰাৰ লগতে চৰাইদেউ জিলা সাহিত্য সভাৰ ইতিহাস উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মাখনী গোস্বামীৰ শিশু উপযোগী গ্ৰন্থ 'মৌ-কোঁহ' উন্মোচন কৰে।

# পৰিবহণ বিভাগৰ উদ্যোগত আৰম্ভ হ'ল বিশেষ জনসেৱা কাৰ্যসূচী

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰীঃ** সুৰক্ষিত যাতায়াতৰ স্বাৰ্থত পথত চলাচল কৰা ব্যক্তিগত, বাণিজ্যিক সকলো বাহনৰে নথিপত্ৰসমূহ সঠিক কৰি ৰখাৰ লক্ষ্যৰে পৰিবহণ বিভাগৰ উদ্যোগত শনিবাৰৰ পৰা আৰম্ভ হ'ল বিশেষ জনসেৱা কাৰ্যসূচী। পৰিবহণৰ বিশেষ কতৰ্ব্যৰত বিষয়া গৌতম দাসৰ তত্বাৱধানত গ্ৰহণ কৰা জনসেৱা কাৰ্যসূচীত আজি আৰম্ভণিৰ দিনাই বিভিন্ন ব্যক্তিগত বাহনৰ লগতে মহানগৰীৰ কুৰিৰো অধিক বাণিজ্যিক তথা বহুজাতিক উদ্যোগ-প্ৰতিষ্ঠানত উপস্থিত হয়গৈ বিভাগৰ বিষয়া কৰ্মীৰ এটা দল। বিষয়া-কৰ্মীৰ দলটোৱে ব্যক্তিগত বাহনৰ গৰাকীৰ বিভিন্ন ওজৰ-আপত্তি তাৎক্ষণিকভাৱে নিষ্পত্তি কৰি বাহনৰ নথিপত্ৰসমূহ সঠিক কৰি ৰখাৰ ক্ষেত্ৰত সেৱা আগবঢ়াই । ইয়াৰ পিছতে মহানগৰ জিলাখনৰ বাণিজ্যিক তথা বহুজাতিক উদ্যোগ প্ৰতিষ্ঠানসমূহত উপস্থিত হৈ সুৰক্ষিত যাতায়াতৰ বাবে বাহনৰ নথিপত্ৰসমূহ সকলো সময়তে সঠিক কৰি ৰখাৰ গুৰুত্ব সন্দৰ্ভত অৱগত কৰি অনতিপলমে নথিপত্ৰৰ নবীকৰণ কৰিবলৈ আহ্বান জনায়। নথিপত্ৰ সঠিক কৰিব পৰাকৈ এতিয়াও যিসকলে বাহনৰ কৰ আদায় দিয়া নাই তেওঁলোকক বকেয়াসহ বৰ্তমানৰ যাৱতীয় সকলো কৰ আদায় দিবলৈ আহ্বান জনায় আৰু এইক্ষেত্ৰত সম্ভাব্য সকলো সেৱা বিভাগৰ তৰফৰ পৰা আগবঢ়োৱাৰ নিশ্চয়তা দিয়ে । বাহনৰ গৰাকীৰ কাষত উপস্থিত হৈ পৰিবহণৰ বিষয়া-কৰ্মীয়ে এনেদৰে থিতাতে আগবঢ়োৱা সেৱা আৰু ৰাজপথত সুৰক্ষিত যাতায়াত বজাই ৰখাৰ বাবে জনোৱা গুৰুত্বপূৰ্ণ আহ্বানত স্বাভাৱিকতে বাহনৰ গৰাকী আৰু উদ্যোগ-প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

# পশুপালন আৰু পশু চিকিৎসা সঞ্চালকালয়ৰ অৱসৰী উপ-পৰিদৰ্শক হৰমোহন দাসক বিদায় সম্বৰ্ধনা

**গুৱাহাটী, ৩ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ গুৱাহাটীৰ চেনীকুঠিস্থিত সঞ্চালকালয়ৰ উপ-পৰিদৰ্শক হৰমোহন দাসক ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰা উপলক্ষে শনিবাৰে কাৰ্যালয়ৰ পৰিসংখ্যা শাখাত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাত হৰমোহন দাসক ফুলাম গামোচা, কীৰ্তন পুথি, ফুলৰ থোপা, অভিনন্দন পত্ৰ প্ৰদান কৰা হয়। উপ-পৰিদৰ্শকদ্বয় শংকৰ ৰাজবংশীৰ ভক্তিমূলক গীত আৰু মাচুম স্মৃতি দত্তই ভাষণ দিয়া অনুষ্ঠানটোত জ্যেষ্ঠ গৱেষণা বিষয়া প্ৰমথেশ ভট্টাচাৰ্যই কয় যে - পৰাপক্ষত সকলোৱে হাঁহি থাকিব লাগে । জীৱনটো জিনিব পাৰি হাঁহিৰ বোকোচাত উঠি, হৰমোহন দাসৰ অপৰিসীম মানসিক বলে তেওঁক জীৱন যুঁজত যথেষ্ট সহায় কৰিছে। আনহাতে 'জোনাক' আলোচনীৰ মুখ্য সম্পাদক, পৰিসংখ্যা বিষয়া পুলকেশ ৰায় বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত অৱসৰ গ্ৰহণ কৰা হৰমোহন দাসে ভাষণ প্ৰসংগত সুদীৰ্ঘকাল চাকৰি কৰাৰ বিভিন্ন তিতা-মিঠা-কেহাঁ অভিজ্ঞতাৰ চমুকৈ আলোকপাত কৰি বিগত সম.য়চোৱাত সহকৰ্মী সকলোৱে কৰা সহায় -সহযোগিতাৰ কথা সোঁৱৰণ কৰি আবেগিক হৈ পৰে। সভাত পৰিসংখ্যা বিষয়া শৈলেন কলিতা, সংগণকদ্বয় ৰঞ্জিত বৰ্মন , দীপক কাকতি, ক্ষেত্ৰ সহায়কদ্বয় নয়নজ্যোতি দাস আৰু ৰফিক আলী, কনিষ্ঠ সহায়ক ৰাহুল ডেকা , প্ৰণীতা মৌপিয়া , সমৰজিৎ ৰামচিয়াৰী , মৌকন দাস, দীপ ডেকাকে ধৰি কাৰ্যালয়ৰ কেবাজনো বিষয়া-কৰ্মচাৰী উপস্থিত আছিল।

# সীমান্তত শিল-বালিৰ অবৈধ ব্যৱসায়ক লৈ প্ৰতিক্ৰিয়া

**ই-সংবাদ, গোলকগঞ্জ, ৩ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অসম পশ্চিমবংগ সীমান্তৰ বাউসেৰকুঠীত একাংশ অসাধু ব্যৱসায়ীয়ে প্ৰকাশ্যে অবৈধ শিল বালিৰ ব্যৱসায় চলাই থকা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বাউসেৰকুঠী অঞ্চলটোৰ তিনিফালে পশ্চিমবংগ। ভৌগলিক অৱস্থানৰ সুযোগ লৈ একাংশই মুকলিভাৱে চলাইছে অবৈধ ব্যৱসায়। ছাগলীয়া বন গাননিক কাৰ্যালয়ৰ অধীনৰ কাঠলতলীৰ পৰা শিল বালি আনি ৰিলায়েন্সৰ পৰিত্যক্ত পেট্ৰল পাম্পত জমা কৰে। তাৰ পৰাই পশ্চিমবংগৰ বিভিন্ন স্থানলৈ প্ৰেৰণ কৰে। ছাগলীয়া বন বিষয়া কবিন বৰাক মেনেজ কৰি বিভাগীয় ৰাজহ ফাঁকিৰে চলিছে এই ব্যৱসায়। আনহাতে, পূৰ্বতে সৰু সুৰা বাহনেৰে শিল বালি কঢ়িয়াই আনি জমা কৰিছিল যদিও শেহতীয়াকৈ ভিতৰুৱা পথত ডাম্পাৰেৰে কঢ়িয়াই আছে। ভিতৰুৱা পথত গধুৰ বাহন চলাচল কৰাত অসন্তুষ্ট হৈ পৰিছে গাঁওখনৰ ৰাইজ। স্থানীয় ৰাইজে ডাম্পাৰ চলাচলত বাধা দিয়াক লৈ বাকবিতণ্ডাৰ সৃষ্টি হয়। সাধাৰণ বাহনৰ ওপৰত বৰমতা দেখুওৱা আৰক্ষীয়ে গধুৰ যান-বাহনৰ ক্ষেত্ৰত মৌন হৈ থকা কাৰ্য ব্যাপক সমালোচিত হৈছে।

# চতিয়াত বনৰজাৰ সন্ত্ৰাস অব্যাহত

**ই-সংবাদ, চতিয়া, ৩ ফেব্ৰুৱাৰীঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ দক্ষিণাঞ্চলত বাঘৰ সন্ত্ৰাস অব্যাহত থকাৰ মাজতে এইবাৰ বাঘৰ গতিবিধি নিৰীক্ষণৰ বাবে বনবিভাগে স্থাপন কৰিলে কেমেৰা। চাৰিটাকৈ স্থানত স্থাপন কৰা চাৰিটা কেমেৰাৰ সহায়ত বনবিভাগে নিৰীক্ষণ কৰিব বাঘৰ গতিবিধি। পানপুৰ-বিশ্বনাথ ঘাট মথাউৰিৰ দাঁতিৰ কাষত থকা গছত স্থাপন কৰা কেমেৰাৰ সহায়ত বাঘৰ গতিবিধি নিৰীক্ষণ কৰাৰ পাছত বাঘ ধৰিবৰ বাবে বনবিভাগে পিঞ্জৰা স্থাপন কৰিব বুলি জানিব পৰা গৈছে। বনৰজাক ধৰিবৰ বাবে ইতিমধ্যে বন বিভাগে আনি থৈছে পিঞ্জৰা। উল্লেখ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা নিশা ওলাই অহা বাঘে চতিয়াৰ দক্ষিণাঞ্চলত বিগত এক সপ্তাহত পাঁচটাকৈ গৰু নিধন কৰি সন্ত্ৰাস চলাইছে আঞ্চলটোত। বাঘৰ সন্ত্ৰাসত এতিয়া চতিয়াৰ দক্ষিণাঞ্চলৰ গড়পাল, কাছমাৰী, চন্দ্ৰআটি আঞ্চলৰ ৰাইজ শংকিত হৈ পৰা পৰিলক্ষিত হৈছে। এতিয়া বন বিভাগলৈকে আশাৰে বাট চাই ৰৈছে ৰাইজে।

# মুছলপুৰত মদাহি জনজাতি সন্মিলন-ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, মুছলপুৰ, ৩ ফেব্ৰুৱাৰীঃ** বাক্সা জিলাৰ শ্ৰীপুৰদেওঁৰ সুধাবাৰী চুবাৰ নামঘৰ প্ৰাংগণত কালি এদিনীয়া কাৰ্যসূচীৰে সদৌ অসম মদাহি জনজাতি সন্মিলনৰ ৪৬ সংখ্যক আৰু সদৌ অসম মদাহি জনজাতি ছাত্ৰ সন্থাৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱা মদাহি জনজাতি সন্মিলনৰ পতাকা উত্তোলন কৰে সদৌ অসম মদাহি জনজাতি সন্মিলনৰ সভাপতি সুজন মদাহিয়ে। একেলগে মদাহি জনজাতি ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে সদৌ অসম মদাহি জনজাতি ছাত্ৰ সন্থাৰ সভাপতি বিজুফুকন মদাহিয়ে। ইয়াৰ পিছতে স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কাৰ্যসূচীৰ অন্তত অনুষ্ঠিত হয় মুকলি সভা। সদৌ অসম মদাহি জনজাতি সন্মিলনৰ সভাপতি সুজন মদাহিয়ে সভাপতিত্ব কৰা উক্ত সভাখন উদ্বোধন কৰে মদাহি সাহিত্য পৰিষদ অসমৰ সভাপতি সৰ্বেশ্বৰ মদাহিয়ে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিটিচিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই অসমৰ প্ৰান্তে-প্ৰান্তে সিঁচৰতি হৈ থকা বিভিন্ন জাতি-জনগোষ্ঠীৰ ভিতৰত মদাহিসকল অন্যতম বুলি উল্লেখ কৰি মদাহিসকলৰ এক নিজা পৰিচয় আছে বুলি মন্তব্য কৰে। ইফালে, অনুষ্ঠানত উপস্থিত থাকি সদৌ অসম মদাহি জনজাতি সন্মিলনৰ সাধাৰণ সম্পাদক বিজয় মদাহিয়ে ২০২৫ বৰ্ষতে অনুষ্ঠিত হ'বলগীয়া বিটিচিৰ পৰিষদীয় নিৰ্বাচনত মদাহি জনজাতি অধ্যুষিত সমষ্টি বিশেষকৈ ক'কলাবাৰী, দিহিৰা আৰু মুছলপুৰ পৰিষদীয় সমষ্টিত নিজা প্ৰাৰ্থী প্ৰক্ষেপ কৰি নিৰ্বাচনত অংশগ্ৰহণ কৰিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

# বকোৰ শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত 'বিশ্ব আৰ্দ্ৰভূমি দিৱস' পালন




**ই-সংবাদ, বকো, ৩ ফেব্ৰুৱাৰীঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত বিশ্ব আৰ্দ্ৰভূমি দিৱসৰ লগত সংগতি ৰাখি বকোত ৰচনা প্ৰতিযোগিতা আৰু এক সজাগতা কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে,শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ বনাঞ্চলিক বিষয়া ভাৰ্গৱ হাজৰিকাৰ একক প্ৰচেষ্টাত কাৰ্যালয়ৰ অন্তৰ্গত এলেকা বকোৰ হাহিম শামুকা উচ্চ বুনিয়াদী বিদ্যালয়ত বিশ্ব আৰ্দ্ৰভূমি দিৱসৰ লগত সংগতি ৰাখি "জলাশয় সংৰক্ষণৰ প্ৰয়োজনীয়তা, বৰ্তমান আৰু ভৱিষ্যত " শীৰ্ষক বিষয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আনহাতে বিশ্ব আৰ্দ্ৰভূমি দিৱসৰ লগত সংগতি ৰাখি এক সজাগতা কাৰ্যসূচীও অনুষ্ঠিত হয়। বকোৰ শিংৰা বজাৰ,বকো আৰক্ষী থানা চ'ক, বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সন্মুখত আৰু শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ শিংৰাস্থিত আপুৰুগীয়া সংৰক্ষিত উদ্যানৰ সমীপত "বিল তথা জলাশয়সমূহ জৈৱবৈচিত্ৰৰ এক প্ৰধান আধাৰ"," জলাশয়বোৰে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাত সহায় কৰে ", " জলাশয়বোৰ হ'ল বিভিন্ন চৰাইৰ আশ্ৰয়স্থলী আৰু হাতীৰ বিচৰণস্থলীৰ এক অবিচ্ছেদ্য অংগ ' আদি বিভিন্ন সজাগতামূলক বাণীৰে সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। বকোৰ শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হোৱা এই সজাগতা কাৰ্যসূচীৰ শলাগ লৈছে প্ৰকৃতিপ্ৰেমীয়ে।

# ৰঙিয়াত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ অধিৱেশনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, ৰঙিয়া, ৩ ফেব্ৰুৱাৰীঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ অহা ২১ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰঙিয়া অধিৱেশন উপলক্ষে কালি মূল ৰভাৰ লাইখুঁটা স্থাপন অনুষ্ঠান আড়ম্বৰপূৰ্ণতাৰে অনুষ্ঠিত কৰা হয়। তৰণীস্থিত ইতিহাস প্ৰসিদ্ধ ৰজা আৰিমত্ত ক্ষেত্ৰত তদুপলক্ষে আয়োজিত মাংগলিক পৰিৱেশত আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰে স্থানীয় বিধায়ক তথা অভ্যৰ্থনা সমিতিৰ সভাপতি ভৱেশ কলিতাই। আয়তীৰ উৰুলি, হৰিনাম ধ্বনিৰে মুখৰিত আধ্যাত্মিক পৰিৱেশত লাইখুঁটা স্থাপন কৰি অধিৱেশনৰ সৰ্বতোপ্ৰকাৰৰ সফলতা কামনা কৰে বিধায়ক ভৱেশ কলিতাই। ইয়াৰ পিছতে আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি লৰধৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয় মুকলি সভা। সভাত সংগঠনটোৰ



কেন্দ্ৰীয় সমিতিৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতি, সাধাৰণ সম্পাদক নয়ন কলিতা প্ৰমুখ্যে নেতৃবৃন্দই অংশগ্ৰহণ কৰি সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ দীৰ্ঘদিনীয়া দাবী তথা লক্ষ্য আৰু উদ্দেশ্য সন্দৰ্ভত বক্তব্য ৰাখে। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাচীন আৰু বৃহত্তম খিলঞ্জীয়া জনগোষ্ঠী হিচাপে কলিতাসকল সময়ে সময়ে বিভিন্ন ন্যায্য অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে বুলি উল্লেখ কৰে। গোষ্ঠী ভিত্তিক সংৰক্ষণ ব্যৱস্থাৰ যোগেদি কলিতা জনগোষ্ঠীৰ প্ৰজন্মে প্ৰজন্মে পংগু কৰি অহা বুলি আক্ষেপ প্ৰকাশ কৰে নেতৃবৃন্দই। এই অন্যায়ৰ বিৰুদ্ধে বিগত আঠত্ৰিছ বছৰে সংগ্ৰাম কৰি অহা বুলি উল্লেখ কৰি আগন্তুক ৰঙিয়া অধিৱেশন তাৰেই এক বৃহৎ পদক্ষেপ ৰূপে ভাষণ প্ৰসংগত উল্লেখ কৰে সভাপতি ডাঃ কাকতীয়ে। আদৰণি সমিতিৰ সাধাৰণ সম্পাদক ৰাজেন কলিতাই আদৰণি ভাষণৰে শুভাৰম্ভ কৰা সভাত ধুবুৰী, তামুলপুৰ, বাক্সাকে ধৰি বিভিন্ন জিলা তথা আঞ্চলিক সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে।

# পুৰণিগুদাম, চামগুৰিৰ মহাবিদ্যালয়ত সৰস্বতী পূজাত ছাত্ৰ-ছাত্ৰীলৈ কিতাপ উপহাৰ

**ই-সংবাদ, পুৰণিগুদাম, ৩ ফেব্ৰুৱাৰীঃ** আজি সৰস্বতী পূজা উপলক্ষে নগাঁও জিলাৰ পুৰণিগুদাম ড০ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় আৰু চামগুৰি মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ হাতত একোখনকৈ কিতাপ তুলি দি কিতাপৰ উৎসৱ পালন কৰে পুৰণিগুদাম কবি সন্মিলনে। লগতে এটা কিতাপৰ টোপোলা মহাবিদ্যালয়ৰ পুথিভঁড়াললৈ আগবঢ়ায়। পুৰণিগুদাম কবি সন্মিলনৰ সভাপতি নবীন কলিতা আৰু সম্পাদক হিৰণ্য কুমাৰ শৰ্মাৰ উদ্যোগত শিশুবন্ধু দুলাল বৰাই পুৰণিগুদাম ড০ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষৰ হৈ উপাধ্যক্ষ ড০ কমল শইকীয়া আৰু ড০ অংকুৰ বনিয়াই আৰু চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষৰ হৈ সহকাৰীঅধ্যাপক দিলীপ কুমাৰ দাস, ৰফিকুল ইছলাম, কাৰ্যালয় সহায়ক তৰুণ বৰা আৰু মিণ্টু কমল দাসৰ হাতত দুষ্প্ৰাপ্য কিতাপৰ টোপোলা প্ৰদান কৰে। লগতে জাতিৰ গৌৰৱ, দেশৰ গৌৰৱ ছাত্ৰ-ছাত্ৰীৰ হাতে-হাতে একোখনকৈ কিতাপ তুলি দি 'কিতাপ পঢ়ি জগত চিনা আৰু কিতাপ জগত জিনা'ৰ আহ্বান জনায় শিশুবন্ধু দুলাল বৰাই। 'ভোটাই ডেকা' গ্ৰন্থৰ লেখক নবীন কলিতাই সৰস্বতী পূজা কৰি জ্ঞানী হ'বলৈ যত্ন কৰাতকৈ দুখন কিতাপ পঢ়াটো ভাল" বুলি কয়। লগতে আজি যিকেইগৰাকী ছাত্ৰ-ছাত্ৰীৰ হাতত কিতাপ তুলি দিয়া হৈছে তেওঁলোকক পঢ়ি শেষ হ'লে কিতাপখনৰ ওপৰত এটা চমু আলোচনাৰ টোকা লিখি মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত জমা দিবলৈ কোৱাৰ লগতে পঢ়ি শেষ হোৱা কিতাপ আন এজন ছাত্ৰ বা ছাত্ৰীক পঢ়াৰ ধাৰবাহিকতা ৰাখিবলৈ আহ্বান জনায়। কিতাপখন সন্দৰ্ভত ভাল চমু আলোচনা পালে কলেজৰ বাৰ্ষিক আলোচনী সম্পাদকে বাৰ্ষিক আলোচনীত প্ৰকাশ কৰিব বুলি জানিবলৈ দিয়ে।

# পথাৰত শ্ৰমদান ৰাইজৰ দলৰ মুখপাত্ৰ মেহবুব মোক্তাৰৰ

**ই-সংবাদ, মৈৰাবাৰী, ৩ ফেব্ৰুৱাৰীঃ** যি সময়ত নগাঁও জিলাৰ পশ্চিম অংশত কৃষকসকলৰ সমস্যাৰ বুজ ল'বলৈ পথাৰত কৃষি বিভাগৰ বিভিন্ন পৰ্যায়ৰ বিষয়া, কৃষি বিজ্ঞানীসকলক দেখা পোৱা নাযায়, সেই সময়তে দুখীয়া কৃষকসকলৰ কঠোৰ পৰিশ্ৰমক সন্মান জনাই বৰভেটি গাঁৱৰ দুখীয়া কৃষক আশ্বাদুল ইছলামৰ বৰো খেতি কৰিবলৈ সাজু কৰা পথাৰত আৰ্থিক সকাহ দিয়াৰ মানসিকতাৰে 'পথাৰ আমাৰ, বজাৰ আমাৰ' শ্লʼগানেৰে ৰাইজৰ দলৰ মুখপাত্ৰ মেহবুব মোক্তাৰে কেইজনমান দলীয় কৰ্মী লগত লৈ কৃষকজনৰ পথাৰত বৰোধানৰ কঠীয়া ৰোপণেৰে শ্ৰমদান কৰি স্থানীয় কৃষিপ্ৰেমী ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বিগত দিনত বৰভেটি গাঁওখনৰ কৃষকসকল বিভাগীয় ফালৰ পৰা বঞ্চিত, অৱহেলিত হৈ আহিছে। অঞ্চলটোৰ প্ৰগতিশীল কৃষকসকলে বিভিন্ন ধৰণৰ সমস্যাত জৰ্জৰিত হৈ পৰিছে। প্ৰায়বোৰ কৃষক কৃষি কাৰ্যৰ নতুন প্ৰযুক্তিৰ সৈতে চিনাকি নোহোৱাৰ পৰিপ্ৰেক্ষিতত কৃষি সামগ্ৰী উৎপাদন বৃদ্ধি কৰিব নোৱাৰি অৰ্থনৈতিক দিশত জুৰুলা হৈ পৰিছে। জনপ্ৰতিনিধিসকলে কৃষকসকলৰ সমস্যাক গুৰুত্ব সহকাৰে লৈ কামত আগবাঢ়িলে কৃষকৰ বহু সমস্যা সমাধান হ'লহেঁতেন, কিন্তু তেনে একো নোহোৱাৰ অভিযোগ শুনা যায়। আজি কৃষকৰ পথাৰত ৰাইজৰ দলৰ মুখপাত্ৰ মেহবুব মোক্তাৰে যি কাম কৰি দেখুৱালে তেনে কাম আজি পৰ্যন্ত কোনো জনপ্ৰতিনিধিয়ে কৰিবলৈ সাহস কৰা নাই বুলি স্থানীয় লোকে মন্তব্য কৰা শুনিবলৈ পোৱা গৈছে।

# বিশিষ্ট শিক্ষাবিদ লৱনাথ সোণোৱালৰ দেহাৱসান

**ই-সংবাদ, ডুমডুমা, ৩ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ তালাপ টেঙাগাঁও নিবাসী, শতবৰ্ষ গৰকা তথা ঐতিহ্যমণ্ডিত ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লৱনাথ সোণোৱালৰ আজি দুপৰীয়া বাৰ্ধক্যজনিত কাৰণত নিজা বাসভৱনত দেহাৱসান ঘটে। তেখেতে দীৰ্ঘদিনে শাৰীৰিক অসুস্থতাত ভুগি আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৩ বছৰ। ডাঙৰী অঞ্চলৰ লাইনা গাঁৱত জন্মগ্ৰহণ কৰা লৱনাথ সোণোৱালে ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু পৰৱৰ্তী পৰ্যায়ত বি টি ডিগ্ৰী লাভ কৰে। ইংৰাজী ভাষাত বিশেষ দখল থকা শিক্ষকগৰাকীয়ে বিদ্যালয়ৰ অনুশাসনৰ দিশটোত কেতিয়াও আপোচ নকৰিছিল। ২০০০ চনৰ ১ নৱেম্বৰত জ্যেষ্ঠতাৰ ভিত্তিত ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ লৱনাথ সোণোৱালে ২০০২ চনৰ ৩১ আগষ্টত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, এগৰাকী জীয়ৰী, নাতি-নাতিনীৰ লগতে বহু আত্মীয়ক এৰি গৈছে। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে জন্মস্থান লাইনা গাঁৱৰ ৰাইজৰ লগতে অ'ত ত'ত সিঁচৰতি হৈ থকা আত্মীয় আৰু গুণমুগ্ধই তেওঁৰ তালাপস্থিত বাসভৱনৰ চৌহদত ভিৰ কৰেহি। তেওঁৰ মৃত্যুত ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোট, ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থা, ডাঙৰী আঞ্চলিক সোণোৱাল-কছাৰী ছাত্ৰ সন্থা, হালালী যুৱ মঞ্চ, তালাপ শাখা সাহিত্য সভা, তালাপ শাখা কৰ্মচাৰী পৰিষদৰ লগতে বহু ব্যক্তি আৰু দল-সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

# নজিমুদ্দিন সৰকাৰ একাডেমিৰ বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, শিমলীতোলা, ৩ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত বাঘমাৰা চৰৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় নজিমুদ্দিন সৰকাৰ একাডেমিৰ তিনিদিনীয়াকৈ আৰম্ভ হোৱা বাৰ্ষিক অধিৱেশনৰ দোবাৰে সফল সামৰণি পৰে। পতাকা উত্তোলনেৰে আৰম্ভ কৰি প্ৰত্যেক দিনতে গজল, কোৰাণ পাঠ, আকস্মিক বক্তৃতা, তৰ্ক, কুইজ, সাধাৰণ খেল-ধেমালি, ভেশচন, সাংস্কৃতিক অনুষ্ঠান ইত্যাদি বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰে। অন্তিম দিনা নজিমুদ্দিন সৰকাৰ একাডেমিৰ অধ্যক্ষ সাহানাজ জামানৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি আৰু বঁটা বিতৰণী সভাত আমন্ত্ৰণ কৰি অনা অতিথিসকলক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানটি পৰিচালনা কৰে নজিমুদ্দিন সৰকাৰ একাডেমি উপাধ্যক্ষ জাহাংগীৰ হুছেইনে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে চেঙা বিধানসভা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইন। বিদ্যালয়খনৰ সহঃ শিক্ষয়িত্ৰী লুতফা হানুন জেনুৱাৰা বেগমৰ উদ্বোধনী ভাষণেৰে আৰম্ভ কৰা সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বাঘমাৰা চৰ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ তাইজুদ্দিন সৰকাৰ, লুইতপৰীয়া মহাবিদ্যালয়ৰ প্ৰৱক্তা আব্দুল ওৱাহাব চৌধুৰী, দলগোমা আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যাপক আবুশামা আহমেদ, বাঘমাৰা চৰ ছিঃ ছেকেণ্ডাৰী স্কুলৰ অধ্যাপক হাচান আলী আহমেদ, বাঘমাৰা চৰ ছিঃ ছেকেণ্ডাৰী স্কুলৰ অধ্যাপক জাকিৰ হুছাইন, বাঘমাৰা চৰ সমবায় সঃ লিঃৰ সভাপতি, এম মুছুৰুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক হাকিমুদ্দিন আহমেদৰ লগতে বহু বিশিষ্ট ব্যক্তি।

## প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

# ত্ৰিনয়ন গোষ্ঠীৰ বিৰুদ্ধে বৃহৎ জয় অম্লান গোষ্ঠীৰ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩ ফেব্ৰুৱাৰীঃ** অসম ক্ৰিকেট সন্থাৰ সপ্তম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেটৰ প্ৰথম ৰাউণ্ডৰ খেলৰ লগত সংগতি ৰাখি নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা এ এন কিড'ৱাই ট্ৰফী (ক্লাষ্টাৰ-১) ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত অম্লান গোষ্ঠীয়ে ত্ৰিনয়ন গোষ্ঠীক দহ উইকেটত সহজেই পৰাজিত কৰে। খেলখনত ত্ৰিনয়ন গোষ্ঠীয়ে পোনতে বেট ধৰি বিষ্ণু প্ৰাণ নাথৰ ২৩, বিশাল বৰাৰ ২০ আৰু সিদ্ধাৰ্থ দাসৰ ১৭ ৰাণৰ উল্লেখনীয় বৰঙনি স্বত্বেও বিপক্ষৰ ঋতম বৰা (৫/২২) আৰু দীপজ্যোতি গোস্বামী (৩/২৭)ৰ বিধ্বংসী বলিঙৰ প্ৰকোপত ২২.২ অভাৰত ১০২ ৰাণ সংগ্ৰহ কৰোঁতেই সকলোকেইটা উইকেটৰ পতন ঘটে। প্ৰত্যুত্তৰত অম্লান গোষ্ঠীয়ে তুষাৰ শ্যামলৰ অপৰাজিত ৫৯ আৰু বিবি শৰ্মাৰ অপৰাজিত ২৯ ৰাণৰ অৱদানৰে ১৪.৩ অভাৰতে ১০৫ ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্য অতিক্ৰম কৰে।

# ডিপ্তা সুৰাদীত দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা

**ই-সংবাদ, বৰমা, ৩ ফেব্ৰুৱাৰীঃ** নলবাৰী জিলাৰ ডিপ্তা সুৰাদীৰ জাৰীয়াপাৰা খেল পথাৰত মিলিজুলি যুৱ সংঘ আৰু স্থানীয় ৰাইজৰ সহযোগত অহা ৫ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ তিনিদিনিয়াকৈ দিবা-নৈশ ক্ৰিকেট বল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীসকলে মাচুলসহ সমিতিৰ লগত যোগাযোগ কৰিব পাৰিব বুলি সমিতিয়ে জনাইছে। সমিতিয়ে জনোৱা মতে, প্ৰতিযোগিতাখনত প্ৰথম পুৰস্কাৰ হিচাপে থাকিব ৪০,০০০ টকাৰ লগতে ট্ৰফী আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে থাকিব ২০,০০০ টকাৰ লগতে ট্ৰফী।



ক্ৰীড়াঙ্গণৰ আলিংগন! ইলেংগুৰ বিৰুদ্ধে টি-২০ত সূৰ্য-অভিযেক



ৱাংখেড়ে ষ্টেডিয়ামত ইংলেণ্ডৰ বিৰুদ্ধে টি-২০ কেৰিয়াৰৰ প্ৰথমটো শতক অৰ্জনৰ পিছত অভিযেক শৰ্মা

## তুমি য'ত উপনীত হৈছা, মই তাতেই তোমাক চাব বিচাৰিছিলো!

# ইংলেণ্ডৰ বিৰুদ্ধে অভিযেকৰ প্ৰদৰ্শনত উৎফুল্লিত গুৰু যুৱৰাজ

**মুম্বাই, ৩ ফেব্ৰুৱাৰীঃ** এসময়ত ভাৰতীয় ক্ৰিকেট দলৰ হৈ দুৰ্দান্ত প্ৰদৰ্শনেৰে বহু পৰাজিত মেচক জয়ৰ বাট দেখুৱাইছিল যুৱৰাজ সিঙে। এতিয়া যুৱৰাজৰে শিষ্য অভিযেক শৰ্মাই টি-২০ ক্ৰিকেটত ধুমহা বলাই আকৰ্ষণ কৰিছে ক্ৰিকেটানুৰাগীৰ দৃষ্টি। ইংলেণ্ডৰ বিৰুদ্ধে টি-২০ শৃংখলাৰ প্ৰথমখন মেচত ৭৯ ৰান আৰু অন্তিমখন মেচত ১৩৫ ৰানৰ বিস্ফোৰক ইনিংছ খেলি অভিযেকে শিৰোনাম দখল কৰিছে। ক্ৰিকেট জগতৰ দৃষ্টি আকৰ্ষণ কৰা বিশ অভাৰৰ ফৰ্মেটত ভাৰতীয় বেটছমেনৰ এয়াই হৈছে সৰ্বাধিক স্ক'ৰ। ইফালে শিষ্য অভিযেকৰ এই সফলতাত অতিশয় উৎফুল্লিত হৈ পৰিছে গুৰু যুৱৰাজ সিং। তেওঁ নিজৰ এক্স হেণ্ডেলত লিখিছে, "সুন্দৰ খেলিছা অভিযেক। তুমি য'ত উপনীত হৈছা, মই তাতেই তোমাক চাব বিচাৰিছিলো। তোমাক লৈ মই গৌৰৱান্বিত।" যুৱৰাজৰ এই পোষ্টটোৱে ছচিয়েল মিডিয়াত ধুমুহাৰ সৃষ্টি কৰিছে। নিজে বিধ্বংসী বেটছমেন হিচাপে পৰিচিত যুৱৰাজৰে শিক্ষাৰ্থী অভিযেকৰ সফলতাই ভাৰতীয় ক্ৰিকেট অনুৰাগীৰ হৃদয় জয় কৰিছে। উল্লেখ্য যে, গুৰু যুৱৰাজ সিঙৰ প্ৰতি বহুবাৰ মুকলিকৈ কৃতজ্ঞতা প্ৰকাশ কৰি আহিছে অভিযেক শৰ্মাই। তেওঁ কয়, "তিনি-চাৰি বছৰ পূৰ্বে জাতীয় দলৰ বাবে প্ৰস্তুতি চলাবলৈ যুৱি (যুৱৰাজ সিং) পাজীয়েই মোক উৎসাহিত কৰিছিল। মোৰ ওপৰত বিশ্বাস আছিল একমাত্ৰ তেওঁৰ। তেওঁ মোক কৈছিল, তুমি জাতীয় দলৰ হৈ এদিন দুৰ্দান্ত খেলিবা, সেয়াই মই চাব বিচাৰো। তেওঁৰ এই ইচ্ছাৰ বাবেই মই মোৰ শ্ৰেষ্ঠখিনি উজাৰি দিয়াৰ সাহস পাইছিলো।" অন্যহাতে অভিযেকৰ ইনিংছৰ পিছতে যুৱৰাজে স্পিন খেলাৰ কৌশল শিকোৱা এটা ভাইৰেল হৈ পৰে। অভিযেক শৰ্মাই ১৭টা বলত অৰ্ধশতক অৰ্জন কৰি ভাৰতৰ দ্বিতীয় দ্ৰুততম টি-২০ অৰ্ধশতকৰ অভিলেখ গঢ়িবলৈ সক্ষম হয়।

# সদৌ অসম কাৰাটে প্ৰতিযোগিতাত বেবেজীয়া কাৰাটে একাডেমীৰ সাফল্য

**ই-সংবাদ, বেবেজীয়া, ৩ ফেব্ৰুৱাৰীঃ** গুৱাহাটীৰ উলুবাৰীস্থিত দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা অনন্ত চৌধুৰী সোঁৱৰণী সদৌ অসম কাৰাটে ছেম্পিয়নশ্বিপত নগাঁও জিলাৰ বেবেজীয়া কাৰাটে একাডেমীয়ে বিশেষ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। অল আছাম কাৰাটে এছ'চিয়েছনৰ অন্তৰ্গত পাঞ্জাবাৰী কাৰাটে ড' একাডেমীৰ দ্বাৰা আয়োজিত এই প্ৰতিযোগিতাত চিহান পংকজ মুদৈৰ প্ৰশিক্ষণপুষ্ট বেবেজীয়া কাৰাটে একাডেমীৰ খেলুৱৈসকলে কাটা আৰু কুমিটেৰ বিভিন্ন শাখাত অংশগ্ৰহণ কৰি মুঠ নটাকৈ পদক আজুৰি আনিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনিৰ ল'ৰাৰ চাব জুনিয়ৰ ১০ বছৰ শাখাৰ কুমিটেত প্ৰজ্ঞাতজ্যোতি শইকীয়াই ৰূপৰ পদক অৰ্জন কৰাৰ বিপৰীতে প্ৰিন্সি শইকীয়াই কাটা আৰু কুমিটিত ব্ৰঞ্জ, শিৱাংগী দেৱীয়ে কাটা আৰু কুমিটেত ব্ৰঞ্জ, ধৃতিপ্ৰজ্ঞা মেধীয়ে কুমিটেত ব্ৰঞ্জ, মিহিৰজ্যোতি দাসে কুমিটেত ব্ৰঞ্জ, মৃন্ময় কলিতাই কুমিটেত ব্ৰঞ্জ আৰু নিবিড় হাজৰিকাই কুমিটেত ব্ৰঞ্জ লাভ কৰি বেবেজীয়ালৈ গৌৰৱ কঢ়িয়াই আনিছে। বেবেজীয়া কাৰাটে একাডেমীৰ এনে সাফল্যত অঞ্চলবাসী উৎফুল্লিত হৈ পৰিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি